# শিৱসাগৰ ছোৱালী কলেজ

# আলোচনী





১৯৯৬-৯৭ বৰ্ষ

**সম্পাদনা ঃ জিতামণি বড়া**

শিৱসাগৰ ছোৱালী কলেজ আলোচনী, ১৯৯৬-৯৭ বৰ্ষৰ প্ৰকাশ। শিৱসাগৰ ছোৱালী কলেজ ছাত্ৰী একতা সভাৰ প্ৰধান সম্পাদিকাৰ দ্বাৰা প্ৰকাশিত আৰু শ্ৰীজিতামণি বড়াৰ দ্বাৰা সম্পাদিত।

## সম্পাদনা সমিতি

| | |
|---|---|
| অধ্যক্ষ মঃ হাফিজুৰ ৰহমান ঃ | সভাপতি |
| অধ্যাপক সোণাৰাম বৰুৱা ঃ | উপদেষ্টা |
| অধ্যাপিকা যমুনা বৰগোহাঁই ঃ | ,, |
| জুৰি দিহিঙ্গিয়া ঃ | সাধাৰণ সম্পাদিকা |
| জিতামনি বড়া ঃ | সম্পাদিকা আলোচনী বিভাগ |

ছপাশাল ঃ
প্ৰিন্টৱৰ্কস্
শঙ্কৰ মন্দিৰ পথ
আমোলাপট্টি
দূৰভাষ ঃ ২২২০৮



## শুভেচ্ছাৰে একেষাৰ

শিৱসাগৰ ছোৱালী কালেজৰ ১৯৯৬-৯৭ চনৰ আলোচনীখন প্ৰকাশৰ যো-জা কৰা শুনি সুখী হৈছো। উচ্চশিক্ষাৰ অনুষ্ঠানৰ আলোচনী সমূহে প্ৰত্যেক বছৰে নতুন চামৰ সৃষ্টি প্ৰতিভাৰ সুন্দৰ নিদৰ্শন দাঙি ধৰে আৰু এই সৃষ্টি প্ৰতিভাৰ মাজেদি কোনো কোনোৱে সৃষ্টিৰে ভৱিষ্যতৰ সম্ভাৱনাৰে মনক আলোকিত কৰে। এনে সম্ভাৱনা শিৱসাগৰ ছোৱালী কালেজৰ প্ৰত্যেক বছৰে প্ৰকাশ হোৱা আলোচনীৰ লেখিকাসকলৰ মাজতো দেখা নহয়।

সুচিন্তিত প্ৰবন্ধ-পাতিৰে, দেখিলেই হাতত তুলি লবলৈ মন যোৱা ৰূপসজ্জাৰে এই বছৰৰ আলোচনীখন প্ৰকাশ হওক ইয়াকে কামনা কৰি অকল আলোচনীখনলৈকে নহয়, আমাৰ মৰমৰ এই অনুষ্ঠানটিলৈও শুভেচ্ছা জনাইছো। উপনিষদৰ ভাষাৰেই আশা কৰিছো—

ওঁ ভদ্ৰং কৰ্ণেভিঃ শৃণুয়াম দেবাঃ
ভদ্ৰং পশ্যেমাক্ষভিৰ্যজত্ৰাঃ
(হে দেৱগণ, আমাৰ কাণেৰে যেন
ভাল কথাই শুনো, আমাৰ চকুৰে যেন
মঙ্গলময় বিষয়বিলাকক দেখোঁ)।

ফুকন নগৰ, শিৱসাগৰ
১৩/৯/৯৭

বীৰেন বৰকটকী

# শুভেচ্ছাবাণী



ৰেণুপমা ৰাজখোৱা

বিধায়িকা, টিয়ক সমষ্টি

স্নেহাস্পদেষু,

মহাবিদ্যালয়ৰ এই বছৰৰ আলোচনীখনৰ সম্পাদনাৰ ভাৰ তোমাৰ ওপৰত পৰা বাবে মোৰ আন্তৰিক অভিনন্দন জনালো।

মোৰ মহাবিদ্যালয়ৰ শিক্ষা এই পৱিত্ৰ মহাবিদ্যালয়তে আৰম্ভণি কৰি শেষ কৰিছিলো। মহাবিদ্যালয়ৰ প্ৰতিটো মুহুৰ্ত্তই আজিও মোৰ মানসপটত অতি সুন্দৰকৈ জিলিকি আছে।

মহাবিদ্যালয়ৰ নিজা আলোচনী এখন অতিশয় প্ৰয়োজন, কাৰণ এই আলোচনীত প্ৰকাশিত নিজা লেখনীয়ে ছাত্ৰীসকলক ভৱিষ্যতে সাহিত্য সেৱা কৰিবলৈ উদগনি দিয়ে।

তোমাৰ সম্পাদনাত আলোচনীখনে যাতে সৎ সাহিত্য আৰু সজ আদৰ্শৰে সু-সমৃদ্ধ হৈ ওলায় আৰু এটা সাৰ্থক সৃষ্টি ৰূপে সকলোৰে সমাদৰ আৰু স্বীকৃতি লাভ কৰিব পাৰে তাৰ বাবে পৰম আন্তৰিকতাৰে মোৰ শুভেচ্ছা জনালো।

মহাবিদ্যালয়ৰ মোৰ শ্ৰদ্ধাৰ অধ্যক্ষ মহোদয় আৰু শ্ৰদ্ধাৰ অধ্যাপক/অধ্যাপিকা সকল, মহাবিদ্যালয়ৰ বিষয়া আৰু কৰ্ম্মচাৰী সকল আৰু মোৰ অতি মৰমৰ ছাত্ৰী আৰু ছাত্ৰী একতা সভাৰ বিষয়-ববীয়া সকলৈলে প্ৰাপ্যানুযায়ী শ্ৰদ্ধা, সম্ভাষণ, শুভেচ্ছা আৰু মৰম যাচিলো।

ইতি—

তোমালোকৰ বাইদেউ
স্বাঃ ৰেণুপমা ৰাজখোৱা
১৮-২-৯৮

প্ৰতি,

শ্ৰীমতী জিতামণি বৰা
সম্পাদিকা, আলোচনী বিভাগ
শিৱসাগৰ ছোৱালী মহাবিদ্যালয়, শিৱসাগৰ



কাৰ্য্যালয়ত অধ্যক্ষ মঃ হাফিজুৰ ৰহমান



কলেজৰ প্ৰাক্তন অধ্যক্ষ তথা অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি
**শ্ৰীবীৰেন বৰকটকীদেৱক** কলেজৰ এক অনুষ্ঠানত ভাষণ দি থকা দেখা গৈছে



কলেজৰ এগৰাকী প্ৰাক্তন ছাত্ৰী, বৰ্ত্তমান টিয়ক বিধান সভা সমষ্টিৰ বিধায়িকা
**শ্ৰীমতী ৰেণুপমা ৰাজখোৱাই** কলেজৰ নৱাগত আদৰণী অনুষ্ঠানত
বিশিষ্ট অতিথি ৰূপে যোগদান কৰি ভাষণ দিয়া দেখা গৈছে।



১৯৯৬-৯৭ বৰ্ষৰ শিৱসাগৰ ছোৱালী কলেজ ছাত্ৰী একতা সভাৰ সভাপতি তথা অধ্যক্ষ মঃ হাফিজুৰ ৰহমান সহিতে কাৰ্য্যনিৰ্বাহক সমিতিৰ বিষয়ববীয়া সকলৰ একাংশ।



১৯৯৬-৯৭ বৰ্ষৰ কলেজ সপ্তাহ উপলক্ষে অনুষ্ঠিত সঙ্গীত প্ৰতিযোগিতাত শ্ৰেষ্ঠ ৰূপে পৰিগণিত হুঁচৰি দলটি।



ৰূপা গগৈ
সহাঃ সম্পাদিকা, ক্ৰীড়া বিভাগ



শ্ৰেষ্ঠা দৌৰ প্ৰতিযোগী



বেবী সোনোৱাল হাজৰিকা
শ্ৰেষ্ঠা নাট পাণ্ডুলিপি ৰচয়িতা



ত্ৰিবেনী বড়া
সহঃ সম্পাদিকা সঙ্গীত বিভাগ



নন্দিতা গগৈ
শ্ৰেষ্ঠা নাট পৰিচালিকা



সঙ্গীতা গগৈ
শ্ৰেষ্ঠা অভিনেত্ৰী

# ১৯৯৬-১৯৯৭ বৰ্ষৰ ছাত্ৰী একতা সভাৰ বিভাগীয় সম্পাদিকা সকল



জুৰি দিহিঙ্গিয়া
সহঃ সাধাৰণ সম্পাদিকা



জিতামণি বৰা
সম্পাদিকা, সাহিত্য আৰু আলোচনী শাখা



ৰেখাৰাণী দেৱী
সম্পাদিকা, সাংস্কৃতিক শাখা



মনালিচা দত্ত
শ্ৰেষ্ঠা তাৰ্কিক



লভিতা বৰা
সম্পাদিকা, সঙ্গীত বিভাগ



ৰূপজ্যোতি বুঢ়াগোহাঁই
সম্পাদিকা, ছাত্ৰী জিৰণী কোঠা

## সূচীপত্ৰ


**প্ৰবন্ধ ঃ**

জ্ঞানপীঠ বঁটা বিজয়ী ড০ বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য্যৰ অসমীয়া সাহিত্য জগতলৈ অৱদান ঃ — ১-৩
শ্ৰীমনালিছা দত্ত, স্নাতক ২য় বাৰ্ষিক (কলা শাখা)

বিজ্ঞান আৰু আধ্যাত্মিকতা ঃ — ৪-৫
মণিকা খানম, স্নাতক ২য় বাৰ্ষিক

ভাৰতত নাৰী শিক্ষা ঃ — ৬-৭
সোণাৰাম বৰুৱা, প্ৰৱক্তা, ইংৰাজী বিভাগ

নাৰীৰ হৃদয়লৈ ভূমুকি মাৰি যোৱা লেখকজন - বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য্য ঃ — ৮-১০
অসমী গগৈ, প্ৰবক্তা, অসমীয়া বিভাগ

অসমৰ শিক্ষা ব্যৱস্থা আৰু নিবনুৱা সমস্যা ঃ — ১১-১৪
দীপালী দুৱৰা ফুকন, স্নাতক ৩য় বাৰ্ষিক (কলা শাখা)

**কবিতা শিতান ঃ** — ১৫-২১

**গল্প ঃ**

সেই অনুভূতি ঃ — ২২-২৪
নন্দিতা গগৈ, স্নাতক ৩য় বাৰ্ষিক

দুঃ স্বপ্ন ঃ — ২৫-২৬
কৃষ্ণা বৰুৱা, স্নাতক ২য় বাৰ্ষিক (কলা শাখা)

এপাহ ফুলৰ সুবাস ঃ — ২৭-৩০
চাজিদা বেগম, স্নাতক ২য় বাৰ্ষিক (কলা শাখা)

জীৱনৰ সঁচা বং বুটলি ঃ — ৩১-৩২
পাৰুল গগৈ, স্নাতক ৩য় বাৰ্ষিক (কলা শাখা)

শুধবণি ঃ — ৩২-৩৫
মৈত্ৰী গগৈ, স্নাতক ১ম বাৰ্ষিক (কলা শাখা)

**ৰস-ৰচনা ঃ** — ৩৬-৩৮
হাঁহি - অঞ্জলী বড়া, স্নাতক ১ম বাৰ্ষিক

**উপন্যাসিকা ঃ** — ৩৯-৪২
মহাকাব্যৰ আত্মস্থ এখিলা পাত ঃ
ৰবী বৰা, স্নাতক ২য় বাৰ্ষিক



## সম্পাদকীয়

'অগণন তৰা জ্বলে
নীল আকাশত,
জোনায়ে কিৰণ ঢালে
নিতে অবিৰত;
যেনি চাওঁ সকলোৰে
মুকলি অন্তৰ ;
কিন্তু কিয় মোৰ মনে
নেদেখে পোহৰ!'

—যমুনেশ্বৰী খাটনিয়াৰ

**অস্তাচলৰ সূৰ্য্য ঃ**

অস্তাচলত থমকি ৰয় সূৰ্য্য। কিছু সময়ৰ কাৰণে ৰঙীন আৰু বৰ্ণময় হৈ উঠে নীলাভ আকাশৰ পৰিধি। শিল্পীৰ তুলিকাত বন্দী হোৱা নয়নাভিৰাম দৃশ্যৰ দৰে মনোমুগ্ধকৰ হৈ পৰে অস্তগামী সূৰ্য্যই ডুব মাৰিব খোজা আকাশৰ দিগ্বলয়। দেখি ভাল লাগে, মন-প্ৰাণ হৰি নিয়ে অস্তাচলৰ সেই বিচ্ছুৰিত বৰ্ণাৱলিয়ে। কিন্তু দীৰ্ঘস্থায়ী হৈ নাথাকে আকাশৰ সেই দৃশ্যাৱলী। কাৰণ সেই সময়ৰ সূৰ্য্য অস্তাচলৰ সূৰ্য্য হৈ দিগন্তৰ সিপাৰে লুকাই পৰিবৰ উপক্ৰম হয় আৰু এটা সময়ত নিঃশেষ হৈ যায় আকাশ দিগন্তত বিয়পি পৰা ৰঙৰ শিখা। নামি আহিবৰ বাবে সুগম হয় আন্ধাৰৰ পথ।

আজি আমাৰ সমাজ-জীৱনতো যেন দেখা দিছে অস্তাচলৰ সূৰ্য্যই। আধুনিক বাতাবৰণত উদ্বাউল হৈ পৰা আমাৰ সমাজত বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাই দান কৰা ৰঙৰ চিন্ফনী মাথোন উটি-ভাঁহি ফুৰিছে। আধুনিক নগৰীয়া সভ্যতাৰ অন্ধ অনুকৰণত মানুহে পাহৰি পেলাইছে জীৱনৰ প্ৰকৃত তাৎপৰ্য্য। নিজস্বতাক সমূলঞ্চে ত্যাগ কৰি বজৰুৱা আদব-কায়দাত উন্মত্ত আজিৰ মানুহে তথাকথিত এক ৰঙীণ জীৱন-যাত্ৰাত অগ্ৰসৰ হোৱা বুলিয়েই আত্মসন্তুষ্টি লাভ কৰিছে। কাৰণ আধুনিকতাক ভুলে-শুদ্ধই আকোৱালি লৈ এটা ভুৱা জীৱন কটায়ো তেওঁলোকে নিজকে ধন্য হোৱা বুলি গণ্য কৰাৰ পৰিণতি স্বৰূপে মূল্যবোধৰ চৰম অৱক্ষয় ঘটিবলৈ লৈছে। মূল্যবোধৰ এই বিৰূপ গৰাখহনীয়া কিন্তু সমাজৰ মঙ্গলৰ লক্ষণ কেতিয়াও নহয়। কেৱল আত্ম-অভিমানী আৰু অৰ্থদাম্ভিক এচাম মানুহে সততা, দয়া, প্ৰেম আৰু মমতাবোধৰ ওপৰত মাধমাৰ সোধাইছে। বিবেকশূণ্য সংখ্যাধিক মানুহচামৰ বাবেই আজিৰ সমাজ ভয়ংকৰ অৱক্ষয়ৰ গৰাহত পতিত হৈছে বুলি কব লাগিব। আকৌ সাম্প্ৰতিক সমাজত দূনীতি , অনীতি আৰু ভ্ৰষ্টাচাৰৰ অবাধ ৰাজত্ব চলিছে। জনসাধাৰণৰ জীৱন হৈ পৰিছে দুৰ্বিসহ, কাৰণ ক্ষমতাশালী তথা প্ৰভাৱশালীৰ বজ্ৰময় প্ৰহাৰত (নিষ্পেষণত) সাধাৰণ জীৱন হৈ পৰিছে তেনেই কাবু। ইয়াত সমস্যাৰ উদ্ভৱ হয়, কিন্তু সমাধান নহয়। শিক্ষাজগতৰ পৰা অক্টোপাছৰ দৰে গ্ৰাস কৰি থকা ভুল-ক্ৰুটিবোৰ আতৰোৱা নহয়, থাকি যায়। যুৱসমাজ হৈ পৰে বিপথগামী, বাচি লয় সন্ত্ৰাসবাদৰ দৰে কন্টকময় পথ। ডিগ্ৰী, ডিপ্লোমা, যোগ্যতা হৈ পৰে টকাৰ খেল, মন্ত্ৰী, বিধায়কৰ হাতৰ পুতলা। মূল্যবৃদ্ধিয়ে গ্ৰাস কৰে সৰ্বসাধাৰণৰ জীৱন। মুঠতে এশ-এবুৰি সমস্যাৰ চাকনৈয়াত সমাজ

জীৱনৰ গতিশীল সূঁতিটোৱে পাকঘূৰণি খাইছে।

সেয়েহে ক'ব লগা হৈছে যে এই অৱস্থাটো অস্তাচলৰ সূৰ্য্যৰ দৰে। চৌদিশে আধুনিক সাজ-সজ্জা, বিলাসী সামগ্ৰী, সা-সৰঞ্জামৰ চমকনিত আমি বহুত কিবাকিবি লাভ কৰিছো। কিন্তু এই অৱস্থাটো সৃষ্টিৰ নহয়, ধ্বংসৰহে ইংগিত বুলি ধাৰণা হয়। সূৰ্য্য ডুবাৰ লগে লগে শেষ হৈ যাব ক্ষন্তেকীয়া ৰঙৰ উৎসৱ, নামি আহিব সমাজ জীৱনলৈ পোতাশালৰ অন্ধকাৰ।

সেই ভয়ঙ্কৰ পৰিণতিৰ পৰা ৰক্ষা পাবলৈ আমি এতিয়াই আত্মবিশ্লেষণ নকৰো কিয়?

**সাহিত্যৰ দিশত প্ৰতিচ্ছবি ঃ—**

সাহিত্য হৈছে এটা জাতিৰ দাপোণ স্বৰূপ। যি জাতিৰ সাহিত্য নাই সি এটা সুস্থ জাতি হ'ব নোৱাৰে। বহুতো লব্ধ প্ৰতিষ্ঠসাহিত্যিক, গৱেষক, কবি, প্ৰতিশ্ৰুতি-সম্পন্ন লেখক আদিৰ তত্বগধুৰ লেখনিৰে আমাৰ সাহিত্যৰ ভঁৰাল টনকিয়াল কৰি থৈ গৈছে সঁচা, কিন্তু বৰ্তমান আমি এই দিশত অধিক চিন্তা-চৰ্চা কৰিবৰ বাবে এটা সুস্থ পৰিবেশ সৃষ্টি কৰিবলৈ সক্ষম হোৱা নাই। বৰ্ত্মান আমি সকলোৱে এটা ভাৰাক্ৰান্ত মন লৈ ঘূৰি ফুৰিবলগীয়া হৈছে। আমি সকলো যেন ভোগবাদী লালসাত ব্যস্ত হৈ পৰিছো। যোৱা পাঁচতা বছৰত গ্ৰন্থ মেলাবোৰত গ্ৰন্থ বিক্ৰীৰ হাৰ ইমানেই কমি গৈছে যে ভাবিলে দুখ লগা অৱস্থা। আমি উপন্যাস পঢ়ি তাৰ ৰস আস্বাদন কৰাৰ পৰিৱৰ্তে টি, ভি, আৰু চিনেমাৰ কাষত বহি সময় কটাইছো। এইটো দিশৰ পৰা চাবলৈ গলে বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাই মানৱ সভ্যতা যিমানেই আগুৱাই নিছে সিমানেই-ই সাহিত্য জগতত সংকটৰ সৃষ্টি কৰাটো অস্বীকাৰ কৰিব নোৱাৰি। যোৱা দশকটোৰ পৰা বৰ্তমান পৰ্য্যন্ত আমাৰ মাজত ভাল গল্পকাৰ, কবি, প্ৰবন্ধকাৰ চকুত নপৰাটো লক্ষণীয়। আমি সকলোৱে পাশ্চাত্যৰ ধ্যান-ধাৰণা অনুকৰণ কৰি নিজৰ সাহিত্য আৰু সংস্কৃতিৰ অপমৃত্যু ঘটাইছো। এনেদৰে চলি থাকিলে একবিংশ শতিকাত আমি আমাৰ নিজৰ বুলিবলৈ একো নাথাকিবগৈ। সেয়ে আমি বস্তুবাদী চিন্তাধাৰা বিসৰ্জন দি গ্ৰন্থ অধ্যয়নৰ যোগে প্ৰকৃত জ্ঞান আহৰণত নিজকে ব্ৰতী কৰাৰ সময় পাৰ হৈ গৈছে। সময়ৰ দাবী নামানিলে আমি জাতি হিচাপে নিজকে বিশ্ব দৰবাৰত চিনাকি দিবলৈ সক্ষম নহম।

**একবিংশ শতিকাৰ প্ৰাক্‌মুহূৰ্তত**

**একবিংশ শতিকাৰ প্ৰাক্‌মুহূৰ্তত আমি এক গভীৰ সংকটপূৰ্ণ পৰিস্থিতিত উপনীত হৈছোঁ। প্ৰতিহিংসা, সাম্প্ৰদায়িক সংঘৰ্ষ, হত্যা, লুণ্ঠন, ধৰ্ষণ আদিৰ দ্বাৰা আজি ভাৰতবৰ্ষ হৈ পৰিছে অগ্নিগৰ্ভা। এই পৰিস্থিতিৰ অৱসান ঘটাই কুৰি শতিকাৰ অন্তিম মুহূৰ্তত আমি যদি নিজকে সংশোধন কৰি সকলোৱে মাজত বিশ্বভাতৃত্ববোধ জগাই তুলিব পাৰো তেন্তে একবিংশ শতিকাত এখন সুস্থ আৰু শান্তিৰ সমাজ বিচাৰি পোৱাৰ আশা কৰিব পাৰো; তেতিয়াহে দিব পৰা হ'ব একবিংশ শতিকাৰ নতুন প্ৰজন্মক এখন সুন্দৰ পৃথিৱী।** আমি এটা কথা অৱশ্যে মনত ৰখা উচিত যে যুদ্ধ, হত্যা, লুণ্ঠন, পৰৰ দেশ আক্ৰমণ, প্ৰতিহিংসা এইবিলাক জীৱনৰ প্ৰকৃত সত্য নহয়। জীৱনৰ অন্তিম সত্যটো হৈছে মানুহৰ লগত মানুহৰ মিলনৰ চিৰন্তন স্পৃহা। একবিংশ শতিকাৰ প্ৰাক্‌মুহূৰ্তত এইটোৱেই আমাৰ মূলমন্ত্ৰ হোৱা উচিত। আমি সকলোৱে মৰুভূমিৰ মৰীচিকা খেদিবলৈ চেষ্টা নকৰি বিবেচনাশীল লোক হিচাপে প্ৰকৃত জীৱনাদৰ্শত আত্মোৎসৰ্গ কৰা উচিত।

**আলোচনীখন সম্পাদনাৰ প্ৰসঙ্গত ঃ—**

শিৱসাগৰ ছোৱালী মহাবিদ্যালয়ৰ দৰে এখন ঐতিহ্যপূৰ্ণ মহাবিদ্যালয়ৰ বাৰ্ষিক মুখপত্ৰ খনি সম্পাদনা কৰিবলৈ

পাই মই অতি গৌৰৱান্বিত। সেয়েহে মোক এই দায়িত্ব বহন কৰিবৰ বাবে নিৰ্বাচিত কৰি পঠোৱা ছাত্ৰী বান্ধৱী সকললৈ মোৰ হিঁয়াভৰা কৃতজ্ঞাতা জ্ঞাপন কৰিছোঁ।

১৯৯৬-৯৭ চনৰ কলেজ আলোচনী সম্পাদিকাৰ দায়িত্বভাৰ গ্ৰহণ কৰাৰ পৰাই আলোচনীখন প্ৰকাশৰ বাবে যো-জা আৰম্ভ কৰোঁ। কাৰ্য্যভাৰ হাতত লৈয়ে 'বাৰ্ষিক কলেজ সপ্তাহ' উপলক্ষে পতা সাহিত্য প্ৰতিযোগিতাখনি অনুষ্ঠিত কৰোঁ। 'বাৰ্ষিক কলেজ সপ্তাহ'ৰ সাহিত্য প্ৰতিযোগিতাত সংলাপ ও কবিতা আবৃত্তি (ইংৰাজী ও অসমীয়া) পতা হয়। তদুপৰি গল্প, কবিতা, ৰস-ৰচনাৰ পাণ্ডুলিপি প্ৰতিযোগিতা, থলীতে লিখা ৰচনা, গল্প ও কবিতা প্ৰতিযোগিতা অনুষ্ঠিত কৰা হয়। শ্ৰীশ্ৰীসৰস্বতী পূজা উপলক্ষে আমাৰ কলেজৰ প্ৰাচীৰ পত্ৰিকা 'প্ৰবাহিনী'ৰ শুভ-উদ্বোধন কৰে মাননীয় অধ্যক্ষ মহম্মদ ৰহমানদেৱে।

কলেজ আলোচনীখন সাহিত্যৰ প্ৰতিটো দিশ সামৰি সৰ্বাঙ্গসুন্দৰকৈ সজোৱাৰ প্ৰস্তুতি চলাইছিলো। কিন্তু বাৰে বাৰে লিখনিৰ বাবে জাননী দিয়াৰ উপৰিও ব্যক্তিগতভাৱে অনুৰোধ কৰিও আশানুৰূপ সঁহাৰি নোপোৱাত আলোচনীখন প্ৰকাশত বহু পলম হয়। গতিকে দুখেৰে ক'বলগা হয় যে দিনে দিনে আমাৰ কলেজৰ ছাত্ৰীসকলৰ সাহিত্যকৰ্মৰ প্ৰতি অনুৰাগ কমি আহিছে। অৱশ্যে সম্পাদনাৰ কক্ষত বহি আলোচনীখন যে সৰ্বাঙ্গসুন্দৰ কৰিব পাৰিছো সেইটো নহয়, মোৰ জ্ঞান আৰু অভিজ্ঞতা দুয়োটাই সীমিত। আলোচনীখনত প্ৰকাশিত সকলোবোৰ লিখনি উচ্চমানৰ বুলি দাবী মই নকঁৰো। কিন্তু সাম্প্ৰতিক অসমৰ পৰিস্থিতিৰ মাজতো আমাৰ ছাত্ৰীসকলে যে সাহিত্য ৰচনা কৰিবলৈ আগবাঢ়ি আহিছে, তেওঁলোকক উৎসাহিত কৰিবলৈকে বহুবোৰ অপূৰঠ লিখনিও ইয়াত স্থান দিব লগা হ'ল। আলোচনীখন সম্পাদনাৰ দায়িত্ব লৈ তিতা-মিঠা বহু অভিজ্ঞতাই লাভ কৰিলো। কি পালো বা কি নাপালো তাক বাহুল্য নকৰাই শ্ৰেয়ঃ।

পলমকৈ হলেও আপোনালোকৰ হাতত আলোচনীখন তুলি দিবলৈ পাই সুখী হৈছো। অজানিতে হোৱা ভুল-ভ্ৰান্তিৰ বাবে সকলোৰে ওচৰত ক্ষমাপ্ৰাৰ্থী হৈ ৰলো। মোৰ কাৰ্য্যকালত বিশেষভাৱে দিহাপৰামৰ্শ দি সহায় কৰা মাননীয় অধ্যক্ষ মহোদয় মঃ হাফিজুৰ ৰহমানদেৱলৈ মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলো।

আলোচনীখন সম্পাদনাৰ প্ৰতিটো পদক্ষেপতে বহুমূলীয়া দিহা-পৰামৰ্শৰে সহায় আগবঢ়োৱা বিভাগীয় উপদেষ্টা শ্ৰীযুত সোণাৰাম বৰুৱা আৰু শ্ৰীযুতা যমুনা বৰগোহাঁই বাইদেউলৈ মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলো।

বান্ধৱী স্বৰ্ণ, মিনাক্ষী, জুলী, জলী, বন্দিতা আৰু চয়নিকা তথা প্ৰাক্তন ছাত্ৰী প্ৰণতি আৰু নন্দিতা বাইদেউলৈ আন্তৰিক ধন্যবাদ জনালো। তদুপৰি ব্যক্তিগতভাৱে সহায় আগবঢ়োৱা কবি-সাহিত্যিক শ্ৰদ্ধেয় শ্ৰীযুত যোগেশ কিশোৰ ফুকনদেৱক আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলো।

সদৌ শেষত শিৱসাগৰ ছোৱালী মহাবিদ্যালয়ৰ উত্তৰোত্তৰ উন্নতি কামনা কৰিলো।

"জয়তু শিৱসাগৰ ছোৱালী মহাবিদ্যালয়"

শ্ৰীজিতামনি বড়া
সম্পাদিকা, আলোচনী বিভাগ
শিৱসাগৰ ছোৱালী কলেজ ছাত্ৰী একতা সভা

# জ্ঞানপীঠ বঁটা বিজয়ী ড° বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য্যৰ অসমীয়া সাহিত্য জগতলৈ অৱদান

—শ্ৰীমনালিছা দত্ত
স্নাতক ২য় বাৰ্ষিক (কলা শাখা)

বহুমুখী প্ৰতিভাৰ অধিকাৰী, ৰামধেনু যুগৰ স্ৰষ্টা ৰূপে বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য্যৰ অৱদান মহত্বপূৰ্ণ। দেশ স্বাধীন হোৱাৰ পিচতে মানুহৰ মনত যি স্বপ্ন, আশা আৰু বিশ্বাসৰ সৃষ্টি হৈছিল, স্বাধীনতা নামৰ শব্দটোৱে মানুহৰ মনত যি অন্তহীন আনন্দৰ সৃষ্টি কৰিছিল তাৰ সাৰ্থক ৰূপায়ণ ঘটিছিল 'ৰামধেনু' আলোচনীত আৰু ড০ বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য্যৰ শক্তিশালী লিখনিয়ে সেই সময়ৰ নবীন লেখক-লেখিকাক অনুপ্ৰাণিত কৰি তুলিছিল, কাৰণ ভট্টাচাৰ্য্যৰ লিখনিত আছিল শক্তিশালী ব্যক্তিত্ব আৰু মনৰ অসীম উদাৰতা।

১৯৪৫ চনৰ আগষ্ট মাহৰ মাজভাগ। মাধৱ চন্দ্ৰ বেজবৰুৱাৰ "বাঁহী" প্ৰেছটো আছিল টালিগঞ্জৰ ৰাছা ৰ'ড চাউথত। বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য্য গৈছিল "বাঁহী"ৰ সহকাৰী সম্পাদক হিচাপে। সেই সময়ত তেওঁ বি. এছ্ চি পৰীক্ষা দিছিল আৰু এয়াই আছিল বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য্যৰ সাংবাদিক জীৱনৰ পাতনি। "বাঁহী" বন্ধ হোৱাত তেওঁ "এড্‌ভান্স" কাকতৰ সহকাৰী সম্পাদক হয়। কিন্তু ১৯৪৬ চনৰ কলিকতা হত্যাকাণ্ডৰ পিছত কলিকতা এৰে। তাৰ পাছত তেওঁ দেৱকান্ত বৰুৱা সম্পাদিত "দৈনিক অসমীয়া"ৰ সহকাৰী সম্পাদক হয়।

ড০ ভট্টাচাৰ্য্য চচিয়েলিষ্ট পাৰ্টিৰ সদস্য আছিল আৰু ৰামমনোহৰ লোহিয়া, জয়প্ৰকাশ নাৰায়ণ আদিৰ দৰে বৰেণ্য ৰাজনৈতিক নেতাসকলৰ লগত ওচৰ সম্পৰ্ক ৰাখিছিল। সেই কাৰণে তেওঁ মহাত্মা গান্ধীৰ স্বৰাজৰ আদৰ্শৰ কথা আলোচনা কৰোঁতে সমাজবাদী দৃষ্টিভঙ্গীৰে কথাবোৰ ফঁহিয়াই চাইছিল। তেওঁ একালত চ'চিয়েলিষ্ট পাৰ্টিৰ মুখপত্ৰ "জনতা"ৰো সম্পাদক আছিল আৰু হয়তো এই ৰাজনৈতিক দৰ্শনে তেওঁক কুৰুক্ষেত্ৰ বিশ্ববিদ্যালয়ত ৰামমনোহৰ লোহিয়া আসন অলঙ্কৃত কৰাত আৰু নিজৰ যোগ্যতা প্ৰতিপন্ন কৰাত সহায় কৰে।

ড০ ভট্টাচাৰ্য্য এবছৰৰো অধিক কাল উখুলত আছিল আৰু তাত শিক্ষকতা কৰিছিল। উখুলৰ অভিজ্ঞতাৰ ভিত্তিত তেওঁ "ইয়াৰুইঙ্গম" উপন্যাস ৰচনা কৰে। এইখন তেওঁৰ এখন অন্যতম সাৰ্থক উপন্যাস যি খনে তেওঁলৈ কঢ়িয়াই আনে সৰ্বভাৰতীয় খ্যাতি। "ইয়াৰুইঙ্গম"ৰ পটভূমিত চাবলৈ গ'লে ড০ ভট্টাচাৰ্য্যৰ দৃষ্টি আৰু ধাৰণা অতি প্ৰশংসনীয়। অসমীয়া সমাজৰ সীমা অতিক্ৰম কৰি নগাপাহাৰৰ মানুহৰ জীৱনৰ এক বৰ্ণাঢ্য অথচ সংঘাতপূৰ্ণ কাহিনী ৰূপায়ণ কৰি তেওঁ নিজৰ চিন্তাৰ ব্যাপকতা প্ৰকাশ কৰাৰ লগতে অসমীয়া উপন্যাসক এক সবল চৰিত্ৰ প্ৰদান কৰিলে। এই উপন্যাসৰ অন্যতম আকৰ্ষণ হ'ল নগা জীৱনৰ পৰম্পৰা, জনবিশ্বাস, প্ৰেম-অনুভূতি আশা-স্বপ্ন, কিম্বদন্তী, সাধুকথা আৰু লোকাচাৰৰ অন্তৰংগ বৰ্ণনা। এই উপন্যাসৰ বাবে তেওঁ সাহিত্য অকাডমী বঁটা লাভ কৰে।

ড০ ভট্টাচাৰ্য্য উখুলৰ পৰা আহি ১৯৫২ চনৰ পৰা "ৰামধেনু" আলোচনী সম্পাদনা কৰে। এই আলোচনী বন্ধ হোৱাত "নৱযুগ" নামৰ এখন সাপ্তাহিক আলোচনী উলিয়ায়।

তেওঁ ১৯৭৯ চনৰ জ্ঞানপীঠ বঁটা লাভ কৰে "মৃত্যুঞ্জয়" উপন্যাসৰ বাবে। সৰ্ব্বভাৰতীয় খ্যাতি লাভ কৰা এই উপন্যাস দেশৰ স্বাধীনতা সংগ্ৰামৰ ওপৰত প্ৰতিষ্ঠিত। লেখকে অহিংসা আৰু হিংসা পন্থাৰ সংঘাত প্ৰতিফলিত কৰাৰ স্বাৰ্থত "মৃত্যুঞ্জয়"ৰ দৰে হিংসাশ্ৰয়ী উপন্যাস লিখিছিল। দেশ মাতৃক উদ্ধাৰ কৰাৰ তাড়নাত সেই স্বাধীনতা আন্দোলনত ভাৰতৰ বিভিন্ন স্থানত প্ৰবল হিংসাত্মক ঘটনা ঘটাৰ অনেক উদাহৰণ আছে আৰু "মৃত্যুঞ্জয়"ত তাৰ সঠিক চিত্ৰ ফুটি উঠিছে।

"ৰাজপথে ৰিঙিয়াই" ভট্টাচাৰ্য্যৰ প্ৰথম উপন্যাস। এই উপন্যাসত সমাজবাদী জীৱনধাৰা অংকিত হৈছে আৰু এইখনক প্ৰথম অসম ৰাজনৈতিক উপন্যাস আখ্যা দিব পাৰি। এই উপন্যাসৰ মূল কথা হ'ল ঃ ভাৰতবাসীয়ে প্ৰকৃত স্বাধীনতা লাভ কৰিব পাৰিব তেতিয়াহে যেতিয়া সমগ্ৰ দেশৰ বুভুক্ষ জনতাই অৰ্থনৈতিক স্বাধীনতা লাভ কৰিবলৈ সক্ষম হব।

"আই" নামৰ উপন্যাসখন ৰাজনৈতিক চেতনাহীন উপন্যাস নহয়। ইয়াত সাহিত্যৰ সুকুমাৰ কলাৰ মাজেৰে মাতৃমূৰ্তিয়ে মহিমামণ্ডিত স্থান অধিকাৰ কৰিছে। তেওঁৰ উপন্যাস "মুনিচুনিৰ পোহৰ"ত সমাজৰ চিৰাচৰিত নীতি আৰু কু-সংস্কাৰৰ বিৰুদ্ধে নতুন চামৰ বিদ্ৰোহ ফুটি উঠিছে। "ৰঙা মেঘ"ত ৰঙা ৰঙক বিপ্লৱ আৰু পৰিবৰ্তনৰ প্ৰতীক ৰূপে অংকন কৰি প্ৰাচীন সমাজত প্ৰচলিত ৰীতি-নীতি আৰু ধনতান্ত্ৰিক অৰ্থনীতিৰ বিৰুদ্ধে সংগ্ৰামকেই প্ৰতিপাদ্য বিষয় হিচাপে চিত্ৰিত কৰিছে।

"কবৰ আৰু ফুল" বাংলা দেশৰ মুক্তি সংগ্ৰামৰ ওপৰত ভিত্তি কৰি ৰচনা কৰা ড০ ভট্টাচাৰ্য্যৰ আন এখন সাৰ্থক উপন্যাস। "কালৰ হুমুনিয়াহ" চাহ বাগিচাৰ শ্বেতাঙ্গসকলৰ শোষণৰ তীব্ৰ প্ৰতিবাদত ৰচনা কৰা উপন্যাস। "নষ্টচন্দ্ৰ"ত বৈৱাহিক জীৱনৰ অপূৰ্ব কামনাৰ ঘটনা চিত্ৰিত কৰিছে। "চিনাকি সুঁতি" উপন্যাসত পুৰুষ আৰু নাৰীৰ প্ৰেমৰ প্ৰকৃত ৰূপ প্ৰাঞ্জল ভাষাত ৰচনা কৰিছে। "ডাইনী" উপন্যাসত সৰল গাঁৱলীয়া যুৱতীৰ ডাইনী ৰূপ প্ৰকাশ পাইছে। ড০ ভট্টাচাৰ্য্যৰ অন্তিম উপন্যাস হ'ল "ফুল কোঁৱৰৰ পখী ঘোৰা"। এই উপন্যাসত স্বাধীনতাৰ ঠিক পিছৰে গুৱাহাটীৰ সমাজ জীৱনৰ এক বাস্তৱ ৰূপ উদ্ভাসিত হৈছে।

প্ৰথমেই কবিতাৰে সাহিত্যজীৱন আৰম্ভ কৰা বীৰেন্দ্ৰ কুমৰ ভট্টাচাৰ্য্য ৰচিত কবিতাসমূহ অসমীয়া কাব্যজগতত উল্লেখযোগ্য। তেওঁৰ কবিতাৰ প্ৰধান লক্ষণ আছিল যুগচেতনা আৰু অভীপ্সিত আদৰ্শৰ প্ৰতি ঐকান্তিকতা। তেওঁৰ একমাত্ৰ প্ৰকাশিত কাব্য সংকলন "সান্ধ্যস্বৰ"ৰ 'মনৰ কথা' শীৰ্ষক পাতনিত কৈছে—"মোৰ ভিতৰৰ মাতটোৱেই ইয়াত ফুটি উঠিছে। ভিতৰৰ মাত মানে অভিজ্ঞতাৰ স্বৰ।" বীৰেন্দ্ৰ কুমাৰৰ কবিতাৱলীৰ মাজত উদাত্ত, অনুদাত্ত আৰু স্বৰিত এই তিনিটা কণ্ঠস্বৰ শুনিবলৈ পোৱা যায়। অৱশ্যে পৰিস্থিতি সাপেক্ষে তেওঁৰ ভাবধাৰাৰ সলনি নোহোৱাকৈ থকা নাই। কবিয়ে "মোৰ স্বৰ" নামৰ কবিতাত কৈছে—

"বিৱৰত মোৰ স্বৰ হোৱা হয়
শূন্য উদৰত কাক-ডাক।"—ইত্যাদি

ড০ ভট্টাচাৰ্য্যৰ সৰু সৰু কবিতাবোৰ বৰ অৰ্থব্যঞ্জক। এই কবিতাবোৰৰ যোগেদি কবিৰ স্থিতিহীন মনৰ কথা প্ৰকাশ পায়। তেওঁৰ "ঘৰ" নামৰ কবিতাটোলৈ আঙুলিয়াব পাৰি—

"মই এটা ঘৰত থাকো
প্ৰাচীন জীৰ্ণ।
ৰুদ্ধ যাৰ দুৱাৰ খিড়িকি
খিড়িকি মেলি দেখো
এখন বিৰাট নদীয়ে খেদি আহিছে
ঘৰৰ ভেটি খান্দো খান্দো।"

ভট্টাচাৰ্য্যৰ কবিতাত মানৱতাবোধ, ইতিহাস চেতনা, অতীত প্ৰীতি, স্মৃতি ৰোমন্থন তথা বিপুল ঐশ্বৰ্যৰ খণ্ডিত চিত্ৰ অংকিত হৈছে। ইয়াৰ মাজেদি কবিৰ গতি প্ৰবাহিত হৈ মানুহৰ অস্তিত্বক গুৰুত্ব দিছে। "জনতা" কবিতাত তেওঁ প্ৰকাশ কৰিছে এইদৰে—

"আমাৰ চিনাকি দেশে দেশে কালে কালে
সীমা ভাঙি আমিয়ে বিস্তাৰ কৰো
মানুহৰ অসীম অস্তিত্ব।"

চিত্ৰকল্পৰ প্ৰয়োগ আপেক্ষিক ভাৱে কম দেখা গলেও ড০ ভট্টাচাৰ্য্যৰ কবিতাত চিত্ৰকল্পৰ প্ৰকাশ ঘটিছে। "কঙালী বিহু" কবিতাত প্ৰতিফলন ঘটিছে এইদৰে—

"কাতি বিহুৰ পুৱা
স্নিগ্ধ উষা
আকাশত দেখো তেজৰ এখন কাঁহী।
নতুন মুক্তিৰ অসি।"

বিষ্ণু ৰাভাৰ প্ৰতীকৰ মাজেৰে বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য্যই লিখা "বিষ্ণুৰাভা, এতিয়া কিমান ৰাতি" কবিতাটো প্ৰগতিশীল আধুনিকতাৰ প্ৰতিনিধি ৰূপে

চিহ্নিত হ'ল। এই কবিতাটোত হতাশজনক সন্দেহৰ ছায়া নাই। ইয়াত ফুটি উঠিছে এক স্বতঃস্ফূৰ্ত ছন্দ; লয় আৰু সুৰৰ মাজত সকলো সন্দেহ আৰু বিৰোধৰ কাৰণ প্ৰকাশ হৈছে—

"বিষ্ণু ৰাভা এতিয়া কিমান ৰাতি ?
তুমি সাৰে আছা, সাৰে আছো আমি
আৰু সাৰে আছে প্ৰীতি
বিহুৰ তলীত চিফুংবাঁহীৰ কৰুণ সুৰ,
বড়ো গাভৰুৰ নাচোনৰ তাল ভাগে
জনতাৰ চকু চকুৰ পানীৰে পূৰ
মাজনিশা কোনে ৰাজ আলিয়েদি আক্ষেপ
কৰি যায়
বিষ্ণুৰাভা আজি নাই
................................

কবিৰ দৃষ্টিত বিষ্ণুৰাভা মানুহৰ চিৰন্তন বিদ্ৰোহী সত্তাৰ প্ৰতীকত পৰিণত হৈছে।

ড০ বীৰেন্দ্ৰকুমাৰ ভট্টাচাৰ্য্যই চুটি গল্পও লিখিছিল। "কলং আজিও বয়","সাতসৰী" নামৰ গল্পসংকলন দুটাত সন্নিবিষ্ট প্ৰতিটো গল্পই ভট্টাচাৰ্য্যৰ ভাৱনাৰ আভাস দাঙি ধৰে।

অসমীয়া যুগত এটা যুগৰ সৃষ্টি কৰা ড০ বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য্যই অসমীয়া সাহিত্যলৈ আগবঢ়াই থৈ যোৱা অৱদান প্ৰত্যেক অসমীয়াৰ বাবে এক অমূল্য সম্পদ। ১৯৯৭ চনৰ ৬ আগষ্টৰ দিনা এইজন মহান সাহিত্যিকৰ পৰলোকপ্ৰাপ্তি ঘটে। ড০ ভট্টাচাৰ্য্য কালৰ বুকুত বিলীন হৈ গলেও তেওঁৰ লিখনিৰে অসমীয়া সাহিত্যৰ ভঁৰাল চন্দ্ৰ ডিবাকৰ থকা দিনলৈকে সমৃদ্ধ হৈ থাকিব।

☒ ☒ ☒

## মহৎলোকৰ বাণী

❖ "এজন শিক্ষক হ'ব লাগিব শাৰীৰিক ভাৱে উপযুক্ত, আৱেগিক ভাৱে ধীৰ স্থিৰ, মানসিক ভাৱে সজাগ, সামাজিক ভাৱে কৰ্মপটু আৰু আধ্যাত্মিক ভাৱে ঈশ্বৰৰ প্ৰতি ভয় ভক্তি থকা লোক।"

—দাৰ্শনিক এৰিষ্টটল।

❖ "জীৱন বুলি ক'লে কেৱল খাই থকাটোকে নুবুজায়। মানৱ মনৰ ইচ্ছা, আকাংক্ষা বিলাক সু-পথেৰে পৰিচালিত কৰি ইন্দ্ৰিয় সমূহক কাৰ্য্যক্ষম কৰি মনৰ অনুভূতিবোৰৰ বিকাশেৰে মানৱীয় গুণসম্পন্ন হৈ চলাটোহে প্ৰকৃত জীৱন।"

—ৰুচো।

❖ "কেৱল মস্তিষ্কই মানুহ নহয়, সম্পূৰ্ণ শৰীৰটোকেই মানুহ নুবুজায়, কেৱল হৃদয় অথবা আত্মাইও মানুহ নগঢ়ে। পূৰ্ণ মানুহ গঢ়ি তুলিবৰ বাবে শৰীৰ, হৃদয়, আত্মা, আৰু মস্তিষ্কৰ সুষ্ঠ আৰু সুষম সমন্বয়ণ প্ৰয়োজন।"

—মহাত্মা গান্ধী।

❖ "আঠুকাঢ়ি জীয়াই থকাতকৈ থিয় হৈ মৃত্যুবৰণ কৰাই হেজাৰ গুণে শ্ৰেষ্ঠ।"

—এলিমিয়ান জপিটি।

# বিজ্ঞান আৰু আধ্যাত্মিকতা

—মণিকা খানম
স্নাতক ২য় মহলা

বৰ্তমানৰ যুগ বিজ্ঞানৰ যুগ। বৰ্তমান যুগত বিজ্ঞানেই মানুহৰ প্ৰধান সম্বল যেন পৰিলক্ষিত হৈছে। আজি মানুহৰ দৈনন্দিন জীৱন বিজ্ঞানকে কেন্দ্ৰ কৰি পৰিচালিত হৈছে। আজিৰ মানৱে বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাত বহু পৰিমাণে সফলতা লাভ কৰি প্ৰকৃতিৰ ওপৰত নিজৰ বিজয় সাব্যস্ত কৰিছে।

বিজ্ঞানৰ আবিস্কাৰে কেৱল যে আমাৰ পৃথিৱীক লাহ-বিলাসৰ ৰম্যভূমিত পৰিণত কৰিছে এনে নহয়, ইয়াৰ জৰিয়তে আমি সৃষ্টিৰ তত্ব, নৃতাত্বিক-ঐতিহাসিক জ্ঞান, বিশ্ব বিধান, দিন-ৰাতিৰ আবিৰ্ভাব, গ্ৰহ-নক্ষত্ৰৰ ৰহস্যৰ সন্ধান পাইছো। পৃথিৱী আৰু আকাশৰ বিভিন্ন ৰহস্য ভেদ কৰাৰ উপৰিও মহাশূণ্যত কৃত্ৰিম উপগ্ৰহ স্থাপিত কৰিবলৈ বিজ্ঞান সক্ষম হৈছে। যোগাযোগৰ সুবিধা, উৎপাদন ক্ষমতাৰ আশাতীত বৃদ্ধি, চিকিৎসা পদ্ধতিত অভুত পূৰ্ব অগ্ৰগতি, বিলাসী সামগ্ৰীৰ কল্পনাতীত উন্নতি সাধন, আনৱিক শক্তিৰ উন্নতি সাধন আদি অনেক এনে ক্ষেত্ৰ আছে যিবোৰত বিজ্ঞানে নিজৰ কৃতিত্ব ইতিমধ্যে সাব্যস্ত কৰিছে। সম্প্ৰতি মানুহ এনে এক যুগত উপনীত হৈছে যে বিজ্ঞানৰ দ্বাৰা আবিস্কৃত এই উপকৰণসমূহৰ অবিহনে আমাৰ জীৱন-যাত্ৰা অচল হৈ পৰিব। চিকিৎসা ক্ষেত্ৰত বিজ্ঞানৰ চমৎকাৰিতাই সংসাৰত মৃত্যুৰ হাৰ অপ্ৰত্যাশিত ভাবে কমাই আনিবলৈ সক্ষম হৈছে। হৃদযন্ত্ৰৰ সফল অস্ত্ৰোপচাৰ ইয়াৰ এক উজ্বল উদাহৰণ। বিজ্ঞানে আমাৰ পৃথিৱীখন সংকুচিত কৰিছে। দুৰদৰ্শন, ৰেডিঅ', ছপাশাল, ৰেল গাড়ী, উৰাজাহাজ আদিৰ আবিস্কাৰে পৃথিৱীৰ এটা কোণৰ সংবাদ আন এটা কোণলৈ অতি কম সময়ত প্ৰেৰণ কৰিবলৈ সক্ষম হৈছে। আকৌ বিজ্ঞানৰ বলতেই মানুহে আজি টেষ্টটিউবৰ ভিতৰত মানৱ শিশুৰ জন্ম দিবলৈও সক্ষম হৈছে। মুঠতে বিজ্ঞানৰ বলত আজি মানুহে আধুনিক যুগত প্ৰকৃতিক বশ কৰিবলৈ সমৰ্থ হৈছে।

কিন্তু ভৌতিক জীৱনৰ সুখ-সমৃদ্ধিৰ বাবে বিভিন্ন উপকৰণ সমূহ অবিস্কাৰ কৰাটোৱেই জানো বিজ্ঞানৰ অন্তিম লক্ষ্য? বিজ্ঞানে জীৱ-জগতৰ সকলো ৰহস্য ভেদ কৰিব পাৰিবনে? আজিৰ যান্ত্ৰিক যুগত মানুহ নিজেই একোটা যন্ত্ৰ হৈ যোৱা নাইতো? বিজ্ঞানে নিজক জানিবলৈ অন্তৰ্দৃষ্টি প্ৰদান কৰিব পাৰিছেনে? যদি নাই পৰা তেনেহ'লে বিজ্ঞানৰ সমস্ত বিকাশ মানুহৰ বাবে প্ৰয়োজনীয় হোৱা স্বত্তেও অসম্পূৰ্ণ হৈ ৰোৱা নাইনে? মানুহৰ মাজত বিভেদ-বিদ্বেষ বাঢ়ি যোৱা নাইনে? এই সমস্যাবোৰৰ কাৰণ বিশ্লেষণ কৰিলে আমি দুটা কাৰণ পাওঁ। প্ৰথম, বিজ্ঞানৰ নিজৰ সীমাৰ লগত সম্বন্ধ আৰু দ্বিতীয়টো হ'ল বিজ্ঞানৰ বিকৃত প্ৰয়োগ।

বিজ্ঞানে পদাৰ্থৰ স্থুল ৰূপৰ ওচৰলৈহে যাব পাৰে কিন্তু মানুহ স্থুল পদাৰ্থ নহয়। মানুহ সৃজনাত্মক চেতনাযুক্ত প্ৰাণী। বিজ্ঞানে সত্যৰ অম্বেষণত তৰ্ক আৰু প্ৰমাণৰ অৱলম্বন গ্ৰহণ কৰে, অনুভূতি বা আস্থাৰ ওপৰত নহয়। আজিৰ জীৱনৰ বিষমতা, অসন্তুষ্টি, মানসিক চিন্তা, মানুহৰ বিনাশকাৰী প্ৰবৃত্তিৰ সক্ৰিয়তা আদিৰ মুখ্য কাৰণ হৈছে বিজ্ঞানৰ উপকৰণ সমূহৰ বিকৃত ব্যৱহাৰ। বিংশ শতাব্দীৰ বিজ্ঞানৰ চৰম আবিস্কাৰ হ'ল অনু। অনুৰ দ্বাৰাই হিৰ'চিমা আৰু নাগাচাকি বিধ্বংসিত হৈছিল। বিজ্ঞানৰ দ্বাৰা ৰচনাত্মক কাৰ্য্যও কৰিব পৰা যায়। কিন্তু দুখৰ বিষয় আজিৰ মানুহে বিজ্ঞানক ধ্বংসমূলক কামতহে অধিক ব্যৱহাৰ কৰিছে।

আনহাতে য'ত বিজ্ঞানৰ ক্ষেত্ৰ সমাপ্ত হৈছে তাতেই আধ্যাত্মিক ক্ষেত্ৰৰ আৰম্ভ হৈছে। এইটো ভবা হয় যে এই জগতৰ সলনি অন্য এক জগত আছে যি কাল্পনিক। আত্মা এই কাল্পনিক জগতৰ

সৈতে সম্বন্ধিত। 'আধ্যাত্ম' শব্দৰ অৰ্থ হ'ল— আত্মা আৰু পৰমাত্মাৰ গুণ আৰু তেওঁলোকৰ পাৰস্পৰিক সম্বন্ধৰ ওপৰত কৰা দাৰ্শনিক চিন্তা। আধ্যাত্মিকতাবাদী সকলে সূক্ষ্ম বিষয় সমূহৰ ওপৰত চিন্তা কৰোঁতে কৰোঁতে তেওঁলোকে এই জগতৰ প্ৰয়োজনীয়তা হেৰুৱাই পেলায়। ইহলোকতকৈ পৰলোকৰ চিন্তাই তেওঁলোকক অধিক অনুপ্ৰাণিত কৰি তোলে। ব্যৱহাৰিক জগতৰ প্ৰতি এই উপেক্ষাৰ বাবে অকৰ্মণ্যতা বৃদ্ধি হোৱাত সহায় কৰিছে। পৰ্বত আৰু শূণ্য গুহাত একাত্মভাবে চিন্তা কৰা সকলে খেতি-বাতি আৰু উদ্যোগ জগতৰ প্ৰতি যথাৱশ্যক মনোযোগী নহয়। আত্মিক পৰিতৃপ্তিয়ে পেটৰ ক্ষুধা নিবাৰণ নকৰে। ফলত আধ্যাত্মিকতাবাদীৰ আধ্যাত্মৰ ওপৰত বিশ্বাস লাহে লাহে কমি আহে।

উপৰোক্ত বিবেচনাৰ আধাৰত এইটো কব পৰা যায় যে কেৱল আধ্যাত্ম অথবা বিজ্ঞানৰ বাবে বিজ্ঞানৰ চৰ্চা মানৱ কল্যাণকৰ ৰাস্তা নহয়। মাত্ৰ আধ্যাত্ম উপাসনা কৰা কাৰণে পূৱদিশৰ দেশসমূহৰ অধিবাসীসকলৰ আজি মন ভাগি পৰিছে। ইয়াৰ বিপৰীতে পশ্চিমীয়া দেশবাসীসকলে সভ্যতাৰ যান্ত্ৰিকতাৰ বাবে ছট ফটাবলৈ বাধ্য হৈছে। পূবৰ আধ্যাত্মিকতাবাদে আৰু পশ্চিমৰ বিজ্ঞানৰ উন্নতিয়ে মৃত্যুৰ বাহিৰে মানুহক অতিৰিক্ত একো দিব পৰা নাই।

আনন্দৰ বিষয় যে বৰ্তমান বিজ্ঞানে নিজৰ সীমাৰ প্ৰতি সচেতন হৈ উঠিছে। বিজ্ঞানী মেক্সপ্লাংকে স্বীকাৰ কৰিছে যে—বিজ্ঞান প্ৰকৃতিৰ অন্তিম ৰহস্য ভেদ কৰাত অসমৰ্থ আৰু ইয়াৰ কাৰণ হ'ল মানুহ প্ৰকৃতিৰ এক অংগ। সেইকাৰণে এই ৰহস্যৰো এটা অংগ।

বস্তুতঃ বিজ্ঞান আৰু আধ্যাত্মিকতা এটা আনটোৰ পৰিপূৰকহে, বিৰোধী নহয়, সমস্ত ধৰ্ম এবং আধ্যাত্মিক চিন্তাচৰ্চাৰ আধাৰ শৰীৰ, অৰ্থাৎ স্থুলৰ অবিহনে সূক্ষ্ম চিন্তা অসম্ভৱ। আন কথাত আধ্যাত্মিক চিন্তনৰ কাৰণে বিজ্ঞান আধাৰ স্বৰূপে উপস্থিত হয়। বিজ্ঞান আৰু আধ্যাত্ম দুয়োটাই চৰম সত্যৰ অন্বেষণত সংলগ্ন। কেৱল দৃষ্টিতহে সিইঁতৰ পাৰ্থক্য দেখা যায়। এটাৰ আধাৰ স্থুল পদাৰ্থ হ'লে আনটোৰ আধাৰ সূক্ষ্ম আত্মা। এটাই জীৱনৰ বহিৰংগ অধ্যয়ন কৰে, আনহাতে আনটোৱে জীৱনৰ অন্তৰংগ অধ্যয়ন কৰে। শেষত এইটো কব পৰা যায় যে জীৱনক বুজি পাবলৈ বিজ্ঞান আৰু আধ্যাত্ম দুয়োটাৰে পৰম আৱশ্যকতা আছে।

বৰ্তমান যুগৰ মানৱীয় প্ৰমূল্যবোধ বিজ্ঞানৰ দ্বাৰা নিৰ্মিত। কোনো এখন দেশৰ মানুহবোৰৰ দৃষ্টিকোণ যিমানে অধিক বিজ্ঞানসন্মত হয় সেইখন দেশৰ মানুহবোৰ সিমানেই সভ্য বুলি কোৱা হয়। বৰ্তমান সমাজত বিজ্ঞানক লৈ যি অশুভ আশংকা আৰু নিৰাশাৰ ভাৱ জাগি উঠিছে তাৰ একমাত্ৰ সমাধান শক্তি হ'ল আধ্যাত্ম। বৈজ্ঞানিক উপলব্ধি সমূহক যদি আজি আধ্যাত্মোন্মুখ কৰি দিয়া হয় তেন্তে বিজ্ঞানৰ বৰ্তমান শক্তি আশাতীতভাৱে বৃদ্ধি হ'ব আৰু তাৰ চৰম সত্য অনুসন্ধানৰ পথও সুগম হ'ব। ফলত মানৱতা বিধ্বংসৰ পৰা নিজক ৰক্ষা কৰিবলৈ সমৰ্থ হ'ব। সামৰণিত এইটো কব পৰা যায় যে মানৱৰ ভৱিষ্যত বিজ্ঞান আৰু আধ্যাত্মৰ ওপৰত নিৰ্ভৰশীল। বিজ্ঞানৰূপী অশ্বটোৰ লেকাম আধ্যাত্মৰ হাতত সপি দিলেহে মানৱতাৰ কল্যাণ সুনিশ্চিত হ'ব। অন্যথাই বিজ্ঞানৰ অধিক বিকাশে এদিন মানৱতাৰ ধ্বংসকহে নিশ্চিত কৰিব।

☒ ☒ ☒

❖ "আমাক এনে শিক্ষাৰ প্ৰয়োজন যাৰ দ্বাৰা আমাৰ সৎ চৰিত্ৰ গঠন হয় আৰু যাৰ দ্বাৰা মানসিক বল বৃদ্ধি হয়, যাৰ দ্বাৰা বুদ্ধিমত্তা প্ৰসাৰিত হ'ব আৰু যাৰ সহায়ত আমি নিজৰ ভৰিত নিজে থিয় দি আত্মনিৰ্ভৰশীল হ'ব পাৰো।"

—স্বামী বিবেকানন্দ।

# ভাৰতত নাৰী শিক্ষা

—সোণাৰাম বৰুৱা
প্ৰবক্তা, ইংৰাজী বিভাগ

মানুহৰ ব্যক্তিত্ব বিকাশৰ জৰিয়তে সামাজিক পৰিবৰ্ত্তন সংঘটিত কৰিব পৰা আটাইতকৈ ডাঙৰ আহিলা হ'ল শিক্ষা। যিহেতু এখন সমাজ পুৰুষ-মহিলা উভয়কে লৈ গঠিত, তাত নাৰী সমাজক শিক্ষাৰ পোহৰৰ পৰা নিলগাই থৈ কোনো সমাজেই প্ৰকৃত উন্নতিৰ কথা চিন্তা কৰিব নোৱাৰে। সেয়েহে বিশ্ব জুৰি আজি নাৰী শিক্ষাৰ ওপৰত গুৰুত্ব দিয়া হৈছে। নাৰীক পুৰুষৰ সৈতে সম-অধিকাৰ দিয়াৰ প্ৰয়োজনীয়তা উপলব্ধি কৰিয়েই অনেক ৰাষ্ট্ৰই আৱশ্যকীয় সংশোধনী বিধেয়ক গ্ৰহণ কৰিছে; শিক্ষা, নিয়োগ, সামাজিক তথা ৰাজনৈতিক মঞ্চত নাৰীৰ স্থান নিশ্চিতকৰণৰ ব্যৱস্থা লৈছে।

সাক্ষৰতাই শিক্ষা নহয়, অথবা কেৱল পুথিগত শিক্ষা আহৰণৰ জৰিয়তে বিশ্ববিদ্যালয়ৰ ডিগ্ৰী লাভ কৰাও প্ৰকৃতাৰ্থত শিক্ষা নহয় যদিহে তাৰ প্ৰভাৱত মানুহে নিজৰ ব্যক্তিত্বৰ সৰ্বাঙ্গীন বিকাশ ঘটাই সামাজিক বিৱৰ্ত্তনত কোনো অৰিহণা যোগাব নোৱাৰে। সমাজ এখনৰ ক্ৰমোন্নতিৰ পথত ইয়াৰ উপাদান স্বৰূপ নাৰীসকলক শিক্ষাৰ পোহৰৰ পৰা আঁতৰাই ৰখাৰ অৰ্থ হ'ব সমাজৰ অৰ্দ্ধাংশ বিকল কৰি তোলা যিটোৱে বাকী অংশকো দুৰ্বল কৰি তোলাতহে অৰিহণা যোগায়। মহাত্মা গান্ধীয়ে নাৰীক জাতীয় জীৱনৰ মূল সুঁতিলৈ অনাত গুৰুত্ব আৰোপ কৰিছিল আৰু স্বাধীনতা আন্দোলনত নাৰীক আগভাগ লবলৈ ব্যক্তিবিশেষে সুবিধা দিছিল। ই নিশ্চয়কৈ নাৰী মুক্তি আন্দোলনৰ সপক্ষে আছিল এক উল্লেখনীয় পদক্ষেপ। ভাৰতীয় নাৰীক শিক্ষিত কৰি তোলাৰ বাবে সকলো প্ৰকাৰে যত্নবান হোৱা আন এজন বৰেণ্য ব্যক্তি আছিল মহৰ্ষি হাৰ্ভে যাক সামাজিক বিপ্লৱৰ সূচনাকাৰী বুলি আখ্যা দিয়া হয়। এওঁলোকৰ প্ৰচেষ্টাই স্বাধীনোত্তৰ কালত ভাৰতত নাৰীৰ সামাজিক স্থিতিৰ বিৱৰ্ত্তন সম্ভৱ কৰি তুলিছিল।

বৰ্ত্তমান ভাৰতীয় সমাজত অভিজাত আৰু মধ্যবিত্ত শ্ৰেণীৰ পৰিয়ালসমূহত ছোৱালীবিলাক লৰাৰ সমানেই শিক্ষিত আৰু আগবঢ়া বুলিব পাৰি। এই পৰিয়ালবিলাকত অভিভাৱকসকলেও ল'ৰা-ছোৱালীৰ মাজত কোনো ভেদ-ভাৱ ৰখা দেখা নাযায়। কিন্তু নিম্নবিত্ত আৰু তেনেই দুখীয়া পৰিয়ালসমূহত ল'ৰা-ছোৱালীৰ মাজত প্ৰভেদ পূৰা মাত্ৰাই বিদ্যমান। ইয়াৰ মূলতে হ'ল আৰ্থিক অনাতন আৰু যুগ যুগ ধৰি নাৰীক হেয় জ্ঞান কৰি অহা মনোবৃত্তি। তেনে নিম্নবিত্ত পৰিয়ালৰ লোকৰে পৰিবেষ্টিত এলেকাসমূহৰ প্ৰাথমিক স্কুলবিলাকত ল'ৰাৰ তুলনাত ছোৱালীৰ সংখ্যা চকুত পৰাকৈ কম হোৱা দেখা যায়। আৰ্থিক অনাটনৰ বাবে পৰিয়ালৰ সকলো ল'ৰা-ছোৱালীকে স্কুললৈ পঠোৱাৰ সামৰ্থ নথকাত ছোৱালীবিলাককেই শিক্ষা জগতৰ পৰা আঁতৰাই ৰখা হয়। তদুপৰি এনেবিলাক পৰিয়ালৰ মাতৃসকল নিজেও অশিক্ষিত হোৱা হেতুকে ল'ৰা-ছোৱালী সকলোকে সমানে শিক্ষা দিয়াৰ প্ৰয়োজনীয়তা উপলব্ধি কৰিবলৈ অক্ষম হোৱাটোও এই সমস্যাৰ অন্যতম কাৰণ বুলিব পাৰি।

স্বাধীনোত্তৰ ভাৰতত প্ৰথম পৰ্যায়তে বিবাহ, বিবাহ বিচ্ছেদ, উত্তৰাধিকাৰ, যৌতুক, প্ৰতিপালন আদিৰ ক্ষেত্ৰত থকা সামাজিক ব্যাধিসমূহ আঁতৰ

কৰাৰ উদ্দেশ্য আগত ৰাখি ভালেমান গুৰুত্বপূৰ্ণ বিধেয়ক গ্ৰহণ কৰা হয়। এই বিধেয়কসমূহৰ মূল লক্ষ্য আছিল নাৰীৰ স্বাৰ্থ ৰক্ষা। ১৯৭৫ চনটো আন্তৰাষ্ট্ৰীয় নাৰী দিৱস হিচাপে পালন কৰা হয়।

১৯৬৬ চনৰ কোঠাৰী আয়োগৰ অনুমোদনাৱলীৰ পৰিপ্ৰেক্ষিতত শিক্ষাৰ ক্ষেত্ৰত যি ৰাষ্ট্ৰীয় নীতি (১৯৬৮) ঘোষণা কৰা হয় সি দেশৰ শিক্ষা জগতত এক মাইলৰ খুটি ৰূপে চিহ্নিত হ'ল। ৰাষ্ট্ৰীয় শিক্ষা নীতিয়ে সমাজৰ বিভিন্ন শ্ৰেণীৰ মাজত বিৰাজ কৰা সকলো বৈষম্য দূৰ কৰিবৰ বাবে জাতি, ধৰ্ম, বৰ্ণ, লিঙ্গ নিৰ্বিশেষে সকলোৰে বাবে শিক্ষালাভৰ সুবিধা প্ৰদানত গুৰুত্ব আৰোপ কৰে আৰু তাকে কৰিবলৈ যাওঁতে ইমান দিনে বঞ্চিত হৈ অহা সকলৰ স্বাৰ্থত বিশেষ ব্যৱস্থা প্ৰৱৰ্ত্তনৰো বাট মুকলি কৰে। এই শিক্ষা নীতিৰ ঘোষিত লক্ষ্যসমূহ হ'ল—ক) সমাজত নাৰীৰ স্থান উন্নীতকৰণৰ বাবে শিক্ষাক মূল আহিলা হিচাপে গ্ৰহণ কৰা; খ) সমাজৰ প্ৰগতিত নাৰীয়ে যাতে অধিক যোগাত্মক ভূমিকা পালন কৰিব পাৰে তাৰ বাবে তেওঁলোকক অধিক ক্ষমতা দিয়া; গ) নাৰী সমাজত থকা নিৰক্ষৰতা আৰু শিক্ষা ক্ষেত্ৰত থকা সকলো প্ৰাচীৰ ভাঙি মুকলিমূৰীয়াকৈ শিক্ষা আহৰণৰ সুবিধা প্ৰদান কৰা, বিশেষকৈ প্ৰাথমিক শিক্ষা যাতে সকলো শ্ৰেণীৰ নাৰীয়ে বাধাহীনভাৱে লাভ কৰিব পাৰে তাৰ বাবে যথোপযুক্ত ব্যৱস্থা গ্ৰহণৰ ওপৰত গুৰুত্ব আৰোপ কৰা; ঘ) সমাজৰ সকলো ধৰণৰ কামকাজত নাৰীয়ে যাতে অংশ গ্ৰহণৰ সুবিধা লাভ কৰিব পাৰে তাক নিশ্চিত কৰা; ঙ) কাৰিকৰী আৰু পেচাদাৰী (Professional) শিক্ষাৰ পৰা প্ৰযুক্তিবিদ্যালৈকে নাৰীৰ বাবে দুৱাৰ উন্মুক্ত ৰখা যাতে কোনো ক্ষেত্ৰতেই তেওঁলোক বৈষম্যৰ বলি হ'ব লগা নহয়।

বিশ্বৰ সৰহভাগ ৰাষ্ট্ৰৰ দৰেই ভাৰততো মুঠ জনসংখ্যাৰ অৰ্দ্ধেক নাৰী। কিন্তু সৌ সিদিনালৈকে ভাৰতীয় নাৰী আছিল শিক্ষাৰ ক্ষেত্ৰত অৱহেলিত। দেখা যায় চহৰ অঞ্চলৰ মহিলাৰ তুলনাত গ্ৰাম্যাঞ্চলত বসবাস কৰা নাৰীসকল সকলো দিশতে পিচপৰা। ইয়াৰ মূল কাৰণ হ'ল সমাজ বিৱৰ্ত্তনৰ মূল প্ৰয়োজন শিক্ষাৰ অভাৱ। যথোপযুক্ত শিক্ষাৰ অভাৱত গ্ৰাম্যাঞ্চলৰ নাৰীসকলে নিজৰ চাহিদা পূৰণ কৰিব পৰাকৈ অৰ্থ উপাৰ্জন কৰাত বিফল হয়। আৰ্থিক অনাটনৰ লগতে স্বাস্থ্য ৰক্ষাৰ বিধি-বিধান সম্পৰ্কে সমুচিত জ্ঞানৰ অভাৱত পুষ্টিকৰ খাদ্য সেৱন কৰিব নোৱাৰে। ইয়াৰ ফলত নানান দুৰাৰোগ্য ৰোগত আক্ৰান্ত হৈ পৰে। তদুপৰি অনগ্ৰসৰ অঞ্চলসমূহত বহু সংখ্যক ছোৱালী কম বয়সতে বিবাহ-পাশত আবদ্ধ হোৱা, যৌতুক প্ৰথা আদি সামাজিক ব্যাধিৰ বলি হ'ব লগা হয়। এনেবোৰ পৰিস্থিতিৰ পৰা নিজকে মুক্ত কৰিবলৈ হ'লে নাৰীয়ে নিজকে শিক্ষাৰ যোগেদি শক্তিশালী কৰিব পাৰিব লাগিব। এনে প্ৰয়োজনীয়তাৰ প্ৰতি লক্ষ্য ৰাখিয়েই ৰাষ্ট্ৰীয় শিক্ষা নীতিৰ আধাৰত কিছুমান তৎকালীন ব্যৱস্থা হাতত লোৱা দেখা গৈছে। তাৰে প্ৰধান ব্যৱস্থাসমূহৰ ভিতৰত হ'ল—(১) স্কুল-কলেজৰ পাঠ্যক্ৰমসমূহৰ পৰা পুনৰীক্ষণৰ যোগে লিঙ্গ বৈষম্যবোধ সৃষ্টি কৰিব পৰা বিষয়সমূহ তুৰন্তে পৰিহাৰ কৰা যাতে পুৰুষ আৰু মহিলাৰ মাজত সম-মৰ্য্যাদাৰ ভাব অটুট থাকে, (২) ঘৰৰ পৰা নাতিদূৰত স্কুল হ'লে শিক্ষাৰ প্ৰতি ছোৱালীবিলাক আকৰ্ষিত হোৱাৰ সম্ভাৱনাৰ প্ৰতি লক্ষ্য ৰাখি অধিক স্কুল স্থাপনৰ ওপৰত গুৰুত্ব দিয়া, (৩) স্থানীয় অৱস্থাৰ লগত সংগতি ৰাখি স্কুলৰ পাঠ্যক্ৰম তথা সময়সূচীৰো পুনৰ্নিৰ্দ্ধাৰণ কৰা, (৪) প্ৰাথমিক আৰু মজলীয়া স্কুলসমূহত এনে কিছুমান হাতৰ কাম ছাত্ৰীসকলক শিকোৱাৰ ব্যৱস্থা কৰা যাৰ সহায়ত উচ্চ পৰ্য্যায়ৰ শিক্ষা গ্ৰহণ কৰিব নোৱাৰিলেও মহিলাসকলে নিজে অৰ্থ উপাৰ্জন কৰিবলৈ সক্ষম হয়, (৫) স্কুলৰ ওচৰত ক্ৰীচ্ স্থাপন কৰা যাতে কণ কণ লৰাছোৱালীবিলাকক তাত নিৰাপদে থৈ মাক দেউতাক দুয়ো জীৱিকা উপাৰ্জনৰ খাতিৰত ওলাই যাওঁতে পঢ়াশালিলৈ যাব লগা বয়সৰ ছোৱালীবোৰেও ভায়েক-ভনীয়েকহঁতক ৰখি থকাৰ পৰিৱৰ্তে শিক্ষা আহৰণত প্ৰবৃত্ত হোৱাৰ সুবিধা পায়, (৬) জনসংযোগ মাধ্যমবিলাকৰ জৰিয়তে নাৰী শিক্ষাৰ প্ৰয়োজনীয়তা সম্বন্ধে এক প্ৰবল

শেষ অংশ ১৩ পৃষ্ঠাতঃ—

# নাৰী হৃদয়লৈ ভূমুকি মাৰি যোৱা লেখকজন— বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য্য

—অসমী গগৈ
প্ৰবক্তা, অসমীয়া বিভাগ

সৃষ্টিৰ আদিৰে পৰা নাৰীৰ মাতৃ, ভগ্নী, কন্যা, বধু আদি ৰূপ আমি দেখি আহিছো। তেওঁলোকৰ সহায় সহযোগ অবিহনে দৈনন্দিন জীৱনৰ কোনো এটা কাম সম্পূৰ্ণ হৈ নুঠে। কিন্তু এওঁলোকৰ নিস্বাৰ্থ ত্যাগ, শ্ৰম, যন্ত্ৰণা, ইচ্ছা, আকাংক্ষাৰ প্ৰতি অতি কম সংখ্যক লোকেহে চকু দিয়ে। এই কম সংখ্যক লোকৰ ভিতৰতে এজন হৈছে প্ৰথিতযশা সাহিত্যিক বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য্য। জীৱনৰ বিভিন্ন সময়ত যেতিয়াই তেওঁ সুৰুঙা পাইছে নাৰী মনৰ ভিতৰলৈ ভূমুকি মাৰি চাবলৈ পাহৰা নাই। মূলতঃ বাস্তৱবাদী লেখক ভট্টাচাৰ্য্যৰ উপন্যাসত নাৰী চৰিত্ৰ প্ৰতিফলিত হৈছে ছটা ৰূপত—মাতৃ, ভগ্নী, পত্নী, জীয়াৰী, বোৱাৰী আৰু বেশ্যা। এই কেউটা ৰূপেই অতি মননশীল ভাৱে ফুটাই তোলাৰ চেষ্টা কৰিছে তেওঁৰ উপন্যাসবোৰত। আনহাতে এই নাৰী চৰিত্ৰবোৰৰ মাজেদিয়ে ফুটি উঠিছে তেওঁৰ সমাজ সচেতন দৃষ্টিভংগী।

তেওঁৰ উপন্যাসত প্ৰতিফলিত হোৱা নাৰী চৰিত্ৰবোৰক সাধাৰণতে দুটা ভাগত ভগাব পাৰি। স্বাধীনতা আন্দোলন, দ্বিতীয় বিশ্বযুদ্ধ আৰু অন্যান্য আনুষঙ্গিক আন্দোলনৰ দ্বাৰা প্ৰভাৱান্বিত, আৰু পৰম্পৰাবাদী সমাজৰ প্ৰতিভূসকল।

প্ৰথমটো ভাগৰ অন্তৰ্ভুক্ত কৰিব পাৰি 'মৃত্যুঞ্জয়' উপন্যাসৰ গোসাঁনী, ডিমি, আৰতি, অনুপমা, সুভদ্ৰা, ইয়াৰুইঙ্গমৰ চাৰেংলা, শতঘ্নীৰ অমলা, প্ৰতিপদৰ জেবুন্নিছা, বৰুৱানী; 'কবৰ আৰু ফুল'ৰ মেহেৰুনিচ্ছা আদিক।

দ্বিতীয়তো ভাগৰ অন্তৰ্ভুক্ত কৰিব পাৰি—'মৃত্যুঞ্জয়'ৰ কাচনমতী, অনুপমা; 'শতঘ্নী'ৰ প্ৰমিলা, ইয়াৰুইঙ্গমৰ আটিব, খুটিংলা; 'মুনিচুনিৰ পোহৰ'ৰ সেউতী, আইধান; 'ৰাজপথে ৰিঙিয়াই'ৰ মীনা আদিক।

কোনো বন্ধনেই বান্ধি ৰাখিব নোৱাৰা সহজ সৰল চঞ্চল চপলা জনজাতীয় নাৰীৰ চৰিত্ৰকে ধৰি সাতামপুৰুষীয়া কটকটীয়া বান্ধোনত চেপা খাই থকা আমাৰ সমাজৰ নাৰী চৰিত্ৰলৈকে সকলোকে পোৱা যায় ভট্টাচাৰ্য্যদেৱৰ উপন্যাসত। অৱশ্যে ইয়াত নিৰ্দিষ্ট কেইখনমান উপন্যাসৰ নিৰ্দিষ্ট চৰিত্ৰ দুটামানক লৈয়ে আলোচনাটি সামৰা হৈছে।

আলোচনাটিৰ বাট বুলাবলৈ লোৱা হৈছে 'ইয়াৰুইঙ্গম' উপন্যাসৰ নাৰী চৰিত্ৰৰে। এই উপন্যাসৰ দুটি প্ৰধান নাৰী চৰিত্ৰ চাৰেংলা আৰু খুটিংলা। সুদূৰ নগা পাহাৰত জকমকাই ফুলি থকা দুপাহ ফুলৰ দৰেই উজ্জ্বল দুটি চৰিত্ৰ। চাৰেংলা কেৱল জীয়াই থকাৰ তাড়নাতে জীয়াই থকা নাৰী নহয়। "জীৱনক তাই ইমান ভাল পায় যে আত্মহত্যা কৰাৰ কথা ভাবিলেই এক অজান ভয়ত মন কঁপি উঠে"। (পৃঃ ২৬) সহ্যাতিত দুখ-বেদনা, বিপদ-বিঘিনিৰ পাছতো চাৰেংলাৰ যি জীৱনস্পৃহা সি বৰ্তমান সমাজৰ হাজাৰজনী নাৰীৰ বাবে প্ৰেৰণাৰ উৎস। এই চাৰেংলা চৰিত্ৰটোৰ মাজেদিয়ে বীৰেন্দ্ৰকুমাৰ ভট্টাচাৰ্য্য দেৱৰ সুক্ষ্ম অনুভৱ শক্তিৰ উমান পোৱা যায়। দ্বিতীয় যুদ্ধই জীৱন তছনছ কৰি থৈ যোৱাৰ পাছতো চাৰেংলা ভাগি পৰা নাই। কিবা এটা অদ্ভুত দৃঢ়তাৰে তাই সমাজত থিয় দি আছে। কিন্তু সেই একেজনী চাৰেংলাই ফানিটফাঙৰ মাকৰ অকণমান মৰমতে ভাগি পৰিছে। "ফানিটফাঙৰ মাকৰ মৰম আৰু সহানুভূতিৰ পৰশত তাইৰ অন্তৰ সেমেকি উঠিল আৰু চকুৰ পানী ওলোৱা কোনোৰকমে ৰোধ কৰিব নোৱাৰিলে"। (পৃঃ ৩৪) তাইৰ জীৱনৰ পৰা হেৰাই যোৱা মাকৰ মৰম বিচাৰি ব্যাকুল হোৱা মনৰ উমান দাঙি ধৰিছে লেখকে এইষাৰ কথাৰ মাজেদি। এক অবাঞ্চিত ঘটনাৰ বলি হৈ জীৱনৰ

সৰ্ব্বস্ব হেৰুৱাৰ পাছতো চাৰেংলা সৎ হৈ থাকিব বিচাৰে। কিন্তু বাৰে বাৰে সামাজিক পৰিস্থিতিৰ বলি হ'বলগাত পৰে তাই। এনে কিছুমান পৰিস্থিতিতে তাইৰ অন্তৰ্দ্বন্দ্ব আৰু মনোবেদনাই পাঠকৰ অন্তৰ চুই যায়।

আনহাতে নাৰীৰ সহজাত ঈৰ্ষাৰ প্ৰতিচ্ছবি ফুটাই তোলাতো ভট্টাচাৰ্য্যদেৱৰ পাৰদৰ্শিতা অন্যতম। এনে এটি ঈৰ্ষাপৰায়ণ নাৰী চৰিত্ৰ ইয়াৰুইঙ্গমৰে খুটিংলা। তাইৰ প্ৰেমাস্পদ, ভাবীস্বামী ৰিশ্বাঙৰ চাৰেংলাৰ সৈতে মিলামিচা দেখি খুটিংলা জ্বলি উঠিছে—"কিন্তু ৰিশ্বাঙৰ পুৰণি প্ৰীতিৰ পুনৰাবৃত্তি চকুৰ আগত দেখা পাই তাইৰ আশা যেন মোলান পৰিল আৰু অন্তৰত চাৰেংলাৰ প্ৰতি প্ৰবল ঈৰ্ষা প্ৰজ্বলিত হৈ উঠিল" (পৃঃ ৪৫)। নাৰী মনস্তত্বৰ প্ৰতি চকু দিবলৈ গৈ ঔপন্যাসিক ভটাচাৰ্য্যদেৱে পৰম্পৰাগত পুৰুষ প্ৰধান সমাজখনকো আওকাণ কৰি যোৱা নাই, যিহেতু এইখন সমাজেই চাৰেংলাক উপৰ্য্যুপৰি আঘাতেৰে থকা-সৰকা কৰি পেলাইছে।

জ্ঞানপীঠ বঁটা বিজয়ী 'মৃত্যুঞ্জয়' উপন্যাসৰ উল্লেখযোগ্য নাৰী চৰিত্ৰকেইটি হৈছে কলী বাইদেউ, গোসাঁনী আৰু ডিমি। কলী বাইদেউ এগৰাকী সমাজ সচেতনা নাৰী। ভাৰতৰ স্বাধীনতা আন্দোলনত সক্ৰিয় ভূমিকা গ্ৰহণ কৰিছে তেওঁ। উপন্যাসখনৰ কোনো কোনো অংশত এই চৰিত্ৰটোৰ মাজেদি ঔপন্যাসিকৰ জীৱন দৰ্শনে ভুমুকি মৰা যেন অনুমান হয়। এটা পৰম্পৰাবাদী নাৰী চৰিত্ৰ ৰূপে অংকন কৰিলেও দৈপাম সত্ৰৰ সত্ৰাধিকাৰ মহদা গোঁসাইৰ পত্নী গোঁসানী এটি সজীৱ চৰিত্ৰ। এগৰাকী পতিব্ৰতা বধুৰ চৰিত্ৰ ফুটি উঠিছে এইষাৰ কথাত—"অতবোৰ অস্ত্ৰ-শস্ত্ৰধাৰী মিলিটেৰীৰ আগত অকল কেইটামান মানুহে কি কৰিব? তিলকক মৰাদি মাৰিব। গহপুৰত কনকলতাক মৰাদি মাৰিব। ঢেকীয়াজুলিত তিলেশ্বৰীক মৰাদি মাৰিব......." (পৃঃ ৬১)। উপন্যাসখনৰ শেষৰ ফালে গোঁসানী চৰিত্ৰৰ উত্তৰণ ঘটিছে—সংসাৰৰ সংঘাটপূৰ্ণ নানা পৰিস্থিতিয়ে "ওৰণিৰ তলৰ ঘুটমুটিয়া বগী মানুহজনী"ৰ মনলৈ অদম্য সাহস আৰু আত্মপ্ৰত্যয় আনি দিছে। "দেশখনক বুজা মানুহনো কেইজন আছে?....তেওঁলোকে ধন-সম্পত্তি, লৰা-তিৰোতা এইবোৰতকৈ দেশখন বেছি ভাল পাইছিল" (পৃঃ ২৬৬)। বেজবৰুৱাৰ ডালিমী চৰিত্ৰৰ অনুৰূপ হলেও ডিমি যেন উপন্যাসখনত বহুতৰ বাবে প্ৰেৰণাৰ উৎস। সহজাত জনজাতীয় সহজ সৰলতাৰ প্ৰতীক ডিমি চৰিত্ৰটোৰ মাজেদি কবি ভট্টাচাৰ্য্যই ভুমুকি মাৰিছিল। এইটো চৰিত্ৰই হিংসাৰ সহায়েৰে শান্তি বিচৰা মানুহৰ মাজতো দয়া, কৰুণা আৰু মানবীয় প্ৰেম জগাই তুলিব পাৰিছিল।

'আই' ভট্টাচাৰ্য্যদেৱৰ আন এখন উল্লেখযোগ্য উপন্যাস, যিখনত তেওঁৰ শৈশৱ আৰু কৈশোৰ প্ৰতিফলিত হোৱা যেন অনুভৱ হয়। প্ৰত্যেক ব্যক্তিৰ মনৰ মাজত নিজ মাতৃৰ বাবে সদায়ে এখন সুকীয়া আসন থাকে। এই আসনখনৰ বাবেই বীৰেন্দ্ৰকুমাৰ ভট্টাচাৰ্য্যই উপন্যাসখনত আই চৰিত্ৰটোক ইমান জীৱন্ত ৰূপ দিব পাৰিছে।

চীনা আক্ৰমণৰ পটভূমিত ৰচিত 'শতঘ্নী' উপন্যাসৰ নাৰী চৰিত্ৰবিলাক সংঘাতপূৰ্ণ জীৱন গৰকী অহা নাৰী চৰিত্ৰ। ব্ৰাহ্মণ সমাজৰ বাল্যবিবাহৰ কু-ফল ভোগ কৰিছে বাল্যবিধবা প্ৰমীলাই। এই প্ৰমীলাৰ পৰাই উপন্যাসখনৰ ইটোৰ পাছত সিটো সংঘাতৰ সূত্ৰপাত হৈছিল। কৰ্তৃত্বশীল মাতৃ ৰূপৰ পৰা প্ৰমীলাৰ ৰুঢ় শাহু আইলৈ উত্তৰণ ঘটিছে। এয়া পুত্ৰৰ ওপৰত অধিকাৰ হেৰাই যোৱা ভয়ৰ প্ৰতিফলন। আন এটা চৰিত্ৰ অমলাই নিজৰ ইচ্ছা-অনিচ্ছা আশা-আকাংক্ষা জলাঞ্জলি দি এগৰাকী পতিব্ৰতা বোৱাৰীৰ কৰ্তব্য পালন কৰিছিল। প্ৰমীলাৰ জীয়েক বিমলাও উপন্যাসখনৰ এটা সংঘাটপূৰ্ণ জীৱনৰ প্ৰতিভু। চীনা স্বামীৰ প্ৰকৃত ৰূপে বিমলাক শেষৰ ফালে সাহসী কৰি তুলিছে।

সুক্ষ্ম অনুভৱ শক্তিৰে নাৰী হৃদয়লৈ ভুমুকি মাৰি চাই ৰচনা কৰা তেওঁৰ অন্যান্য নাৰী চৰিত্ৰবোৰৰ ভিতৰত উল্লেখযোগ্য হৈছে 'প্ৰতিপদ'ৰ 'জেবুন্নিচ্ছা'। যিটো চৰিত্ৰৰ মিল দেখা যায় ইয়াৰুইঙ্গমৰ চাৰেংলাৰ সৈতে। চাৰেংলাৰ দৰেই জেবুন্নিচ্ছাইও ডিগবৈ শোধনাগাৰৰ

শ্বেতাঙ্গ বিষয়াসকলৰ ৰক্ষিতা হ'ব লগীয়া হৈছিল। কিন্তু মনে প্ৰাণে তাই সদায়ে পৱিত্ৰ হৈছিল। সেয়ে নিসংকোচে তাই মৃত্যুমুখী মিনুবাইৰ কেচুৱাটো লবলৈ গৈছিল। কিন্তু বিনিময়ত তাই অপমানিতা হৈছিল। পটভূমিৰ পাৰ্থক্যৰ বাহিৰে চাৰেংলা আৰু জেবুনিচ্ছা চৰিত্ৰ দুটাৰ মাজত কোনো পাৰ্থক্য পৰিলক্ষিত নহয়।

সামৰণিত সামগ্ৰিকভাবে বীৰেন্দ্ৰকুমাৰ ভট্টাচাৰ্য্যৰ উপন্যাসৰ নাৰী চৰিত্ৰবোৰৰ সম্পৰ্কে কব পৰা যায়— সকলোবোৰ নাৰীয়েই বাস্তৱৰ সমস্যা তথা সংঘাতপূৰ্ণ জীৱনক প্ৰতিনিধিত্ব কৰিছে। এই নাৰীয়ে যে সময়ভেদে, পৰিবেশ পৰিস্থিতি ভেদে ভিন্ন ৰূপ গ্ৰহণ কৰিব পাৰে তাকো ভট্টাচাৰ্য্যদেৱে দেখুৱাই গৈছে। তেওঁৰ উপন্যাসৰ প্ৰায়বোৰ নাৰীয়েই কম বেছি পৰিমাণে শিক্ষিতা হোৱা বাবে তেওঁলোকৰ মাজত এটা আদৰ্শগত সংঘাতহে পৰিলক্ষিত হয়। যি হ'লেও, নাৰীৰ মানসিক অৱস্থাৰ প্ৰতি অধিক গুৰুত্ব দিয়া হেতুকে তেওঁৰ উপন্যাসৰ নাৰী চৰিত্ৰবিলাক অতি জীৱন্ত। লাগিলে সেয়া চঞ্চলা চপলা ডিমিয়ে হওক বা গহীন গম্ভীৰ ওৰণী তলৰ

☒ ☒ ☒

**সহায়ক গ্ৰন্থপঞ্জী ঃ—**


১। বীৰেন্দ্ৰকুমাৰ ভট্টাচাৰ্য্যৰ সংশ্লিষ্ট উপন্যাস কেইখন।

২। পঞ্চম বছৰ দ্বিতীয় সংখ্যাৰ 'গৰীয়সী' পৃঃ ৫৩-৫৬।

৩। বীৰেন্দ্ৰকুমাৰ ভট্টাচাৰ্য্যৰ সাহিত্যত নাৰী—ড০ মলয়া খাওন্দ,

৪। অসমীয়া সাহিত্যত নাৰী, সম্পাদিকা, বিনীতা দত্ত, পৃঃ ১৬২-১৭৫


(৭ পৃষ্ঠাৰ শেষ অংশ)

জনমত গঢ়ি তুলিবলৈ যত্ন কৰা আৰু শিক্ষিত নাৰীসকলে আৰ্থসামাজিক তথা ৰাজনৈতিক মঞ্চত লাভ কৰা সফলতাক সম্যক ৰূপত জনসাধাৰণক অৱগত কৰা যাতে তেনে দৃষ্টান্তৰ দ্বাৰা ভিতৰুৱা অঞ্চলৰ মহিলাসকল শিক্ষা অৰ্জনৰ প্ৰতি অধিক আকৃষ্ট হয়। এনেবিলাক পদক্ষেপে ভাৰতবৰ্ষৰ নাৰী সমাজক বহুলাংশে শিক্ষা লাভৰ সুবিধা প্ৰদান কৰি জাতিটোৰ অগ্ৰগতিত সহায় নিশ্চয় কৰিব।

☒ ☒ ☒

❖ "আনক সমালোচনা কৰিব যোৱাৰ আগতে নিজক সমালোচনা কৰা। নিজে শুদ্ধ আৰু পবিত্ৰ হ'ব পাৰিলেহে আনৰ বিষয়ে মতামত দিয়াৰ যোগ্যতা অৰ্জন কৰিব পাৰিবা।"

—চক্ৰেটিচ।

# অসমৰ শিক্ষা ব্যৱস্থা আৰু নিবনুৱা সমস্যা

—দীপালী দুৱৰা ফুকন
স্নাতক ৩য় বাৰ্ষিক (কলা)

সুজলা সুফলা শস্য-শ্যামলা অসম হ'ল প্ৰকৃতিৰ লীলাভূমি। ভাৰতৰ নুমলীয়া জী। সকলো ফালৰ পৰাই অসম ঐশ্বৰ্যমণ্ডিত। সকলো আছিল, সকলো আছেও। তথাপিও যেন ৰিঙা ৰিঙা এতিয়া। আজি অসম হৈ পৰিছে নানা সমস্যাৰ এক যাদুঘৰ। আজি অসমৰ চাৰিওফালে হা-হুতাশ, অনিশ্চয়তা আৰু ধ্বংসৰ বিভীষিকা। এই সমস্যাবোৰৰ ভিতৰত এটা জ্বলন্ত সমস্যা হৈছে অসমৰ নিবনুৱা সমস্যা। এই নিবনুৱা সমস্যা কোনে সৃষ্টি কৰিলে ভাবিলে ইংৰাজৰ কথাই প্ৰথম মনলৈ আহে। সাত সাগৰ তেৰ নদী পাৰ হৈ এদিন ৰক্তপিপাসুৰ ৰূপত ভাৰতত ইংৰাজৰ আবিৰ্ভাব হ'ল। তেওঁলোকৰ দুশবছৰীয়া শাসন কালত অসমৰ শিক্ষা ব্যৱস্থা, সমাজ ব্যৱস্থাৰ ওপৰতো প্ৰভাৱ পৰিল। বিশেষকৈ অসমৰ শিক্ষা ব্যৱস্থাৰ ক্ষেত্ৰত ইংৰাজে এক আমোল পৰিৱৰ্তন সাধি থৈ গ'ল। তেওঁলোকৰ তলত সৰুসুৰা চাকৰি কৰিবলৈ, নিজৰ সুবিধাৰ বাবে একশ্ৰেণী মানুহক ইংৰাজী শিক্ষাৰে শিক্ষিত কৰি তুলিলে, যাৰ ফলত একশ্ৰেণী আমোলাৰ সৃষ্টি হ'ল। ইয়াৰ লগে লগে পাশ্চাত্য শিক্ষাৰে শিক্ষিত শ্ৰেণীটোক আমোলাৰহে উপযুক্ত কৰি অন্যান্য কৰ্মশক্তিত হীন কৰি অসমীয়া জাতিক দাস-মনোবৃত্তি উপহাৰ দি নিবনুৱা কৰি থৈ গ'ল।

বৰ্তমান এই নিবনুৱা সমস্যাই ভয়ংকৰ ৰূপ ধাৰণ কৰিছে। বৰ্তমান প্ৰত্যেক শিক্ষিত যুৱক যুৱতীকে একোটা চৰকাৰী চাকৰি লাগে। কৃষি কাৰ্য্য, শিল্প কাৰ্য্যক শিক্ষিত যুৱক-যুৱতীয়ে হেয় দৃষ্টিৰে চাবলৈ ললে। বেপাৰ-বাণিজ্য অশিক্ষিত সকলৰহে কাম বুলি ভাবিবলৈ ধৰিলে। এইবোৰত মৰ্য্যদা নাই। আছে মাত্ৰ চৰকাৰী চাকৰিতহে। পাশ্চাত্য শিক্ষাৰে শিক্ষিত ডেকাই কোম্পানীৰ অধীনত চাকৰি লৈ জীৱনটো পিন্ধাউৰা, থকামেলাত বিলাসিতা কৰি নানা বস্তুবাহানি সংগ্ৰহ কৰিবৰ নিমিত্তে কোনো প্ৰকাৰে এটা মহলা ঘটি লোৱাই জীৱনত শিক্ষাৰ উদ্দেশ্য বুলি ভাবে। এই মনোভাবৰ বশবৰ্তী হৈ আজি অসমত লাখ লাখ নিবনুৱা কৰ্মহীন হৈ সমাজৰ বোজা হৈ পৰিছে। নিবনুৱা সমস্যাৰ জটিল ৰূপ দেখি বৰ্তমান শাসক শ্ৰেণীয়েই নহয়, সমাজ ব্যৱস্থাও সংকিত হৈ পৰিছে।

ভাৰত স্বাধীন হোৱাৰ আজি ৫০ বছৰ হ'ল। স্বাধীনতা লাভ কৰি অসমৰ কি উন্নতি হ'ল? স্বাধীনতা লাভৰ পাছত সমাজে নানা সপোন দেখিছিল। এনে এখন শোষণহীন সমাজৰ কল্পনা কৰিছিল য'ত কোনো অন্যায়, অত্যাচাৰ আৰু প্ৰতাৰণা নাথাকিব। সেই সপোন সপোন হৈয়ে ৰ'ল। বাস্তৱত পৰিণত নহ'ল। এনে লোকে দুৰ্নীতিত লিপ্ত হৈ পেটে-ভাতে খাই থকা সাধাৰণ শ্ৰেণীক দৰিদ্ৰহে কৰিলে। দৰিদ্ৰবোৰক কৰিলে ভিক্ষাৰী। কিন্তু এই শিক্ষিত যুৱক-যুৱতীসকল সমাজৰ দুই শ্ৰেণীৰ এটাও হ'ব নোৱাৰি ত্ৰিশংকুৰ দৰে সমাজৰ ওপৰত ওলমি জটিল পৰিস্থিতিহে সৃষ্টি কৰিলে।

অসমৰ নিবনুৱা সমস্যা বৃদ্ধিৰ বাবে অসমৰ জনসংখ্যা বৃদ্ধি, সমাজ ব্যৱস্থা আৰু শিক্ষা ব্যৱস্থাই অধিক দায়ী বুলি ভবাৰ থল আছে। কাৰণ এখন দেশৰ শিক্ষা ব্যৱস্থা আৰু অৰ্থনৈতিক শিক্ষা ব্যৱস্থাৰ মাজত এক অঙ্গাঅঙ্গি সম্বন্ধ থাকে। দেশ স্বাধীন হোৱাৰ ইমান বছৰৰ পিছতো অসমত এক সুদৃঢ় জাতীয় শিক্ষা নীতি গ্ৰহণ কৰিব পৰা নাই। ১৯৬৪-৬৬ চনত কোঠাৰী আয়োগে (১০+২+৩) বছৰীয়া শিক্ষা ব্যৱস্থা প্ৰৱৰ্তন কৰাৰ পৰামৰ্শ আগবঢ়ায়। ভাৰত চৰকাৰে ১৯৬৮ চনত নতুন শিক্ষা নীতি প্ৰৱৰ্তন কৰে আৰু ৰাজ্যসমূহক (১০+২+৩) বছৰীয়া শিক্ষা ব্যৱস্থা প্ৰৱৰ্তন কৰাৰ নিৰ্দেশ দিয়ে। ১৯৭৩ চনত অসমতো এই শিক্ষা ব্যৱস্থা আৰম্ভ কৰা হয়। ১৯৮৪ চনত "অসম উচ্চতৰ মাধ্যমিক শিক্ষা সংসদ" গঠন কৰা হয়। উচ্চতৰ মাধ্যমিক পৰ্য্যায়ৰ পৰিচালনা, নিয়ন্ত্ৰণ আৰু প্ৰশাসনৰ দায়িত্ব সংসদৰ হাতলৈ আহে। ফলস্বৰূপে তেতিয়াৰে পৰা পূৰ্বে গুৱাহাটী আৰু ডিব্ৰুগড় বিশ্ববিদ্যালয়ে হাতত লোৱা পাঠ্যক্ৰম প্ৰস্তুতি, পাঠ্যপুথি প্ৰণয়ন, পৰীক্ষা আদিৰ

সকলো দায়িত্ব সংসদৰ দায়িত্ব হৈ পৰে।

বৰ্তমান অসমত +২ স্তৰৰ শিক্ষাৰ ক্ষেত্ৰত এটা বেমেজালিৰ সৃষ্টি হয়। একেটা পাঠ্যক্ৰমকে উচ্চতৰ মাধ্যমিক বিদ্যালয়, মহাবিদ্যালয় আৰু কনিষ্ঠ মহাবিদ্যালয়ত চলাই থকাত ই আপচু হৈ পৰিছ। শিক্ষাব্যৱস্থাৰ জোৰা টাপলি মৰা ব্যৱস্থাই ভেকোভাওনাৰ সৃষ্টি কৰিছে বুলিব পাৰি। আজি অসমৰ শিক্ষা ব্যৱস্থা কিছুমান ন্যস্তস্বাৰ্থৰ ৰাজনৈতিক নেতা আৰু কেইজনমান বিষয়াৰ মইমতালিৰ বাবে ৰাজনৈতিক দবা খেলত পৰিণত হৈছে। ৰাইজৰ আশা ভৰসাৰ স্থল শিক্ষা বিভাগটো অতীতৰ দৰে পবিত্ৰ হৈ থকা নাই। নানা সমস্যাৰে জৰ্জৰিত শিক্ষা ব্যৱস্থাই ছাত্ৰ-ছাত্ৰীৰ উপকাৰ সাধিব পৰা নাই। মাত্ৰ এক অৰাজকতাৰহে সৃষ্টি কৰিছে। তথাপিও অসমৰ শিক্ষা ব্যৱস্থাৰ এই ভেকোভাওনা দেখিও চৰকাৰে আৰু সচেতন নাগৰিক সকলে নীৰৱ দৰ্শকৰ ভূমিকা গ্ৰহণ কৰিছে।

ভাৰতৰ অন্যান্য ৰাজ্যতো কোঠাৰী আয়োগৰ পৰামৰ্শ মানি শিক্ষা দিয়া হৈছে। কিন্তু অসমৰ দৰে সিবিলাক ৰাজ্যৰ শিক্ষা ব্যৱস্থা ইমান বিশৃংখল নহয়। অসমতকৈ বহু উন্নত। ইয়াৰ মূল কাৰণ হ'ল শিক্ষকৰ চাকৰি বা অধ্যক্ষ, উপাধ্যক্ষৰ নিযুক্তিলৈ তাত ৰাজনৈতিক দবা খেল আৰম্ভ হোৱা নাই। আজি অসমৰ ৰাজনৈতিক অস্থিৰতাৰ বাবে শিক্ষা ব্যৱস্থাত নানা বেয়া প্ৰভাৱ পৰিছে। শিক্ষক পদৰ নিযুক্তিত দুৰ্নীতি, আজি অসম বন্ধ, কাইলৈ পথ বন্ধ, শিক্ষক সন্থাৰ ধৰ্মঘট আদি নানা কাৰণত শিক্ষানুষ্ঠানৰ শিক্ষাদান নিম্ন মানদণ্ডৰ হৈ পৰিছে। এটা বছৰত পাঠ্যক্ৰম শেষেই নহয়। এনে ধৰ্ষণৰ শিক্ষা ব্যৱস্থাৰ বলি হব লগা হয় নিৰীহ ছাত্ৰ-ছাত্ৰীসকল।

বৰ্তমান অসমৰ শিক্ষা ব্যৱস্থাক নানা কাৰণত নিবনুৱা সৃষ্টি কৰা "যন্ত্ৰ" বুলি কলেও অত্যুক্তি কৰা নহয়। আজি অসমত ১৩ লাখতকৈয়ো অধিক নিবনুৱা পৰি আছে নানা ৰূপত। শিক্ষিত নিবনুৱা আৰু কিছুমান অৰ্দ্ধশিক্ষিত নিবনুৱা। ইয়াৰে কিছুমান ইচ্ছাকৃত নিবনুৱা আৰু কিছুমান ঋতুজনিত নিবনুৱা। এওঁলোক প্ৰত্যেকেই হতাশাৰ একোটা গভীৰ নিশ্বাস। বছৰি লাখ লাখ শিক্ষিত যুৱক-যুৱতী একোটা শিক্ষানুষ্ঠানৰ পৰা বিভিন্ন অৰ্হতা লৈ ওলাই আহে। ইয়াৰ পিছত আৰম্ভ হয় জীৱন সংগ্ৰাম। নানা অৰ্হতাৰে জ্ঞানপুষ্ট এই সকল নিবনুৱাই বিভিন্ন উপাধিৰ প্ৰমাণপত্ৰ সমূহ টোপালা বান্ধি অফিচৰ দুৱাৰে দুৱাৰে ঘুৰিব লগা হয়। মেধাৱী ছাত্ৰ-ছাত্ৰীসকলে সুবিধা নাপায়। ৰাজনৈতিক নেতাৰ পদলেহনকাৰীসকলৰ সম্পৰ্কীয়ই অলপমান টকা দিলেই উচ্চ পদত একে ৰাতিয়েই প্ৰতিষ্ঠিত হয়। বৰ্তমান নিয়োগ বিনিময় কেন্দ্ৰৰ সন্মুখত, চাকৰিৰ আবেদনৰ সময়ত নিবনুৱাৰ মিচিল নেদেখিলে নিবনুৱা সমস্যাৰ ভয়াবহ ৰূপ উপলব্ধি কৰিব নোৱাৰে। বৰ্তমান ভাৰতৰ নিবনুৱা ৫ কোটিকৈও বেছি। ২০০০ চনত হয়তো এই সংখ্যা ১০ কোটিৰো ওপৰ হবগৈ। এওঁলোক সকলোকে একোটা চাকৰি দিয়া সম্ভৱনে?

এখন দেশৰ যুৱ-মানসিকতাৰ ওপৰত নিবনুৱা সমস্যাই গভীৰ প্ৰভাৱ পেলায়। চাকৰি নেপাই বা শিক্ষা ব্যৱস্থাৰ ভণ্ডামি দেখি যুৱক-যুৱতীয়ে নানা ধৰণৰ অপকৰ্ম কৰি উশৃংখল হৈ পৰে। নানা ধৰণৰ বিদ্ৰোহ, অশান্তিৰ সৃষ্টি কৰি অপৰাধৰ সংখ্যা বৃদ্ধি কৰে। নানা বিষাক্ত ঔষধ সেৱন কৰি সাময়িক দুখ শোক নিবাৰণ কৰিবলৈ যাওঁতে এইড্ছৰ নিচিনা সংক্ৰামক ৰোগৰ বলি হৈ অপমৃত্যুৰ বলি হয়। গতিকে সমাজ ব্যৱস্থাতো আউল লাগে। এনে স্থলত শিক্ষা ব্যৱস্থাই দায়ী হৈ নপৰেনে?

এখন দেশৰ শিক্ষা ব্যৱস্থাৰ কোনো এটা দিশক সামূহিক ভাৱে বৰ্ণনা কৰিব নোৱাৰি। অসমৰ শিক্ষাব্যৱস্থাক দায়ী বুলি কোৱাৰ লগে লগে ইয়াৰ কিছুমান কেৰোণৰ কথা স্পষ্ট হৈ পৰে। যেনে ঃ—

১। বৰ্তমান অসমৰ শিক্ষা ব্যৱস্থাৰ পাঠ্যক্ৰম বৃত্তিমুখী নহয়। বৃত্তিমুখী সুবিধা নথকাৰ বাবে সকলো ছাত্ৰছাত্ৰীয়ে এটা নিৰ্দিষ্ট সময়ৰ পাঠ্যক্ৰম শেষ কৰাটো বাধ্যবাধকতা। ছাত্ৰ-ছাত্ৰীৰ ৰাপ, প্ৰতিভা আৰু জীৱনৰ লক্ষ্য অনুসৰি সকলে পৰা বৃত্তি বাছি লৈ পঢ়াৰ সুবিধা নাপায়। কিন্তু অন্যান্য দেশত এই সুবিধা আছে। স্বচ্ছল পৰিয়ালৰ ল'ৰা-ছোৱালীয়ে বাহিৰত পঢ়াৰ সুবিধা পায়। কিন্তু সাধাৰণ শ্ৰেণীৰ মানুহৰ ল'ৰা-ছোৱালীয়ে মনৰ ইচ্ছা থাকিলেও এনে শিক্ষা লব নোৱাৰে। ফলত সাধাৰণ

শিক্ষা লৈ স্নাতক, স্নানকোত্তৰ উপাধি লৈ সন্তুষ্ট থাকিবলগীয়া হয়। মেধাৱী ছাত্ৰ-ছাত্ৰীসকলে বিভিন্ন কাৰিকৰী শিক্ষা, বৃত্তিমূলক শিক্ষা লাভ কৰিলেও বৰ্ত্তমান এই ধৰণৰ শিক্ষানুস্থানতো ভৰ্ত্তিকৰণৰ ক্ষেত্ৰত নানা দুৰ্নীতিৰ সৃষ্টি হৈছে, যাৰ ফলত মেধাৱী, উপযুক্ত ল'ৰা-ছোৱালী শিক্ষা লাভৰ পৰা বঞ্চিত হৈছে।

২। বৰ্ত্তমান শিক্ষা ব্যৱস্থাৰ পাঠ্যক্ৰমত ছাত্ৰ-ছাত্ৰীৰ ব্যক্তিগত বৈষম্যলৈ সম্পূৰ্ণ আওকাণ কৰা হয়। প্ৰত্যেক ছাত্ৰ-ছাত্ৰীয়েই জন্মগতভাৱে পৃথক। দৈহিক গুণাৱলী আৰু মানসিক গুণাৱলীৰ ক্ষেত্ৰত ছাত্ৰ-ছাত্ৰীৰ মাজত নানা পাৰ্থক্য থাকে। এই বৈষম্যই ছাত্ৰ-ছাত্ৰীক পাঠ্যক্ৰমৰ কিছুমান উপাদানৰ কাৰণে অনুপযুক্ত আৰু অন্য কিছুমানৰ বাবে উপযুক্ত কৰি তোলে।

বৰ্ত্তমান শিক্ষা ব্যৱস্থাৰ পাঠ্যক্ৰমে এনে বৈষম্যতালৈ লক্ষ্য নাৰাখি এবিধ নিৰ্দিষ্ট ছাত্ৰ-ছাত্ৰীক আগত ৰাখি লৈ সকলোৰে ওপৰত সমানে পাঠ্যক্ৰমৰ বোজা জাপি দিছে।

৩। বৰ্ত্তমান শিক্ষা ব্যৱস্থাই পুথি অধ্যয়নত অধিক গুৰুত্ব দিয়া দেখা গৈছে। বৰ্ত্তমান শিক্ষা ব্যৱস্থাত (দেশৰ বহুতো ঠাইৰ) পাঠ্যক্ৰমত পুথিগত বিদ্যাৰ ওপৰত বেছি প্ৰাধান্য দিয়াৰ ফলত শিক্ষাৰ্থীৰ অভিজ্ঞতা বৰ সংকীৰ্ণ হৈ থাকে আৰু তাৰ ফলত তেওঁলোকৰ ব্যক্তিত্বৰ আটাইবিলাক দিশ সমানে বিকশিত নহয়।

৪। বৰ্ত্তমান পাঠ্যক্ৰম ছাত্ৰছাত্ৰীক জীৱন সংগ্ৰামৰ বাবে প্ৰস্তুত কৰি তুলিব নোৱাৰে। এই পাঠ্যক্ৰম কৃতকাৰ্য্যতাৰে শেষ কৰাৰ পাছত ছাত্ৰ-ছাত্ৰীহঁত জীৱনৰ সমস্যা সমাধানৰ কাৰণে প্ৰস্তুত হৈ নুঠে। বৰঞ্চ তেওঁলোক নিজৰ সমাজখনতে আচহুৱা হৈ পৰে। কাৰণ তেওঁলোকৰ জ্ঞান সমাজত অপ্ৰয়োজনীয়। ফলত এনে শিক্ষাব্যৱস্থাই ছাত্ৰ-ছাত্ৰীক প্ৰতাৰণা কৰি নিবনুৱাহে সজায়। গতিকে নিবনুৱা সমস্যাৰ অন্য এটা কাৰণ হ'ল "জীৱনৰ লগত সংগতিহীন পাঠ্যক্ৰম"।

৫। বৰ্ত্তমান পৰীক্ষাৰ ওপৰত অধিক গুৰুত্ব দিয়াটো শিক্ষা ব্যৱস্থাৰ অন্য এটা দোষ। অভিজ্ঞতা অৰ্জন নকৰাকৈয়ে শিক্ষাৰ্থীয়ে পৰীক্ষাৰ দেওনা পাৰ হৈছে। পাঠ আহৰণৰ প্ৰয়োজনীয়তা অনুভৱ নকৰি অন্যান্য অসৎ উপায়েৰে শিক্ষাৰ্থীয়ে পৰীক্ষাত কৃতকাৰ্য্য হৈ শিক্ষাব্যৱস্থাক কলংকিত কৰাৰ লগে লগে আত্মপ্ৰৱঞ্চনা কৰি নিবনুৱা সাজে।

৬। বৰ্ত্তমান শিক্ষা ব্যৱস্থাৰ অন্য এটা আঁসোৱাহ হৈছে পৰীক্ষা পদ্ধতিৰ কেৰোণ। অভিজ্ঞতাহীন শিক্ষকক টকাৰ বিনিময়ত নিযুক্তি দিয়া হয়। এনে শিক্ষকে প্ৰশ্নোত্তৰৰ বহী সঠিক ভাৱে মূল্যায়ন কৰিব নোৱাৰে। ফলত মেধাৱী ছাত্ৰ-ছাত্ৰীও কেতিয়াবা সু-ফলাফলৰ পৰা বঞ্চিত হয়। এনে দুৰ্ভাগ্যজনক ঘটনা এতিয়া চলি আছে। ছেমেষ্টাৰ পদ্ধতি নথকা বাবে এটা দীঘল পাঠ্যক্ৰমৰ জ্ঞান স্মৰণ কৰি পৰীক্ষাত সুফল লাভ কৰিব নোৱাৰি।

এইবোৰৰ বাহিৰেও আকৰ্ষণহীন, বেছি পৰিমাণে বিষয়কেন্দ্ৰিক, স্মৰণ শক্তিত অধিক গুৰুত্ব দিয়া পাঠ্যক্ৰমৰ বাবে বৰ্ত্তমান শিক্ষাব্যৱস্থা নানা সমস্যাৰে জৰ্জৰিত। আমাৰ আলোচিত বিষয় হৈছে "অসমৰ শিক্ষাব্যৱস্থা আৰু নিবনুৱা সমস্যা।" প্ৰসঙ্গ ক্ৰমে উল্লেখ কৰিব পাৰি যে জনশক্তিৰ চাহিদালৈ লক্ষ্য ৰাখি শিক্ষাব্যৱস্থা গঢ়ি তুলিবলৈ সক্ষম নোহোৱাৰ বাবে অসমত আজি অসংখ্য শিক্ষিত নিবনুৱা সৃষ্টি হৈছে। প্ৰযুক্তি বিদ্যা, চিকিৎসা বিজ্ঞান, কৃষি বিজ্ঞান, আইন, শিক্ষক প্ৰশিক্ষণ আৰু সধাৰণ শিক্ষাৰ কাম নোপোৱাকৈ থকা ডিগ্ৰীধাৰী নিবনুৱাসকল বিদ্ৰোহৰ একোটা অগ্নিস্ফুলিংগ স্বৰূপ।

গতিকে সকলো দিশ চালি জাৰি চাই নিবনুৱা সমস্যা সৃষ্টিৰ বাবে প্ৰধান কাৰণ হিচাপে এইটো উল্লেখ কৰিব পাৰি যে ঃ—

১। নিয়োগৰ বাবে যিমান সংখ্যক ব্যক্তি লাগে তাতকৈ বেছি ব্যক্তিৰ উৎপাদন কৰাটো।

২। শিক্ষিত ব্যক্তিসকলে নিজৰ আৰ্জিত শিক্ষাই দিব পৰাতকৈ আনকি এখাপ তলৰ কাম গ্ৰহণ কৰাটো মৰ্য্যদা হানিকৰ বুলি ভবাটো নিবনুৱা সমস্যাৰ অন্য এটা উল্লেখযোগ্য কাৰণ। "লাগিলে নাখায়েই মৰিম, তথাপি এনে কাম কৰি মৰ্য্যাদা হানি নকৰো দেই।" এনে এটা মনোভাৱৰ বশৱৰ্ত্তী হৈ বহুতো ছদ্মবেশী নিবনুৱা বহি আছে। দৈহিক কষ্ট কৰিবলৈ বৰ্ত্তমান শিক্ষিত নিবনুৱা অনিচ্ছুক। প্ৰত্যেককে লাগে চকীত বহি কলমৰে লিখা কাম কৰিবলৈ। এনে মনোভাৱ গঢ়ি উঠাৰ ফলস্বৰূপে

কিছুমান পৰ্য্যয়ত বহুতো পদ খালি হৈ থকা দেখিবলৈ পোৱা যায়, যদিও বহুতো-নিবনুৱা এনেয়ে বহি থাকে।

৩। তৃতীয়তে বহুতো শিক্ষিত চিকিৎসক, প্ৰযুক্তিবিদ আদিয়ে নগৰ এৰি গাওঁ অঞ্চলত কাম কৰিবলৈ অনিচ্ছুক। শিক্ষিত নিবনুৱা সমস্যা দূৰ কৰিবলৈ হ'লে শিক্ষাব্যৱস্থাই কামৰ চাহিদাতকৈ বহুত বেছি শিক্ষিত ব্যক্তি উৎপাদন নকৰি, বিভিন্ন পৰিবেশত আৰু বিভিন্ন কামত মকৰল হবৰ বাবে এক সুস্থ মনোভাৱ শিক্ষাৰ্থীৰ মনত সৃষ্টি কৰিব পাৰিব লাগিব।

নিবনুৱা সমস্যাৰ ভয়াবহ ৰূপ নিয়ন্ত্ৰণ কৰিবলৈ হ'লে বৰ্ত্তমান শিক্ষাব্যৱস্থাত কৰ্মমুখী শিক্ষানীতি প্ৰচলন কৰিবই লাগিব।

ইয়াৰ উপৰিও বিদ্যালয়সমূহত ছাত্ৰ-ছাত্ৰীৰ নামভৰ্ত্তিকৰণৰ সময়ত সীমিত সংখ্যাৰ আসন ৰখা দৰকাৰ। তেতিয়া নিয়োগৰ সময়ত সমস্যাৰ সৃষ্টি নহয়।

নিবনুৱা সমস্যা দূৰ কৰিবৰ বাবে বৰ্ত্তমান চৰকাৰে নানা শিল্পানুস্থান গঢ়ি তুলিছে। এইবোৰত শিক্ষিত যুৱক-যুৱতীয়ে অংশ গ্ৰহণ কৰিলে দেশৰ তথা নিজৰো উন্নতি হ'ব। অনা-চৰকাৰী, অৰ্দ্ধ-চৰকাৰী শিল্পানুস্থান আদি গঢ়ি উঠাত চৰকাৰে নানা ঋণ বেংকৰ যোগে দিয়ে। এনে অনুদান, সাহায্য গ্ৰহণ কৰিব লাগে। কেৱল চৰকাৰী চাকৰিলৈ আশা কৰি বহি নাথাকি কৃষিকৰ্মৰ প্ৰশিক্ষণ গ্ৰহণ কৰি শিক্ষিত নিবনুৱাই উন্নত পদ্ধতিৰে, বিজ্ঞানসন্মত ভাৱে জীৱিকা নিৰ্বাহ কৰিব জানিলে নিজৰ লগতে দেশৰো মঙ্গল হ'ব। প্ৰতিবছৰে যাতে লাখ লাখ নিবনুৱা সৃষ্টি হ'ব নোৱাৰে তাৰ কাৰণে পৰিয়াল পৰিকল্পনাৰ যোগেদি জন্ম নিয়ন্ত্ৰণ কৰি ক্ৰমবৰ্দ্ধমান জনসংখ্যাৰ হ্ৰাস কৰিব লাগে। নিৰক্ষৰ জনসাধাৰণৰ মাজত স্বাক্ষৰতা প্ৰদান কৰা আৰু নাৰী শিক্ষাৰ আৱশ্যকতাৰ বাবে সচেতনতা প্ৰদান কৰাত চৰকাৰৰ লগতে শিক্ষিত যুৱক-যুৱতীৰো নিশ্চয় ভুমিকা আছে। কিয়নো নাৰীক শিক্ষা দিলে সেই শিক্ষা নিশ্চিতভাৱে উত্তৰ পুৰুষে লাভ কৰিব পাৰিব।

শিক্ষানীতিৰ ব্যৰ্থতাৰ বাবেই হয়তো আজি অসমৰ নিবনুৱা সমস্যাই এক বিপুল সম্ভাৱনাৰ অপমৃত্যু ঘটাইছে। কৰ্মহীন মানুহৰ মানসিক প্ৰতিক্ৰিয়া অতি ভয়ঙ্কৰ। বিনিয়োগ হিচাপে অসমৰ শিক্ষাব্যৱস্থাই সফলতা লাভ কৰিব পৰা নাই। এজন ছাত্ৰ বা এগৰাকী ছাত্ৰীয়ে জীৱনৰ এক দীৰ্ঘতম সময় শিক্ষাগত অৰ্হতাৰ কাৰণে খৰছ কৰিব লগা হয়। প্ৰাক্ প্ৰাথমিক বিদ্যালয়ৰ পৰা আৰম্ভ কৰি বিশ্ববিদ্যালয়ৰ শিক্ষালৈকে এক বুজন পৰিমাণৰ ধন ব্যয় কৰিব লগা হয়। শিক্ষানুস্থানত দিব লগা মাহিলী ফিজ, কিতাপ-পত্ৰ, নিজাকৈ লব লগা সা-সৰঞ্জাম, কাগজ পেন্সিল, চিয়াহী আদি যাবতীয় বস্তুৰ খৰছ, শিক্ষানুস্থানলৈ অহাযোৱা কৰিবৰ বাবে চাইকেল, গাড়ী আদিৰ খৰছ, ইউনিফৰ্মৰ খৰছ ইত্যাদিৰ বাহিৰেও অন্যান্য খৰছ থাকেই। শিক্ষানুস্থানত ভৰ্তি নোহোৱা হ'লে অন্য কামত এই ধন খটুৱাব পৰা গ'লহেতেন। তেতিয়া হয়তো পৰোক্ষ ভাৱে ধন উপাৰ্জন কৰি পৰিয়ালক সাহায্য কৰিব পাৰিলেহেতেন। শিক্ষাৰ শিতানত ব্যয় হোৱা ধনলৈ চাই প্ৰত্যেক ছাত্ৰ-ছাত্ৰীকে একোটা উপাৰ্জনৰ পথ অত্যন্ত প্ৰয়োজন। কিন্তু কেৱল চাকৰিলৈ আশা কৰি নিবনুৱা হৈ বহি নাথাকি নিজে বা সংঘবদ্ধ ভাৱে স্বনিয়োজনক্ষম আঁচনিত আত্মনিয়োগ কৰিব লাগে।

গতিকে শিক্ষাব্যৱস্থাৰ উদ্দেশ্য হ'ব লাগে প্ৰকৃত আৰু সম্পূৰ্ণ শিক্ষা প্ৰদান কৰা। কাৰণ প্ৰকৃত আৰু সম্পূৰ্ণ শিক্ষাই মানুহৰ অন্তৰত যিমানবোৰ উচ্চ-সজ্জ প্ৰবৃত্তি নিহিত হৈ থাকে এইবোৰক সৎ উপায়েৰে উৎকৰ্ষ সাধন কৰি মানুহক সকলো কামৰ কাৰণে সমাজৰ কল্যাণ সাধন কৰি সৰ্বাংগ সুন্দৰ জীৱন যাপনৰ উপযোগী কৰি তোলে।

বৰ্তমান অসমৰ শিক্ষাব্যৱস্থাৰ আঁসোৱাহ সমূহ দূৰ কৰিলে আৰু পৰিকল্পিত ভাৱে নানা কাৰ্য্যপন্থা হাতত ললে অসমৰ নিবনুৱা সমস্যাৰ ভয়াবহ পৰিস্থিতিৰ পৰা হাত সাৰিব পাৰ যাব আৰু লগতে নিশ্চয় এখন সমৃদ্ধিময় সুখময় অসম গঢ়াৰ স্বপ্ন বাস্তৱত পৰিণত হ'ব।

⊠ ⊠ ⊠

# দুটি কবিতা

—অধ্যাপিকা কুসুম ফুকন,
শিক্ষা বিভাগ

(১)

মম জ্বলি জ্বলি শেষ হৈ গ'ল
ধূপৰ ধোঁৱাও বিলীন হৈ হ'ল
মই মাথো বহি আছো অকলশৰে
বহু অমানিশা উজাগৰে।
অ' নিয়তি।
কিয়নো ভাঙিলা দুখুনীৰ পঁজা
কপাল কৰিলা উকা
ভাষা নাই নাই
অপূৰ্ণ হৃদয়
এতিয়া মোক ধৈৰ্য্য দিয়া।
..................................

ইমান ভয়াবহ সকৰুণ ক্ষণ
নীৰৱে সহিছোঁ মই
জীৱন নাটৰ যৱনিকালৈ
মাথো বাট চাই ৰ'ই।
মম জ্বলি জ্বলি শেষ হৈ গ'ল
তথাপি নাহিল চিকুণ প্ৰভাত
নীৰৱে টুকিছো চকুৰ পানীবোৰ
কাৰো যে নাই সঁহাৰি তাত
এতিয়া মোক ধৈৰ্য্য দিয়া।।



(২)

তোমালোকে কটাইছা
উমাল নিশা
মদ আৰু বৰ্বৰতাই জীপাল কৰা
ক'লা টকাই কৰিছে মত্ত
অহঙ্কাৰী অভদ্ৰ নিশাবোৰ
এনেকৈয়ে পাৰ কৰিছা
মাথোন কামনাৰ ৰঙা জবা হৈ।
সভ্যতাই তোমালোকক
নিনিয়ে পোহৰলৈ বাট দেখুৱাই
গৈ থাকা মাথো আন্ধাৰলৈ
আন্ধাৰহে ভাল।
কিন্তু। দৰিদ্ৰতাৰ যন্ত্ৰণাই চেপি খুন্দি মোক
কৰিছে বিহ্বল নে উন্মনা
দুখৰ ৰাতি নুপুৱাই
অমানিশা ঘোৰ অন্ধকাৰ
সাৰটি জীয়াই আছোঁ
ভাবিছো নিষ্ঠুৰ কামাতুৰ ৰাতিবোৰ
শেষ হ'লেই
সভ্যতাই আদৰি ল'ব।
আৰু তোমালোকে?
উমাল নিশাকেই সাৱটি
অহংকাৰত উফন্দি
থাকিবা জীয়াই—
আমিও থাকিম
তোমালোকৰ প্ৰতিদ্বন্দ্বী হৈ।।

⊠ ⊠ ⊠

# দুটি গীত

—মৈত্ৰী গগৈ
স্নাতক দ্বিতীয় বাৰ্ষিক (কলা)

(১)

ভমকাফুলীয়াকৈ
মনৰে সপোন আঁকি
ঐ চেনাই আহিবি বিহুতে
দিম তোকে বিহুৱান পিন্ধাই,
ভমকাফুলীয়াকৈ ॥

ঢোলৰ মাতে ৰাইজাই কৰে
মন মোৰ কাঢ়ি নিয়ে
ঐ চেনাই শুন নে নাই
মনৰে মৰমে তোকেহে ৰিঙিয়াই
ভমকাফুলীয়াকৈ ॥

ৰাতি দুপৰত নিজান বননিত
কুহু-কুহু কৰি গীত গাই যায়
কপৌ, নাহৰ ফুলিব
তোৰ আগমনত মোৰ চোতালত
সুগন্ধ পাইছ নে নাই
ভমকাফুলীয়াকৈ ॥



(২)

নিৰিবিলি এই গধূলিৰ জোন
আছো যে বৈ অকলে সোণ
পাওঁ বা তোমাৰ সঁহাৰি
সেই আশা বুকুত বান্ধি,
নিৰিবিলি এই গধূলিৰ জোন

হিয়াৰ বুকুৰ মৰমখিনি
দিম যে তোমাকেই আপোন বুলি
বাট চাওঁ তোমালৈ
বুকু ভৰা মৰমকে লৈ,
নিৰিবিলি এই গধুলিৰ জোন।

মনত পৰে তোমালৈ
কত অশ্ৰুৰ পৰিলে ওৰ
মাথো ৰওঁ তোমাৰ বাবে
আজি মই নীৰৱে
নিৰিবিলি এই গধূলিৰ জোন।

☒ ☒ ☒

# আঘোণ

—দীপালী দুৱৰা ফুকন
স্নাতক ৩য় বাৰ্ষিক



আঘোণ আকৌ আহিল
আহিল আৰু গ'ল।
আঘোণৰ পথাৰত ফুলিলনে এইবাৰ
সেউতী, মালতীৰ তেজাল হাঁহিৰ চম্পাকলি?

সোণালী শস্যৰে পথাৰ সম্ভৱা
তথাপি কিয় জানো উৰুঙা উৰুঙা।
ঘিলা চকলীয়া মুঠিত জিলিকে কেৱল
হতাশ আৰু হতাশ।

কালৈনো চপাইছ ডাঙৰী অ' ভদীয়া?
ঘৰৰ আপাটি দেখোন সৈনিকৰ জেলত।
সোণালী মাহী.............
কালৈনো খুন্দিবি চিৰা পিঠা আৰু
বৰা চাউলৰ সান্দহৰ লাৰু?

গিৰিপ্ গাৰাপ্ সেইয়া আৱাজ।
খহিল নে পথাৰত একোটি ধ্ৰুৱ তৰা
আঘোণৰ পথাৰ ৰাঙলী কৰি।

সোণসেৰীয়া হাঁহি ক'ত লুকাল এইবাৰ
ভঁৰালত সোমাল কাকতী ফৰিং।
মাণিকী মধুৰী জহাৰ তলত
সেইয়া দেখোন আখেয়া গোম।

সময় যে এতিয়া বিষণ্ণ, উদ্বিগ্ন।
আঘোণৰ পথাৰত সেইয়া কিহৰ ৰিং?
মহাজনৰ ভেৰোণীয়াই বধিলে কাবোবাক।

সৌজনী দেখোন জেতুকী বাই
এমুখ তামোলেৰে ৰাঙলী ওঠত
জিলিকিছে দেখোন দংশনৰ দাগ।

এৰা, এতিয়া চাৰিওফালে হাহাঁকাৰ।
হত্যা, ধৰ্ষণ আৰু অনিশ্চয়তাই
এতিয়া আঘোণৰ শাশ্বত হাঁহি।

এতিয়া আৰু আঘোণৰ পথাৰত
সোণালী শস্যৰ মেটমৰা বোজাৰ
জিৰিক জাৰাক শৱদ অদৃশ্য হ'ল
দেহি ঐ এই যে আঘোণ
অপ্ৰত্যাশিত আঘোণ।
আঘোণে মাৰিলে সেমেকা হাঁহি।

☒ ☒ ☒

# উপলব্ধি

—দীপালি দিহিঙ্গিয়া
স্নাতক ২য় বাৰ্ষিক, কলা



মইতো নহয় কবি
তুলিকাৰে আঁকিবলৈ
তোমাৰ জীৱনৰ অমৰ ছবি।

কবি মই নহয়, হয়তো নহ'মো কাহানিও
তথাপি তোমালৈ লিখিছিলো
মোৰ দুখৰ ছন্দ উপমাৰ
শিল - বালি ইটাৰে গঢ়া
দুৰ্ভগীয়া জীৱনৰ চুৰ্ণবিচুৰ্ণ নক্সা।

এধানিমান প্ৰয়াস মোৰ
জীৱনৰ চকুলোকে ৰঙৰ ৰূপত
এখনি ছবি অংকিত কৰা
তোমাৰ হাতৰ তুলিকাৰ স্পৰ্শত।

অন্তৰত নাই মোৰ
কল্পনাৰ বিশাল জগত
নোৱাৰো হ'ব সুখী
তোমাৰ জীৱনৰ অময়া সুখত।



নাই মোৰ শকতি
আকাশৰ জিক্‌মিকনিৰে তৰা
আৰু স্বৰ্গৰ সৌন্দৰ্য্যৰে
অপৰূছবি আঁকি
কবি হোৱাৰ যোগ্যতা অৰ্জনৰ।

আৰু, নাই মোৰ শকতি
হাঁহি আৰু কান্দোনেৰে
দুদিনীয়া সুখেৰে
জীৱনটোক অভিনয়েৰে প্ৰস্ফুতিত কৰাৰ।

সেয়ে বন্ধু,
নকবা পুনৰ তুমি ঘৃণা কৰোঁ বুলি
মোৰ কবিতাৰ পাণ্ডুলিপি।

এধানি সুখৰ মাজত তুমি দিয়া দুখৰ বাবেই
আজি নিগৰিছে এই কবিতাৰ জুৰি।

☒ ☒ ☒

# দৰিদ্ৰতা

—ৰীতামণি বৈৰাগী
স্নাতক তৃতীয় বাৰ্ষিক

দৰিদ্ৰতা মোৰ আজন্ম চিনাকী
সেই চিনাকিতে লুকাই আছে
মোৰ ককা, আইতা
আৰু মোৰ আই,
ভাতৃ ভগ্নীৰ ভোকাতুৰ মুখ।

মলিন বস্ত্ৰেৰে সিহঁতে
সোমাব খোজে ক্লাৱ ঘৰত
নাচৰ উন্মাদনাৰ বাবে নহয়
এমুঠি পেলনীয়া আহাৰৰ
অন্বেষণত।

ময়ো সিহঁতৰেই সহযাত্ৰী
সিহঁতৰ সঙ্গী হৈ ময়ো যাওঁ
হোটেল, ৰেষ্টোৰা, ক্লাৱঘৰলৈ।

⊠ ⊠ ⊠





# নিসংগতাত তোমাৰ প্ৰেম

—দ্বিতিমণি দত্ত
স্নাতক ২য় বৰ্ষ (কলা)

নিস্তব্ধতাত ভাহি অহা,
মোৰ উশাহৰ কোমল শব্দত,
মই উমান পাওঁ তোমাৰ আগমনৰ।
বতাহে কোবাই যোৱা,
চুলিৰ স্পৰ্শত
মই অনুভৱ কৰো তোমাৰ পৰশ।
হাতেৰে খেপিয়াই চালো, উমানতে,
কিজানিবা ধৰি ৰাখিব পাৰোৱেই
তোমাৰ প্ৰেমৰ পৰশ।
যোৱা বেলি ফাগুণত,
তুমি মোৰ কাণে কাণে
কৈ যোৱা কথাষাৰ
মোৰ এতিয়াও মনত আছে,
"তুমি মোক বিচাৰিবা
নিসঙ্গতাৰ আঁৰত।"

⊠ ⊠ ⊠

# প্ৰতিশ্ৰুতি

মানবী বৰপাত্ৰগোহাঁই
স্নাতক প্ৰথম বৰ্ষ (কলা)

আঘোণৰ ঘন কুঁৱলীৰ মাজে মাজে
গতি কৰিছো মই অসীমলৈ
প্ৰতিটো নিয়ৰৰ টোপালে
মোক স্পৰ্শ কৰিছে।
আকাশখন পৰিস্কাৰ নহয়, মেঘাছন্ন
জোনটোক অকলে এৰি থৈ আহিছো
তৰাবোৰকো দেখা নাই।

শব্দবোৰ পলাই ফুৰিছে
ভাষাবোৰ শিল হৈ পৰিছে
নিজেই নাজানো আন্ধাৰ
মোৰ বাবে যে কিমান ভয়ানক।

এতিয়া আন্ধাৰে মোক আকৰ্ষণ কৰিছে
এৰাতি তয়ে ময়ে আন্ধাৰত কটালে
শিপাবোৰ ওপৰলৈ গতি নকৰে।

⊠ ⊠ ⊠






# নিবনুৱা

জিতামণি বৰা
স্নাতক ১ম বাৰ্ষিক

বাঢ়িছে ভাৰতত শিক্ষিত নিবনুৱা,
সমাধা কৰিব কোনে?
শিক্ষিত অশিক্ষিতৰ নলয় কোনেও মতামত
বিচাৰ কৰিব কোনে?
যিমানেই বাঢ়িছে নিবনুৱাৰ সংখ্যা
কমিছে কৰ্মস্থান।
বৰ্তমান যুগ নহয় শিক্ষাৰ
হৈছে ধনতন্ত্ৰৰ যুগ ।।
কৰ্মস্থানৰ ওপৰত টকা দি নিবনুৱাই
কৰিছে উপভোগ।
ভাৰত চৰকাৰে নিবনুৱা সমস্যা
সমাধ্যন কৰাটো কয় ।।
তথাপি নিবনুৱাৰ নহয় সংস্থা
টকাৰ অভাৱ হয়।
সেয়েহে নিবনুৱাই কৰ্মস্থান নাপ
অস্ত্ৰ ধৰিব লগা হয় ।।

⊠ ⊠ ⊠

# অনুভৱ

নিজৰা মিলি
একাদশ শ্ৰেণী, কলা

জীৱনৰ একা-বেকা পথত
তোমাক যে পাইছিলো লগ অচিন ঘাটত
নোৱাৰো বুজাব তোমাক হৃদয়ৰ ভাষা
তাতে যে লুকাই আছে কত বেদনাৰ হা-হতাশা।

মৰুময় মোৰ পৃথিৱীত সখী
তুমি কবিতাৰ মাথো একোটি সুঁতি
তোমাকে লৈ মই কবিতা লিখো
তোমাৰ নামেই মোৰ কবিতাৰ শব্দৰ বিন্যাস।

সময়ৰ সোঁত সময়ত বিলীন হৈ যাব
তুমিও চাগে বিলীন হৈ যাবা সময়ৰ সোঁতত মিলি
জীৱন নদীৰ সোঁতত
কাৰোবাক পোৱা যায়
কোনোবা হেৰাই যায়
এয়াই চাগে জীৱনৰ চিৰন্তন ৰীতি।**

⊠ ⊠ ⊠





# সাম্প্ৰতিক

দীপাঞ্জলি হাজৰিকা, বি, মিউজ
স্নাতক প্ৰথম বৰ্ষ (কলা)

বুকুৰ পৰা বুকুলৈ যোৱা সকলোবোৰ পথেই
এতিয়া ৰুদ্ধ হৈ গৈছে নতুবা কন্টকাকীৰ্ণ হৈ
পৰিছে
কিম্বা বৰ বেয়াকৈ খহি পৰিছে।

এতিয়া যাওঁ বুলিও যাব নোৱাৰি
প্ৰিয়জনৰ কাষলৈ
ফুল তৰা গানৰ বাতৰি লৈ।

এতিয়া নতুনকৈ পথবোৰ গঢ়ি তুলিবৰ সময়
প্ৰেম, মানৱতা, বিশ্বাস, একান্ত অন্তৰঙ্গতাৰ
নিষ্পাপ উপাদানৰ সমাহাৰেৰে।

বুকুৰ পৰা বুকুলৈ যোৱা
সকলো পথেই যে এতিয়া খহি পৰিছে
চৰম শঙ্কা, সন্দেহ, অবিশ্বাস আৰু
বিশ্বাসঘাটকতাৰে।।

⊠ ⊠ ⊠

# সেই অনুভূতি

—শ্ৰীনন্দিতা গগৈ
স্নাতক তৃতীয় বৰ্ষ

প্ৰতিবাৰতে দেউতাৰ পৰা মণিঅৰ্ডাৰৰ টকাকেইটা পাই ভাবো চাৰ্ট-পেণ্ট এযোৰ চিলোৱাম। পিছ মূহুৰ্ততে আকৌ এসোপা গধুৰ চিন্তাই মনটো জুমুৰি দি ধৰেহি। লাইব্ৰেৰীৰ পৰা অনা দুষ্প্ৰাপ্য কিতাপকেইখন জেৰক্স কৰাবলৈ আছে, দুখনমান কিতাপ আনিবলৈ আছে, আনহাতে হোষ্টেলত থকা-খোৱাৰ খৰছ দুই-এদিনতে দিব লাগিব—ইত্যাদি নানা সমস্যা। গতিকে নতুন চাৰ্ট-পেণ্ট লোৱাৰ আশা সিমানতে অন্ত পৰে। এম, এ, পঢ়িবলৈ আহি অনুভৱ কৰিছো এটা লৰাক সৰুৰে পৰা পঢ়াই-শুনাই গঢ়ি তুলিবলৈ কিমান অৰ্থৰ প্ৰয়োজন। দেউতাই প্ৰায় প্ৰতিখন চিঠিতে লিখে—"বাপু, অলপ চাই-চিতি চলিবি, ঘৰখনৰ ফালেও চাব লাগে নহয়।" মই নুবুজা নহয়। দেউতাৰ মাষ্টৰী চাকৰিয়ে ছয়-সাতটা মানুহক পোহ-পাল দিয়াটো মুখৰ কথা নহয়। গতিকে যিমান পাৰো মিতব্যয়ী হৈ চলিবলৈ চেষ্টা কৰোঁ। কেতিয়াবা মাজে মাজে লগৰ লৰাৰ লগত দুই-এপইচা স্ফুৰ্তি-বাজ কৰোঁতে যায় সচাঁ, সেয়া আৰু লেখত লবলগীয়া নহয়। ঘৰৰ পৰা বাহিৰত পঢ়িবলৈ আহিছো যেতিয়া দুই-এপইচা বেচি খৰছ হ'বই। সেইবুলি দেউতাৰ প্ৰাইমেৰী স্কুলৰ মাষ্টৰীৰ দৰ্মহাৰ টকাকেইটাৰ মূল্য মই নুবুজা নহয়।

দেউতাৰ অদম্য স্পৃহা মই এম, এটো পাছ কৰি ঘৰখন চলাবৰ কাৰণে কিবা এটা উপাৰ্জনৰ পথ লওঁ। মোৰ দৰেই দেউতাই এদিন ককাইদেউৰ ওপৰত ভৰসা কৰিছিল, সি ভাল হ'ব, পঢ়ি-শুনি দেউতাৰ মুখ উজ্জ্বলাব। তাক গুৱাহাটীত পলিটেকনিক পঢ়িবলৈ পঠাইছিল। পঢ়া-শুনা বুদ্ধি-বৃত্তি সকলোতে সি তীক্ষ্ন আছিল। কিন্তু ভৱা কথা নহয় সিদ্ধি, বাটত আছে কণা বিধি। দেউতাৰ আশাক জলাঞ্জলি দি সি চহকী লোকৰ ঘৰজোঁৱাই হ'লগৈ। এই কথাই দেউতাৰ সন্মানত বাৰুকৈয়ে আঘাত সানিলে। তেতিয়াৰে পৰা ককাইদেউ ঘৰত ভৰি দিবলৈ অহা নাই। দেউতাই ককাইদেউৰ পাছত বাইদেউ মানে মোৰ 'অজুবা'ৰ ওপৰত আশা কৰিছিল। তাইক ভালদৰে পঢ়াই-শুনাই সু-পাত্ৰত গটাব। তাইক ঘৰৰ পৰা দূৰত হোষ্টেলত ৰাখি পঢ়িবলৈ পঠাইছিল। এদিন দেউতাৰ আশাত চেচাঁপানী ঢালি 'অজু বা' এজন মিলিটাৰী অফিচাৰৰ লগত বিবাহ পাশত আৱদ্ধ হ'ল। দ্বিতীয় বাৰৰ কাৰণে দেউতাৰ আত্মসন্মানত চৰম আঘাত লাগিল। তেওঁ গেঙেৰি মাৰি উঠিছিল,—"উস নিজে নাখাই-নবই তহঁতক খুৱাইছিলো, পিন্ধাইছিলো, দেউতাৰৰ মৰ্য্যদা বুজি নাপালি, এইখন ঘৰত মই থাকো মানে তহঁতৰ ভৰি পৰিবলৈ নিদিওঁ"। মোৰ দুখ লাগিছিল দেউতাৰ দৰে উদাৰ ঋষি সদৃশ এজন পিতৃৰ সন্তান হৈ তহঁতে এনেহে কৰিলি। গাঁৱৰ মানুহে দেউতাক বুজনি দিলে। কিন্তু দেউতা নিজ মতত অলৰ-অচৰ। এবাৰ 'না' কৰাৰ লগে লগে আনকি মায়েও দেউতাৰ মুখত মাত দিবলৈ সাহ নকৰে। দুটাকৈ সন্তানৰ শোকত জৰ্জৰিত মায়ে সেইকেইদিন শিল পৰা কপৌৰ দৰে আছিল। আৰু দেউতাৰ পৰা লুকাই চুৰকৈ চকুপানী টুকিছিল। ককাইদেউ আৰু বাইদেউৰ প্ৰতি দেউতাই যিমান কঠোৰ দৃষ্টিভঙ্গী নলওক কিয়, মই সিহঁত দুটাক পাহৰিব পৰা নাছিলো। সদা হাস্যময়ী 'অজু বাইদেউ' জনীয়ে যেন দেউতাৰ কঠোৰ শাসনৰ পৰা মুক্ত বিহঙ্গৰ দৰে ফুৰিবলৈকে ঘৰ পৰা আঁতৰি গৈছিল—মই তেনেদৰেই ভাবিছিলোঁ। দেউতাৰ অজ্ঞাতে মই তাইৰ লগত চিঠিৰ আদান-প্ৰদান কৰিছিলোঁ।

এবাৰ প্ৰিভিয়াচ পৰীক্ষা দি ঘৰলৈ গলোঁ। মা উধাতু খাই ওলাই আহিছিল। মই পলকতে লক্ষ্য কৰিলো মাৰ কপালৰ আগৰ চুলিকেইডালে সোণালী বৰণ লৈছে। দেউতাই শাকনিত ইটো-সিটো খুচৰি আছিল। ভণ্টি নমি আৰু মমিয়ে মোক চাহ-জলপানেৰে বেচ আপ্যায়ন কৰিলে। সিহঁত দুজনীয়েও ফ্ৰকৰ ঠাইত

চুৰিদাৰ পিন্ধিবলৈ লৈছে। ভাইটিয়েও হাফ্ পেণ্টৰ সলনি আজিকালি লংপেণ্ট পিন্ধিবলৈ লৈছে। 'অজু বাইদেউ' এইখন ঘৰত থাকোঁতে মই হোষ্টেলৰ পৰা আহিলে ঘৰখনত এক উৎসৱ মুখৰ পৰিবেশ বিৰাজ কৰিছিল। কিন্তু আজিকালি যেন ঘৰখনত সেই প্ৰাণচঞ্চলতা নাই। বাইদেউৰ লাৱনী হাতৰ পৰশত ঘৰখনৰ প্ৰতিটো বস্তুৱেই যেন সজীৱতা পাইছিল। বাৰান্দাৰ টাবকেইটাৰ ফুলকেইপাহিয়েও যেন হাঁহি আছিল। দেউতাৰ মলিয়ন ধুতিখন শুভ্ৰ আছিল। ৰাতি ভাত-পানী খাই উঠি দেউতাই মোক কৈছিল—"বাপু, তোৰ ওপৰতে মোৰ সকলো ভৰসা। দুজনী ভনীয়েৰ আৰু সৰু ভায়েৰেও তোলৈ আশাৰে বাট চাই আছে।" কথাবোৰ কৈ দেউতাই নিৰ্বিকাৰভাৱে শূন্যলৈ চাই ৰৈছিল। দেউতাৰ কথা শুনি মোৰ এনে লাগিছিল যেন দেউতাই এই মুহূৰ্ততে এইখন ঘৰৰ পৰা চিৰদিনৰ কাৰণে আঁতৰি যাব। মনটো কিবা গধুৰ গধুৰ লাগিছিল।

পিছদিনা পুৱাতে দেউতাক কলেজীয়া বন্ধু এজনৰ ঘৰৰ পৰা আহোঁগৈ বুলি কৈ বাইদেউৰ ঘৰলৈ ৰাওনা হ'লো। মই যোৱা দেখি বাইদেউ উধাতু খাই ওলাই আহিছিল। তাইৰ বগা ঢকঢ়কীয়া কপালখনত ৰঙা সেন্দুৰৰ ফোটটো প্ৰভাতী সুৰুযৰ দৰে দগ্‌মগ্‌কৈ জিলিকি আছিল। প্ৰথমতে তাই মোক দেখি হুকহুকৈ কান্দি উঠিছিল। তাৰ পাছত সুস্থ হৈ ঘৰৰ আটাইৰে খা-খবৰ ল'লে। মই তাইৰ হাতত ধৰি ক'লো 'অজু বা', তই নতুন ঘৰখনত হাঁহি মাতি থাকিবি, দেউতাৰ ক্ষোভ ভাগিলে এদিন আকোৱালি ল'ব।' আহিবৰ সময়ত ভিনিদেৱে কৈছিল—"বাপুকণ, মাজে সময়ে আমাৰ খা-খবৰ কৰি থাকিবা। আমিতো তোমালোকৰ ঘৰলৈ যাব নোৱাৰো।" বাইদেউ, ভিনিদেউক সুখে-দুখে খা-খবৰ লোৱাৰ প্ৰতিশ্ৰুতি দি সেইদিনা ঘৰলৈ উভটিছিলো। মনটো ভাল লাগিছিল অজুবাই নতুন ঘৰখনত হাঁহি-মাতি আছে।

বাইদেউৰ ঘৰৰ পৰা অহাৰ পিছদিনাই হোষ্টেললৈ গুচি আহিছিলো। মনত অনবৰতে এটা গধুৰ বোজা কঢ়িয়াই লৈ ফুৰাৰ দৰে লাগিছিল। তাৰ পাছত পঢ়া-শুনাত একান্ত মনে লাগিছিলো। তাৰ মাজতে অজু বাৰ পৰা এখন চিঠি পালো—"বাপুকণ, তই ছাগে ভাবিছ মই এই ঘৰখনত হাঁহি-মাতি আছোঁ। কিন্তু মানুহৰ হাঁহিবোৰ জানো চিৰযুগমীয়া? ভিনিদেৱৰক লৈ মোৰ চিন্তা। তেওঁ মোলৈ চিঠিত প্ৰায়ে লিখে—'সৈনিকসকলে যেতিয়াই-তেতিয়াই জীৱনক লৈ সংগ্ৰাম কৰিবলগীয়া হয়।' তই পাৰিলে এইবাৰ ঘৰলৈ আহোতে মোৰ ওচৰলৈ আহিবিচোন।" বাইদেউৰ চিঠিখন পঢ়ি পুনৰ মনটো গধুৰ গধুৰ লাগিল। তাইলৈ অতি চমুকৈ লিখিলো—"অজু বা, তই বেচি চিন্তা কৰি নাথাকিবি। জীৱনটো যি দৰে পাইছ সেইদৰে গ্ৰহণ কৰিবলৈ শিক। তেতিয়া তই হাঁহিব পাৰিবি। এইবাৰ ঘৰলৈ গলে তোৰ ওচৰলৈ যাম।" এইদৰে 'অজু বা'ৰ লগত সকলো প্ৰকাৰৰ যোগাযোগ মই ৰাখিছিলো। দেউতাৰ পৰা হঠাৎ এখন চিঠি আহিল। "বাপুকণ, আজি অলপ দিনৰ আগতে নমিক চাবলৈ এজন লৰা আহিছিল। ল'ৰাঘৰৰ ছোৱালী পচন্দ হৈছে। গতিকে তোৰ লগত মোৰ কিছু কথা পাতিব লগা আছে। পাৰিলে দুই-এদিনতে ঘৰলৈ এবাৰ আহিবি।" ঘৰলৈ নাযাওঁ বুলি ভাবিছিলো যদিও দেউতাৰ পৰা চিঠিখন পাই যোৱাটোকে ঠিক কৰিলো। পিচদিনা পুৱাতেই হোষ্টেলৰ পৰা ঘৰলৈ ৰাওনা হ'লো। পদুলিৰ নঙলা খুলি সোমাই গৈ আছো তেনেতে সৰু ভণ্টি মমি আৰু ভাইটিয়ে মোক আগবঢ়াই নিলেহি। গধুৰ এৰিষ্ট্ৰকেটটো হেকেৰ-পেকেৰকৈ ভাইটিয়ে ডাঙি নি ভিতৰ সোমালে। ঘৰৰ বাৰান্দাত ভৰি দিছো ডাঙৰ ভনী নমি ওলাই আহিল। তাই আগৰ চুৰিদাৰবোৰ এৰি মেখেলা চাদৰ পিন্ধিছে। ককাললৈকে পৰা দীঘল চুলিটাৰি আৰু লাজুক দৃষ্টিৰে নমিজনীক বৰ মৰম লাগিছিল। নমি আৰু মমিয়ে মোক আগতে কোনোদিন নহা অতিথিৰ দৰে আপ্যায়ন কৰিলে। মায়ে মোৰ ওচৰতে বহি মোৰ খা-খবৰ ল'লে। মাৰ কথা-বতৰাৰ আদব-কায়দা, ভণ্টিহঁতৰ খোজ-কাটলৰ গতি দেখি মোৰ এনে লাগিছিল যেন পূৰ্বৰ মৰিশালিময় ঘৰখনে যেন পুনৰ প্ৰাণ পাই উঠিছে। ৰাতি দেউতাৰ সতে মায়ে মোক একেলগে ভাত বাঢ়ি দিলে। দেউতাই খোৱাৰ মায়ে মোক ক'লে—"বাপু মোৰ ৰিটায়াৰমেণ্টৰ কথা তইটো গম পাৱ। কেৱল ছটা মাহ আছে, গতিকে

এজনী ভনীয়েৰক উলিয়াই দিব পাৰিলে তোৰেই দায়িত্ব কিছু লাঘৱ হ'ব। তাতে ছোৱালী লহ-পহকৈ বাঢ়ি আহিছে, ঘৰত ৰাখি থব নোৱাৰি। মই কথাটোৰ সিদ্ধান্ত অকলেই ললোঁ। তই কেনে দেখ? দেউতাৰ কথাত বিশেষ 'হা' 'না'একো নকৰিলো। এনেতে ভাবিলো দেউতাই তেন্তে নমি, মমিৰ দায়িত্ব মোক সঁচাকৈয়ে এদিন দিছিল। দেউতাই পুনৰ ক'লে— "বাপু, তোৰ মতামত মোক জনা।" মই চমুকৈ ক'লো— "বেয়া নেদেখো"। দেউতাই এইদৰে নমিৰ বিয়াৰ বিষয়টো লৈ মোক ইমান কথা সোধাত মোৰ নিজকে এজন দায়িত্বশীল অভিভাৱকৰ দৰে লাগিল। মই চোৰৰ দৰে দেউতালৈ চালোঁ—এইকেইদিনত দেউতাৰ মূৰৰ চুলি আৰু ওঠৰ ওপৰৰ চুটি চুটি নোমবোৰে সোণালী বৰণ লৈছে।

ভাত-পানী খাই উঠি মোৰ ৰুমলৈ বুলি গলো। দৈনিক পেপাৰখনত চকু ফুৰালো। বাতৰি শিৰোনামাত, "দুজনমান সৈনিকক গুলিয়াই হত্যা কৰা হ'ল"। এইবিলাক ঘটনাই মোৰ মনত কোনো প্ৰতিক্ৰিয়াৰ সৃষ্টি নকৰে। সৈনিকক হত্যা কৰাটো কোনো না-ভূত না-শ্ৰুত ঘটনা নহয়। নিত্য-নৈমিত্তিক ঘটি থকা এটা সাধাৰণ ঘটনা। মোৰ কেতিয়াবা মনত ভাৱ হয় আমিবোৰ বাৰু সঁচাকৈয়ে বৰ অনুভূতিহীন হৈ পৰিছো নেকি? এৰা, নিজকেনো কেনেকৈ কওঁ যে মোকো যুগৰ বতাহে অনুভূতিহীন হৈ পৰিবলৈ বাধ্য কৰা নাই বুলি। তেনেতে মা মোৰ কোঠালৈ সোমাই আহিল। মায়ে মোৰ শিতানৰ মূৰত বহি মূৰটো পিহি দিলে। তাৰ পাছত কোনো ভুমিকা নোহোৱাকৈ আৰম্ভ কৰিলে— "লৰাজন বৰ বেয়া নহয়, বাগানৰ এছিছটেন্ট মেনেজাৰ। ঘৰখন ভাল, তই নিজেও এবাৰ চাই আহিবিগৈ। তাইক এইবাৰ উলিয়াই দিব পাৰিল তোৰো বহু দায়িত্ব কমি আহিব। হঠাৎ কিবা মনত পৰাৰ দৰে মায়ে ক'লে— "অ' অজুৰ কিবা খবৰ পাইছিলি নেকি?" মই কেৱল মূৰ দুপিয়ালো। এটা সময়ত মা মোৰ ৰূমৰ পৰা ওলাই আহিল। পুহমহীয়া হাড় কপোৱা জাৰত লেপখনৰ তলত কুচিমুচি সোমাই পৰিলো। বাহিৰত কেৱল নিয়ৰ টোপালবোৰে সাৰে থকাৰ উমান দিলে।

পিছদিনা শুই উঠি দেউতাক বন্ধু এজনৰ ঘৰৰ পৰা আহোঁ বুলি কৈ বাইদেউৰ ঘৰলৈ ৰাওনা হলো। সমগ্ৰ বাটটোত কেৱল 'অজু বা'ৰ চিৰহাস্যময়ী মুখখন ভাহি উঠিল। মনতে ভাবিলো তাই চাগে এতিয়া হাঁহি আছে। এইদৰে ভাবি আহোঁতে কেতিয়ানো গন্তব্য স্থল পালো গমেই নাপালোঁ। অজু বাহঁতৰ পদূলিৰ নঙলাডাল খুলি মই সোমাই গ'লো। ঘৰখনৰ পৰিবেশটো অস্বাভাবিক ধৰণে গহীন যেন লাগিল। আনদিনৰ দৰে অজু বা হাঁহি-মাতি উধাতু খাই মোৰ ওচৰলৈ অহা নাই। কিবা সমগ্ৰ পৰিবেশটোৰেই বিসংগতিপূৰ্ণ যেন লাগিল। লাখুটিডালত ভৰ দি বুঢ়াজন ওলাই আহিল। মোক ড্ৰইং ৰূমত বহিবলৈ দি তেৰোঁ মুঢ়া এটাত বহিলে আৰু এটা দীঘল হুমুনিয়াহ পেলালে। সেই সময়ত বুঢ়াজনক মোৰ প্ৰাচীন যুগৰ কোনোবা ঋষি যেন লাগিল। 'অজু বা' নাইনেকি বুলি সুধিব খোজোতেই বুঢ়াই আৰম্ভ কৰিলে—"বাপুকণ, প্ৰতিকুল সময়ৰ লগত সংগ্ৰাম কৰি কৰি বহুজন সৈনিকে মৃত্যুক সাৱটিব লগা হয়। এদিন বা দুদিনৰ পিছত সিহঁতৰ মৃত্যুৰ বাতৰিয়ে বাতৰি কাকতৰ শিৰোনামা দখল কৰে। কোনোবা মন্ত্ৰী, এম, এল,এই শোক প্ৰস্তাৱ আগবঢ়ায়। মানুহৰ মুখত বো-বা চলে। কিন্তু তাৰ পাছত? সেই মৃত সৈনিকহঁতৰো যে একোটা পৰিয়াল থাকিব পাৰে তাৰ খতিয়ান কোনে ৰাখে? মানুহে ভাৱে সিহঁত সৈনিক, সিহঁত মানুহ নহয়। স্বাৰ্থপৰ, পৃথিৱীৰ সকলো মানুহেই স্বাৰ্থপৰ হৈ পৰিছে। কাৰো সুখ-দুখত খবৰ ল'বলৈ কাৰো অৱকাশ নাই। তুমিতো আধুনিক যুগৰ শিক্ষিত লৰা, তোমাৰ মনতো এনে কথাবিলাকে কোনো প্ৰতিক্ৰিয়াৰ সৃষ্টি নকৰেনে? এই প্ৰশ্নৰ উত্তৰ দিয়া বাপুকণ"। বুঢ়াৰ কথাই মোৰ মনত এক ভয়ৰ সঞ্চাৰ কৰিলে। ঘৰখনত যেন কিবা এটা গুৰুতৰ অঘটন ঘটি গ'ল। মোৰ মনটো ৰহস্যময় আৰু উৎসুক হৈ পৰিল। অস্ফুট স্বৰেৰে মোৰ মুখৰ পৰা ওলাই আহিল 'অজু বা' ক'ত ? বুঢ়াই কোনো কথা নোকোৱাকৈ মোকহাতেৰে নিৰ্দেশ দি নিজে আগবাঢ়ি গ'ল। পিচফালৰ মুকলি ঘৰটোত সিফাললৈ মূৰ কৰি আউলি বাউলি চুলিৰে অজু বা বহি আছে। কোনো সাৰ-সুৰ শব্দ নোহোৱাকৈ তাই বহি আছে। মই তাইৰ

(শেষ অংশ ২৬ পৃষ্ঠাত )

# দুঃস্বপ্ন

—কৃষ্ণা বৰুৱা
স্নাতক দ্বিতীয় বাৰ্ষিক (কলা)

নাম তাইৰ সুষমা। আনদিনাৰ দৰে সিদিনাও তাই পুৱাৰ নিত্য-নৈমিত্তিক কামখিনি কৰি চাহকাপ খাই পঢ়াৰ টেবুলত বহিছে মাত্ৰ। এনেতে হকাৰে দি যোৱা বাতৰিখনৰ ওপৰত তাইৰ চকু পৰিল। বাতৰিখন হাতত লৈয়ে তাই এক অজান আশংকাৰ মৃদু শিহৰণ অনুভৱ কৰিলে।

সুষমা স্নাতক তৃতীয় বৰ্ষৰ ছাত্ৰী। কলেজীয়া জীৱনৰ আৰম্ভণিতে সুষমাৰ জীৱনলৈ এচপৰা ক'লা ডাৱৰ নামি আহিছিল। পৃথিৱীৰ প্ৰতিজন মানুহৰে জীৱনত 'প্ৰেম' নামৰ এই শব্দটোৱে এবাৰলৈ হলেও ঝংকাৰিত কৰি তোলে। প্ৰেমৰ স্বৰূপ অবুজ আৰু অস্পষ্ট। সাধাৰণতে প্ৰেম সদায় নিঃস্বাৰ্থ হ'ব লাগে। যি প্ৰেমত স্বাৰ্থ থাকে সেই প্ৰেম কাৰোবাৰ ক্ষেত্ৰতহে স্থায়ী হ'ব পাৰে, কিন্তু কাৰোবাৰ অন্তৰত হয়তু এই প্ৰেমে নিষ্ঠুৰভাৱে দোলা দি আঁতৰি যায়। সুষমাৰ ক্ষেত্ৰতো ঠিক এনেই হৈছিল। তাইৰ অনাগত জীৱনৰ সোণালী সপোনবোৰ বাস্তৱত ৰূপায়িত হোৱাৰ আগতেই সকলোবোৰ ইচ্ছা, কামনা নিমিষতে ধূপৰ ধোঁৱাৰ সতে সুদূৰ দিগন্তত বিলীন হৈ গ'ল।

সুষমাই কলেজীয়া জীৱনৰ প্ৰাৰম্ভণিতে খুউব সজাগতাৰে খোজ চলাইছিল। কিন্তু তাৰ মাজতো যেন তাইৰ অজানিতে ক'ৰবাত কিবা ভুল হৈ গৈছিল। সেই কলেজৰে ছাত্ৰ মৃন্ময়ৰ লগত এদিন তাইৰ চিনাকি হৈছিল। এই চিনাকি প্ৰথমে 'বন্ধুত্ব'ৰ মাজতহে আবদ্ধ আছিল। দিন বাগৰি যোৱাৰ লগে লগে সিহঁতৰ এই বন্ধুত্বই 'প্ৰেম' নামৰ এই দুৰ্বিসহ শব্দটোৰ মাজত সোমাই পৰিল। কালৰ সোঁতত সিহঁত এনেধৰণে পৰিৱৰ্তন হ'বলৈ ধৰিলে যে এটা সময়ত পৰস্পৰে পৰস্পৰৰ এদিনৰ অনুপস্থিতিতে কিবা এক অস্থিৰতা অনুভৱ কৰে।

সুষমাৰ এজনী বান্ধৱী আছিল, নাম শীতলা। দুয়োজনীৰ মাজত বান্ধৱীসুলভ অন্তৰঙ্গতা ইমানেই বেছি আছিল যে পৰস্পৰে পৰস্পৰৰ মাজত মনৰ কথাবোৰ খুলি কোৱাত অলপো কৃপণালি নকৰিছিল। মৃন্ময় অতি সৎ চৰিত্ৰৰ লৰা আছিল। সময়ত সুষমা আৰু শীতলাৰ বান্ধৱী সুলভ মনোভাৱৰ মাজত ক'লা এখনি চামনি পৰিছিল। অৰ্থাৎ সুষমা আৰু মৃন্ময়ৰ মাজত হোৱা প্ৰেমক শীতলাই ভাল চকুৰে চাব পৰা নাছিল। সিহঁতৰ এই প্ৰেমত শীতলা হেঙাৰ স্বৰূপে থিয় দিলে। শীতলাৰ মাথো এটায়ে চিন্তা কেনেদৰে, সিহঁত দুটাৰ মাজত এক সন্দেহৰ বীজ ৰোপন কৰি তাই নিজকে সুষমাৰ ঠাইত প্ৰতিষ্ঠা কৰিব পাৰে। অৱশ্যে এই ক্ষেত্ৰত তাই বিশেষ কষ্ট কৰিব লগা নহ'ল। অতি কম সময়ৰ ভিতৰতে মৃন্ময়ে সুষমাৰ প্ৰতি থকা মৰম, স্নেহ, ভালপোৱা সকলো বিসৰ্জন দি শীতলাক নিজৰ প্ৰেমিকা স্বৰূপে স্বীকৃতি দিলে। মৃন্ময়ৰ এনে কাৰ্য্যত সুষমাই যেন নিজকে বিশ্বাস কৰিব নোৱাৰিলে। তাই হয়তো কেনোদিনেই ভবা নাছিল যে শীতলাই তাইৰ প্ৰতি এনে এটা ভাব পোষণ কৰিব পাৰিব নাইবা মৃন্ময়েই বা তাইক ইমান সহজে মন দাপোনৰ পৰা মোহাৰি পেলাব পাৰিব। তাই কিন্তু মৃন্ময়ক কোনোদিনেই অশ্ৰদ্ধা কৰা নাছিল বা কোনো ক্ষেত্ৰতে সন্দেহো কৰা নাছিল। মৃন্ময় তাইৰ মন আকাশৰ পৰা আঁতৰি যোৱাৰ পাছতো সুষমাই কিন্তু পূৰ্ব্বৰ দৰেই তাইৰ অন্তৰৰ একোণত সুন্দৰভাৱে মৃন্ময়ৰ প্ৰতিচ্ছবি সজীৱ কৰি ৰাখিছিল। তাই কিন্তু তাৰ প্ৰতি কোনো বিদ্বেষ ভাৱ গ্ৰহণ কৰা নাছিল। সেইবাবেই হয়তো মৃন্ময়ে তাইৰ প্ৰতি কৰা এনে ব্যৱহাৰক তাই মাথো ভগৱানৰ আশীষ নিৰ্মালি হিচাপে গ্ৰহণ কৰিছিল।

আনদিনাতকৈ সেইদিনা হোষ্টেলৰ ভাতৰ কাঁহীখন শুৱনি দেখিও তাইৰ মনটো ভাল লগা নাছিল। কিয় জানো তাই ভাবিছিল সেই ভাতৰ মাজতো যেন কিবা এক ৰহস্য ঘনীভূত হৈ আছে।

পুৱাৰ চাহকাপ খাই হাতত বাতৰিখন তুলিয়েই তাই চমকি উঠিল। অজানিতে তাইৰ হাত দুখন কঁপিবলৈ ধৰিলে। তাই নিজৰ চকুকে যেন বিশ্বাস কৰিবলৈ টান পালে। "মটৰ দুৰ্ঘটনাত থিতাতে দুজন যুৱকৰ মৃত্যু"। তাৰে এজনৰ নাম মৃন্ময় শৰ্মা। মৃ - ন্ম - য়। নামটোৰ ওপৰত চকু পৰাৰ লগে লগে তাই চাৰিওফালে অন্ধকাৰ দেখিলে। তাই এক আৰ্ত্তনাদ কৰি উঠিল। লগে লগে তাইৰ সমস্ত শৰীৰ বৰফৰ দৰে চেঁচা হৈ পৰিল। সি তাইৰ জীৱনৰ পৰা আঁতৰি যোৱাৰ পাছতো পুৰণা স্মৃতি ৰোমন্থন কৰিয়ে সান্ত্বনা লাভ কৰিছিল। কিন্তু বৰ্তমান সেইখিনিও সুগন্ধি ধোঁৱাৰ সতে মিলি নিমিষতে অদৃশ্য হৈ গ'ল। বিষাদ আৰু শূণ্যতাৰ মাজত মৰুভূমিৰ দৰে হাঁহাকাৰেৰে ভৰা এক নিঃসঙ্গ বুকু লৈ তাই বৰ্তমান সম্পূৰ্ণ অকলশৰীয়া।

☒ ☒ ☒

(২৪ পৃষ্ঠাৰ শেষ অংশ)

কাষ চাপি গ'লো। গাত ধৰি 'অঞ্জুবা' বুলি চিৎক্াৰ কৰি উঠিলো। তাই মোৰ চকুলৈ চাই পঠিয়ালে। সেই চাৱনিত যেন জুই বৰষিছে। অঞ্জু বা তোৰ কি হৈছে? মই সুধিলো। তাই এক মূহুৰ্ত নিৰ্বিকাৰভাৱে শুন্যলৈ চাই ৰ'ল। তাৰ পাছত কৈ গ'ল—"বাপুকণ, তই আজি কিয় আহিলি? ঘৰখন একেবাৰে উচন্ন হৈ যোৱাৰ পিচতো আহিব পাৰিলিহেতেন। ভিনিদেৱেৰ নাই। গুচি গ'ল। তইঁতে খবৰ এটাকে নকৰিলি। ভালেই কৰিলি। মই ভাবিচিলো তইও আনবোৰ মানুহৰ দৰে আত্মকেন্দ্ৰিক হৈ পৰিবি। এক সুতীক্ষ্ন চাৱনিৰে তাই মোলৈ চাই ৰ'ল। সেই চাৱনি তীব্ৰ ঘৃণা মিশ্ৰিত আৰু সেই চাৱনিৰ পৰা যেন বিদ্ৰোহৰ অগ্নি বিস্ফুৰিত হৈ আহিছে। যাগে যা, দেউতাই খং কৰিব"—কথাষাৰ কৈ তাই হুক্‌হুকাই কান্দি উঠিল। মই একো ক'ব নোৱাৰিলো। নিজকে বৰ অপৰাধী যেন লাগিল।

সেই মুহূৰ্তত দেউতাৰ কঠোৰ আৰু অনমনীয় মুখখন মোৰ দৃষ্টিত কিম্ভূত-কিম্বাকাৰ ৰূপে ভাহি উঠিল।

☒ ☒ ☒




—হামিদা চুলটানা আহমেদ
উচ্চতৰ মাধ্যমিক প্ৰথম বাৰ্ষিক

# এপাহ ফুলৰ সুবাস

—চাজিদা বেগম,
স্নাতক দ্বিতীয় বার্ষিক (কলা)

দোকমোকালিতে মই সাৰ পালো। সদায়েই সাৰ পাওঁ। কাৰণ মা নোহোৱা ঘৰখনত মইয়ে যে সকলো কৰিব লাগে।

অলপ পৰ সাৰে থাকি মই বেৰৰ মাজেদি বাহিৰলৈ চাবলৈ যত্ন কৰিলো। কিজানি ভালদৰে ৰাতি পুওৱাই নাই। কিন্তু বাহিৰলৈ চাওঁতেই মই বৰ ধুনীয়া ছোৱালী এজনী দেখা পালো। আমাৰ ঘৰৰ কাষলৈ কালি আবেলি আহিছে। লগত মাক আৰু চাকৰ-চাকৰণী ভালেমান লৈ আহিছে।

মই জপিয়াই বিচনাৰ কাষৰ খিৰিকিখন খুলি চাই পঠিয়ালো। নাই, কালি অহা মানুহ ঘৰৰ কোনো উঠা নাই। আনকি চাকৰ-চাকৰণীবোৰও। মই ভাবিলো, ডাঙৰ মানুহৰ কথা; ইমান সোনকালে কিয় উঠিব লাগিছে?

ঃ "জান"। ইখন বিচনাৰ পৰা দেউতাই মাত লগালে। "তই উঠিছ নেকি, আই! ভালকৈ পোহৰেই হোৱা নাইচোন।"

ঃ "আৰু নোশোওঁ দেউতা"

মই দুৱাৰ মেলি বাহিৰলৈ ওলাই গ'লো। ৰাতি পুৱালেই বুলিব পাৰি। কিমান কাম কৰিব লাগিব! দেউতাক সকলো যোগাৰ কৰি চাহ জলপান খুৱাই দেখোন দহ বজাৰ অফিচলৈ ভাত ৰান্ধি খুৱাবলৈ সময়ে নাথাকিব। দহ বছৰীয়া ছোৱালী হ'লেও মোৰতো মা নাই যে ঘৰুৱা কাম নকৰিলেও চলিব।

লগে লগে মই সকলো কোঠাৰ দুৱাৰ, খিৰিকিবোৰ মেলি দিলো। পাকঘৰৰ পৰা সোঁতা আনি গোটেই ঘৰটো সাৰিলো। চকী-মেজবোৰ থান-থিত লগাই থৈ খৰি থোৱা ঘৰটোৰ পৰা বাঢ়নী বিচাৰি আনি চোতালখনো সাৰি পেলালো। গা ধোৱাৰ আগতে আকৌ এবাৰ চাই আহিলো কালি অহা মানুহঘৰ উঠিল নে নাই। ক'তা, উঠাই নাই এতিয়াও। মই মনতে কলো, কাতিমহীয়া ৰাতিপুৱাৰ লেপৰ উমটোনো এৰিব লাগে কেলেই?

গা ধুই উঠি তিতা কাপোৰেৰে গোসাঁই ঘৰটো মুচি পেলালো। দেউতা বুঢ়া মানুহ, কিয় কষ্ট কৰিব লাগে? ঘৰটো মুচাৰ পিচত বাহিৰলৈ আহি দেখো ৰাতি পুৱাল। লৰালৰিকৈ কাপোৰযোৰ সলাই গাত স্কাৰ্ফখন মেৰিয়াই ফুলৰ কুকিটো হাতত লৈ আলিবাটলৈ ওলাই গ'লো। পূজাৰ বাবে ফুল আনিবগৈ লাগিব, নহলে এই জাৰতনো বুঢ়া দেউতাই ফুল বিচাৰি যাবনে?

নতুন মানুহঘৰ শোৱাৰ পৰা উঠিছে। খিৰিকি এখনেদি মই চয়া-ময়াকৈ দেখিলো ছোৱালীজনীয়ে গা ধুই উঠি মেলা চুলিৰে প্ৰকাণ্ড আৰ্চী এখনৰ সন্মুখত থিয় হৈ মুখত কিবা-কিবি ঘঁহিছে। অকণমান ভিতৰখন দেখিয়েই মই ভাবিলো বৰ চহকী মানুহ কিজানি! যি খন মটৰত কালি আহিছিল সেইখনো বৰ ধুনীয়া। ড্ৰাইভাৰজনে গাড়ীখন শুকান কাপোৰ এখনৰে ঘঁহি আছে।

ফুল অনা ঠাই ডোখৰৰ ফালে খোজ লৈ মই মনতে ভাবিলো—বৰ ধুনীয়া ছোৱালীজনী। গাটো কেনে নিগোটল, বগা। ছোৱালীজনীয়ে মোৰ ফালে চাই হাঁহো হাঁহোকৈ আছে। বৰ মৰমিয়াল কিজানি।

মই ফুল চিঙিবলৈ সোমাই গলো। ঘৰ নোহোৱা পুৰণি ভেটি এটাৰ আগচোতালত মই সদায় ফুল চিঙো। ঘৰটো আমাৰেই আছিল। যোৱা বছৰ মা মৰাৰ বাবে দেউতাই সেই ঠাই এৰি মনৰ দুখ পাতলাবৰ বাবে নতুন ভেটিটোলৈ উঠি আহিল। পুৰণি ঘৰটোৰ এতিয়া চিন-মোকামেই নাই। হলেও দেউতাই তাৰ পৰাহে ফুল

আনিবলৈ কয়।

ফুলৰ ভিতৰত অনাদৰত নপৰা দুজোপা গোলাপ, হালধীয়া ঘন্টাকৰ্ণ আৰু বগা অপৰাজিতা কেইপাহমান ছিঙি মই নাৰ্জি ফুল চিঙিবলৈ লওঁ। হালধীয়া আৰু ৰঙচুৱা নাৰ্জী ফুলবোৰ মোৰ বৰ ভাল লাগে। নিয়ঁৰে পখালি থোৱা পবিত্ৰ ফুলবোৰ গোসাঁয়ে নিশ্চয় ভাল পাব।

ফুল চিঙি ওলাই আহোতেই আলিটোত ছোৱালীজনীক থিয় হৈ থকা দেখি আচৰিত হৈ গ'লো। ছোৱালীজনীয়ে হাঁহো হাঁহো কৰা মুখখনেৰে মোলৈ চাই আছে। অচিনাকী মানুহ, মোৰ বৰ সংকোচ লাগিল। লাহে লাহে খোজ পেলাই পাৰ হৈ যাব খুজিছিলো।

কিন্তু ছোৱালীজনীয়ে মাত লগালে,

ঃ "ফুল চিঙিলা, ভণ্টি?" মই ৰ'লো। কি উত্তৰ দিম ভাবি নাপাই সেমেনা-সেমেনিকৈ দুই হাতেৰে কুকিটো ধৰি তলমূৰকৈ থাকিলো।

ঃ "এই ফুলবোৰ কাৰ?"

মই বুজিলো ছোৱালীজনীক ফুল লাগে। মই ক'লো, "কাৰো নহয়। আপোনাক লাগে নেকি?"

ঃ ছোৱালীজনীয়ে ক'লে,"নাৰ্জী ফুলবোৰ বৰ ধুনীয়াকৈ ফুলিছে। দেখি মোৰ বৰ ভাল লাগিছে, আহাচোন মোক অলপ চিঙি দিবা"।

ঃ "বলক", মই আগবাঢ়িলো। দেউতাৰ পূজালৈ দেৰি হ'ব পাৰে। কিন্তু মৰমীয়াল মানুহজনীৰ লগত চিনাকি হোৱাৰ লোভ মই সামৰিব নোৱাৰিলো।

মোৰ পাছে পাছে মানুহজনীও নাৰ্জী ফুলৰ মাজত সোমালগৈ। তেওঁ ক'লে, "মই তোমালোকৰ ইয়ালৈ কালিহে আহিছো। ৰাতিপুৱাতে এনেয়ে অলপ ফুৰোঁ। দেখিলো তুমি ফুল চিঙিছা"। মই তেওঁৰ ফালে চাই হাঁহিলো। তেওঁ এপাহ চিঙিবলৈ চেষ্টা কৰিলে। কিন্তু ঠাৰিডাল বেয়া ঠাইত ভগাত গছৰ পৰা এৰাই নাহিল। মই এপাহ চিঙি অতাওঁতে তেওঁ ক'লে "দীঘল দীঘল কৈ ঠাৰিৰে চিঙা ভণ্টি, ফুলদানীত থব লাগিব নহয়। চাওঁ কুকিটো মোক দিয়া, তুমিয়েই চিঙি দিয়া।"

মই কলো, "থাওক নালাগে, মই লৈ থাকিব পাৰিম। মই চিঙি চিঙি দি থাকিম আপুনি লৈ থাকক। পূজাৰ ফুলৰ কুকিটো যাৰে-তাৰে হাতত দিবলৈ ভাল নালাগিল। অশুচি ফুলৰে দেউতাই পূজাই বা কেনেকৈ কৰিব?

মই ফুল চিঙি যাবলৈ ধৰিলো। ছোৱালীজনীয়ে আকৌ সুধিলে—"ইয়াত আগতে কোন আছিল?" মই এইবাৰ আচল কথাটো ক'লো। ছোৱালীজনীয়ে অলপ পৰ মোৰ ফালে চাই থাকিল। মোৰ ভাল লাগি গ'ল।

ঃ ছোৱালীজনীয়ে সুধিলে, "তোমালোকে ফুলেৰে পূজা কৰা নহয়?"

ঃ "হয়"

ঃ "সদায়?"

ঃ "হয়, দেউতাই কৰে।"

ঃ "বেছ, বেছ, পূজা কৰি ভাল লাগে নহয়নে?"

মই কি উত্তৰ দিম ভাবি নপালো। অকল ভাল লাগিলেহে জানো মানুহে পূজা কৰে? কাহানিও গোসাঁই ঘৰ দেখা নাই হবপায়।

ঃ তেওঁ আকৌ ক'লে, "গোসাঁই পূজা নকৰিলেনো কেনেকৈ হ'ব? নকৰিলে পাপ হ'ব নহয়? নকৰাকৈ থাকিব নাপায়।"

ছোৱালীজনীয়ে একো নামাতি হাতৰ ফুলসোপালৈ তৃপ্তিৰে চায়। বৰ এসোপা ফুল হাতত পৰাৰ পাছত ছোৱালীজনীয়ে আনন্দতে মুখখন ফুলৰ মাজত গুজি দিলে। মই হাঁহিলো। পাউদাৰ ঘঁহা মুখখন তিয়াই পেলালে দেহি। দুয়ো ফুলনিৰ পৰা ওলাই ঘৰৰ ফালে খোজ ল'লো।

ছোৱালীজনীয়ে মোৰ ঘৰৰ কথাবোৰ সুধি ল'লে। কোন কোন আছে। পঢ়োনে নপঢ়ো ইত্যাদি, ইত্যাদি।

ঃ শেষত সুধিলে "তোমাৰ নামটো কি?

ঃ মই কলো, "অনু"

ঃ 'ইমান ওচৰতে থাকা যেতিয়া আমাৰ ঘৰলৈ আহিবা দেই। দুপৰীয়া মই মাতি পঠিয়াম কাৰোবাৰ হতুৱাই।"

মই ঘৰলৈ সোমাই গ'লো। মোৰ মনত বৰ আনন্দ লাগিল। চাম চাম বুলি কালিৰে পৰা উচপিচাই থকা ছোৱালীজনীৰ লগত চিনাকিয়েই হৈ গ'ল। আৰু কথা-বতৰাবোৰ ইমান সাদৰী, ডাঙৰ মানুহৰ দৰে ভেম পাতি কথা নকয় দেখোন।

দেউতাই তেতিয়া গা ধুই উঠিছিল। ক'লে "জান অ' দেচোন গোসাঁই ঘৰত চাকিটো জ্বলাই দে"

মই চাকি লগাই দি চাহ-জলপান কৰিবলৈ যো-জা কৰিলোগৈ। দেউতাই পূজাৰ পাছত কাকতখন আধাপঢ়া হওঁতেই মই চাহ আৰু জলপান দি আহিলো। মইও খাই লৈ ভাত ৰন্ধাত লাগিবৰ হ'ল। আনদিনাৰ দৰে কাম-বন কৰি আছো যদিও ছোৱালীজনীৰ কথালৈ মনত পৰি আছিল।

দুপৰীয়া সকলো কাম-বন কৰি আজৰি হৈ মই বাহিৰৰ কোঠাটোত বহি আছো। মোৰ চকু ঘনেপতি নতুন মানুহ ঘৰলৈহে যায়। ছোৱালীজনীয়ে এবাৰ ইফালে গৈছে, এবাৰ সিফালে গৈছে। এবাৰ মাকৰ লগত কিবা কথা পাতিছে। এবাৰ কোনোবা চাকৰ এটাক কিবা কৰিবলৈ কৈছে। এবাৰ আকৌ কিবা কিতাপ এখন লৈ পঢ়িবলৈ ধৰিছে।

মাচুনা বাইক আমাৰ ঘৰলৈ হাঁহি হাঁহি সোমাই অহা দেখিলো। আচৰিত হৈ গ'লো। মই দেখাৰে পৰা আদহীয়া মাচুনা বাইক ঘৰত চাকৰণী কাম কৰা দেখিছো। আজি ভালেমান দিন কৰবাত আছিল। আজিনো ক'ৰ পৰা ওলালহি?

ঃ মই কলো, "কি অ' মাচুনা বাই? ক'ৰ পৰা ওলালিহি?" প্ৰানীৰ পতাত থিয় হৈ মাচুনা বাইয়ে ফপৰীয়া পিকৰাঙী মুখত হাঁহি বিৰিঙাই ক'লে,

ঃ "আহ অনু, আইদেৱে তোক মাতি পঠিয়াইছে।"

অ' আই! মাচুনা বাইয়ে ইয়াৰ মাজতে ছোৱালীজনীৰ ঘৰত কামৰ যোগাৰ কৰিলেই। মাচুনা বাইয়ে তেওঁৰ অনুপস্থিতিত পৰিৱৰ্তন হোৱা ঘটনাবোৰৰ খা-খবৰ ল'লে। মইও ছোৱালীজনীৰ ঘৰৰ আতিগুৰি ল'লো।

ছোৱালীজনী কলিকতাৰ পৰা আহিছে। এতিয়াৰ পৰা ইয়াত থাকিব। বিয়া হৈ গৈছে। গিৰিয়েক আজি গধূলি আহিব। ছোৱালীজনীৰ চাকৰি ইয়াতে। "হাকিম"। বিয়াৰ পাছত এই প্ৰথম ঘৰ কৰিব। মাক ইয়াতে কিছুদিন থাকি ঘৰলৈ (কলিকতালৈ) যাবগৈ। ছোৱালীজনীৰ দেউতাকে কলিকতাত কিবা ব্যৱসায় কৰে।

মই লৰালৰিকৈ ভাল ফ্ৰকটো পিন্ধি চুলিকোছা ভালকৈ লৈ মাচুনা বাইৰ তাগিদাৰত চেণ্ডেলযোৰ ভৰিত খুৱাই ঘৰৰ পৰা ওলাই গ'লো।

সন্মুখৰ আলহী বহা কোঠাটোত ছোৱালীজনীয়ে কিবা কিতাপ এখন পঢ়ি আছিল। ছোফা, আৰ্চীৰ দৰে চকমকীয়া মেজ, টি-পয়, দলিচা পৰা মজিয়া, দামী পৰ্দা, আচবাববোৰ দেখি মোৰ সংকোচ হ'ল। কিন্তু মোক দেখিয়েই ছোৱালীজনীয়ে বহাৰ পৰা উঠি মাত দিলে।

ঃ "অনু"। আৰু ওচৰ চাপি আহি গাত দুহাতেৰে সাবতি ধৰিলেহি। কেনে ধুনীয়া নাম "অনু!" "আহা অনু, ভিতৰলৈ আহা। মা, অনু আহিছে।"

ঃ ছোৱালীজনীয়ে ক'লে, "তোমাৰ ফুলবোৰ চোৱাচোন। পিতলৰ হোৱাটোৰ লগত কেনে বঢ়িয়া লাগিছে। মই সদায় আনিমগৈ দেই তাৰ পৰা।"

মই লাজ লাজ ভাবত মূৰ জোকৰাৰ লগ লগে ছোৱালীজনীৰ মাক সোমাই আহে। পক লোৱা চুলিৰে শান্ত বুঢ়ীগৰাকী মোৰ ওচৰত বহি মোক গাৰ ওচৰলৈ টান মাৰি লয়। তেখেতে সুধিলে—

ঃ "অনু নহয়নে তোমাৰ নাম, ছোৱালীও দেখিবলৈ ভাল। আমাৰ উপমাক হেনো অথনি ফুল দিলা। তাই ফুল লৈ বলিয়া।

মই অলপকৈ হাঁহিলো। মাৰ দৰে গালে-মুখে হাত বুলাই দি তেখেতে মোৰ মালৈহে মনত পেলাই দিলে।

বুঢ়ীগৰাকীয়ে আকৌ ক'লে, "তুমি আকৌ পূজা কৰিবলৈহে ফুল চিঙা। আমাৰ উপমাই আনে টেবুল সজাবলৈ। সেয়া দেখিছা নহয়, পূজা কৰিছে।"

ছোৱালীজনীয়ে ঘোপা চকুৰে মাকৰ মুখলৈ চায়। মাকে হাঁহে, মই একো নুবুজি তলমূৰকৈ ৰৈ থাকিলো। তেখেতে জীয়েকৰ হতুৱাই অনাই থোৱা টফি এসোপা আনি দিলে আৰু গাখীৰ অকণমান খুৱাই মোক ঘৰলৈ পঠাবলৈ কৈ বুঢ়ীগৰাকী কোঠাটোৰ পৰা ওলাই গ'ল।

ছোৱালীজনীয়ে তাৰ পাছত মোৰ লগত বহুত কথা পাতিলে। পঢ়া-শুনা, চিলাই, গান ইত্যাদি। কেক এটুকুৰাৰ সৈতে এগিলাচ গাখীৰ খোৱাৰ পাছত যেতিয়া মই ঘৰলৈ আহিবলৈ ওলালো তেতিয়া ছোৱালীজনীয়ে ক'লে—

ঃ "আকৌ আহিবা দেই অনু, সদায় আহিবা, আৰু গধূলি কেতিয়াবা ওলাবাচোন, একেলগে ফুৰিবলৈ যাম"

ঃ মই ঘৰলৈ গুছি আহিলো।

গোটেই সময়খিনি মোৰ ভাল লাগিল। মানুহবিলাক ইমান মৰমিয়াল। চহকী মানুহ যদিও দুখীয়া মানুহক ঘিণ নকৰে। খুচৰি খুচৰি সকলোবোৰ ঘৰুৱা কথা সুধি লয়, যেন একেবাৰে আপোন মানুহহে।

আৰু নাৰ্জী ফুলবোৰ ইমান আদৰেৰে ফুলদানীত সজাই থৈছে। সঁচাকৈয়ে পিতলৰ হালধীয়া ফুলদানিটোত নাৰ্জী ফুলবোৰ সেউজীয়া জীয়া পাতবোৰেৰে বৰ ধুনীয়া দেখি। আৰু ওচৰৰ ফটোখন......?

বৰ ধুনীয়া মানুহ , কেনে ধুনীয়া হাঁহি থকা মুখখন দেখিয়েই ভাল লগে। তেওঁও কিজানি সমানেই মৰমিয়াল হ'ব, তেখেত উপমাৰ কি হয় বাৰু? ককায়েক কিঁজানি। নহ'লে, অ' হয়, মাকে কিবা পূজা কৰাৰ কথা কৈছিল নহয়? হয়, ককায়েকক মৰমতে ফুল-পাত দি সজাই থৈছে। ককায়েক ভনীয়েকৰ কেনে মৰম দেহি।

দেউতা আহিবৰ হৈছে। মই চাহ-জলপান কৰিবলৈ যাওঁ। কাম কৰি কৰি মই উপমাহঁতৰ কথাকে ভাবি থাকিলো। মই কাণ পাতি থাকো। মটৰৰ মাত শুনিলেই মই বাহিৰলৈ ওলাই যাব লাগিব। কাৰণ গধূলি উপমাৰ গিৰিয়েক অহাৰ কথা।

কিন্তু মই চাহৰ যোগাৰ কৰি থাকোতেই মটৰৰ কাণ তাল মৰা হৰ্ণ বজোৱা শুনি চক খাই লৰ দিলো আগফাললৈ। দুৱাৰদলিৰ পৰা দেখিলো ৰঙা মটৰখন উপমাহঁতৰ ঘৰৰ সন্মুখত ৰৈছেহি; উপমা, মাক আৰু চাকৰ-চাকৰণীবোৰ পদূলিৰ মূৰত উৎসুক হৈ ৰৈ আছে। মই লাহে লাহে উপমাহঁতৰ পদূলিৰ ফালে আগবাঢ়ি গলো।

মটৰৰ পৰা উপমাৰ গিৰিয়েক নামি আহি উপমাৰ মাকক সেৱা কৰিলে। বুঢ়ীগৰাকীয়ে সুধিলে "আহিলা ৰূপম?"

ঃ "হয় মা," ডেকাই হাঁহি ক'লে।

ঃ "উপমা"— উপমাই আগবাঢ়ি আহি গিৰিয়েকক সেৱা কৰিলে। তাৰ পাছত সকলো ভিতৰলৈ সোমাই গ'ল।

ঃ মই অবাক হৈ থাকিলো; ফটোখনৰ মানুহজনেই দেখোন এইজন, তেন্তে এখেতেই উপমাৰ.............

ফুলসোপা তেন্তে উপমাই গিৰিয়েকৰ কাষতে সজাই থৈছিল? উপমাই গিৰিয়েকক পূজা কৰিছিল?

মই তেতিয়াহে বুঢ়ীগৰাকীয়ে কোৱা পূজাৰ কথা আৰু উপমাই খঙৰ চকুৰে মাকলৈ চোৱাৰ অৰ্থটো বুজি পালো।

আৰু তেতিয়াহে মোৰ ভুল ধাৰণাটো ভাগিল যে অকল আমাৰ দৰে সৰু মানুহবোৰেই পূজাৰ ক্ষেত্ৰত আগ্ৰহী নহয়। সৰু-ডাঙৰ, ধনী-দুখীয়া সকলো মানুহৰেই পূজাৰ ক্ষেত্ৰত মতামত একেই।

⊠ ⊠ ⊠

# জীৱনৰ সঁচা ৰং বুটলি

—পাৰুল গগৈ
স্নাতক তৃতীয় বৰ্ষ (কলা)

জীৱনৰ ওখোৰা-মোখোৰা বাটছোৱা অতিক্ৰম কৰোতে বহু সময়ত বহুজনক লগ পাইছো। কিন্তু বিশেষ কেইজনমানৰ বাহিৰে মনৰ স্মৃতি-পটত কোনেও সাঁচ বহুৱাব পৰা নাই। ৰেখাও মোৰ জীৱনৰ বাটত লগ পোৱা পাহৰিব নোৱাৰা এক স্মৃতি। ৰেখাক মই অভাৱনীয়ভাৱে এদিন লগ পাইছিলো। ৰেখাক লগ পোৱাৰ আগতে মোৰ মনে কোনোদিন এজনী সঁচা, সুহৃদয়া বান্ধৱীৰ তাড়না অনুভৱ কৰা নাছিল। কিন্তু তাইক লগ পোৱাৰ পিছত তাইক মোৰ ইমানেই বেছি ভাল লাগিছিল যে তাইৰ সতে বন্ধুত্ব কৰিবলৈ মোৰ মনে পাগলৰ দৰে হাহাকাৰ কৰিছিল। সেয়ে মই তাইলৈ বন্ধুত্বৰ হাত আগবঢ়াইছিলো। ৰেখাইও মোৰ প্ৰস্তাৱ প্ৰত্যাখ্যান কৰা নাছিল। সঁচা আৰু বিশ্বাসৰ ভেটিত সুদৃঢ় হৈছিল আমাৰ বন্ধুত্ব। তাইৰ নদীৰ দৰে তৰংগ তোলা ধুনীয়া হাঁহিটো, তাইৰ স্পষ্টবাদিতা, সকলোবোৰৰ সমাহাৰেই যেন তাইক অপূৰ্ব কৰি তুলিছিল। কল্পনাত নিৰ্জীৱ পদাৰ্থ এটাও সুন্দৰ হৈ পৰে। কিন্তু তাই মোৰ কল্পনা নাছিল, আছিল এক জীয়া বাস্তৱ। তাই মোক কেতিয়াবা খং কৰে, গালি পাৰে। মই বেয়া নাপাওঁ। কাৰণ মৰম-স্নেহ, গালি-শপনিৰ মাজতেই বন্ধুত্ব। তাই মোক সদায়েই উৎসাহ দিয়ে আগবাঢ়িবলৈ। কয়, "অই, তই কিবা লিখিবিচোন"। লিখিবলৈনো কাৰ মন নাযায়? কিন্তু লিখো বুলিলেই জানো কিবা এটা লিখিব পাৰি? তথাপি তাইৰ অনুপ্ৰেৰণাতে মই কেতিয়াবা হাতত কলমটো তুলি লওঁ। হাতত কলমটো তুলি লৈ মই বিমোৰত পৰো। ক'ৰ পৰা লিখিম, কি লিখিম সেইবোৰ ভাবিগুণি একো আঁত-গুৰি নাপাওঁ। কেতিয়াবা ভাবো মানুহৰ জীৱনটোৱেই যেনে একোটা জীয়া গল্প। সেয়ে ভাবিগুণি জীৱনৰ কিছুমান জীয়া ঘটনাকে সন্নিবিষ্ট কৰিলো, য'ত আছে ভালপোৱাৰ এখন জীয়া ছবি, য'ত ভালপোৱাৰ এনাজৰী কটকটীয়া হয় আভিজাত্যৰ দামী আচবাবৰ দ্বাৰা।

কেতিয়াবা মাজে মাজে মোৰ চিন্তাৰ আঁত হেৰাই যায়। মই খুউব অস্থিৰ হৈ পৰো। দুচকুৰ কোণেদি বাগৰি আহে বাধা নমনা তপত লোতকৰ ধাৰ। মই নিজেও নুবুজোঁ, মই কিয় কান্দো! কিয় হেঁকুৰাৰ তীব্ৰ বেদনাত মই চাটিফুটি কৰো। মই আজি অনুশোচনাত ভাগি পৰো। মই জানো, মোৰ বুকুত বেদনাৰ শক্তিশেল মাৰি থৈ আতৰি যোৱা মোৰ বুকুৰ কুটুম জনেও আজি অন্তৰ্দহনত দগ্ধ। মই তেনে এজন লৰাকেই আপোন বুলি সাৱটি লৈছিলো যাৰ কোনো নিজস্বতা নাই। যি উঠা-বহা কৰে কেৱল আনৰ পৰামৰ্শত। যি নিজৰ জীৱনৰ সিদ্ধান্ত নিজাববীয়াকৈ লবলৈকো অপাৰগ। মোৰ দুখ লাগে এইকাৰণে নহয় যে তেওঁ মোক প্ৰবঞ্চনা কৰিলে। মোৰ দুখ লাগিছে এইকাৰণেই যে তেওঁ মোৰ ভালপোৱাক অসন্মান কৰিলে।

এতিয়া প্ৰেমানুভূতি মানে মোৰ বাবে এটা অলীক কল্পনা মাত্ৰ। বিচাৰো এৰি অহা দিনৰ স্মৃতিক মনৰ পৰা মুচি পেলাবলৈ। কিন্তু যিমানেই অতীতক পাহৰিবৰ চেষ্টা কৰো, সিমানেই এৰি অহা দিনৰ স্মৃতিবোৰে মোক জুমুৰি দি ধৰেহি। কেতিয়াবা মোৰ এনে লাগে যেন পৃথিৱীৰ আটাইতকৈ দুৰ্ভগীয়া ছোৱালীজনী মইয়ে। এদিন দীপকে কৈছিল—"হাঁহি-কান্দোনৰ মিলনেইতো জীৱন। দুখ হ'লেও মানুহ জীয়াই থাকিব লগা হয়"। এৰা, দীপকে ঠিকেই কৈছিল। জীৱনৰ কেনোবা এটা পদক্ষেপত পৰাজিত হ'লেই আশাক এৰি দিয়াৰ কাৰণ নাই। "দুখ-সংঘাটক নেওচি জীয়াই থাকিব পৰাজনেই প্ৰকৃত ব্যক্তি"—এই উক্তিৰ সতে আজি মইও একমত। মইও জীয়াই থাকিব খুজোঁ এইখন সমাজতে, যিখন সমাজত সৰু সৰু একো একোটা ভুলো হৈ পৰে অপৰিচিত। যিখন সমাজত বৰ বৰ মুখা পিন্ধা এচামে

সভ্যতাৰ আঁৰত লুকাই ৰাখে এক কুৎসিত অবয়ৱ। আভিজাত্যৰ চকচকীয়া দাপোনৰ আঁৰত লুকাই ৰাখে ঘোৰ কলংক। আত্মসন্মানত আঘাট লাগে বুলি যি একো একোটা জীৱন কৰি তোলে বিষময়, দুৰ্বিসহ। যি খন সমাজে ভালপোৱাটোক বিতৃষ্ণাৰ চকুৰে চায়। মই আজি বুজি নাপাও ভালপোৱা মানেই যদি বেয়া, তেন্তে এই পৃথিৱীত এনে কোনজন লোক আছে যি শুদ্ধ, যি পবিত্ৰ? আজি মই কোনো গ্লানি, অপযশলৈ ভ্ৰূক্ষেপ নকৰো। গান্ধীয়ে ক'বৰ দৰে— "নিন্দাই মোক নীচ কৰিব নোৱাৰে, প্ৰশংসায়ো উচ্চ পৰ্য্যায়লৈ নিব নোৱাৰে, মই যি আছো, সেয়ে থাকিম।"

সিদিনা বজাৰ কৰি ঘৰলৈ ঘূৰোঁতে অবাঞ্ছিত ভাৱে লগ পাইছিলো বেবীক। তাই আছিল মোৰ ল'ৰালি কালৰ বান্ধৱী। কিন্তু সময়ৰ চাকনৈয়াই তাইক লৈ গৈছিল মোৰ পৰা বহু নিলগলৈ। মেট্ৰিক পৰীক্ষা দিয়াৰ পিছতে অগা-পিছাকৈ ঢুকাইছিল তাইৰ মাক আৰু দেউতাক। এই বিশাল পৃথিৱীত মাক-দেউতাক আৰু মোমায়েকৰ বাহিৰে তাইৰ নিজৰ বুলিবলৈ কোনো নাছিল। সেইবাবে তাইৰ মাক-দেউতাক ঢুকোৱাৰ পিছত মোমায়েকে তাইৰ দায়িত্ব লৈছিল। আৰু মোমায়েকৰ সৈতে তাই গুচি গৈছিল গুৱাহাটীলৈ। তাতে তাই পঢ়া-শুনা কৰিছিল। সিদিনা কেইবাবছৰৰ মূৰত লগ পাই তাই পাগলৰ দৰে আহি মোক সাবটি ধৰিছিলহি। তাই হেনো কিবা কাম এটাৰ বাবে মোমায়েকৰ সতে ইয়ালৈ আহিবলগা হ'ল। অনৰ্গলভাৱে কৈ গৈছিল তাইৰ কথাবোৰ। কিদৰে সাধাৰণ এখন গাঁৱৰ পৰা গৈ গুৱাহাটীৰ দৰে এখন মহানগৰীত নিজক খাপ খুৱাই লৈছিল, কি দৰে মোমায়েকৰ আদৰ-যত্নত তাই জীৱনৰ হেঁপাহৰ ৰংবোৰ বুটলি আনিছিল, কি দৰে ৰাজুৰ দৰে এজন অমায়িক লৰাৰ সংস্পৰ্শলৈ আহিছিল, সকলোবোৰ তাই এফালৰ পৰা কৈ গ'ল। মই মাথো তাইৰ মুখলৈ চাই নিৰ্বিকাৰ ভাৱে কথাবোৰ মন দি শুনি গৈছিলো। অহা এপ্ৰিল মাহৰ দুই তাৰিখে হেনো তাইৰ বিয়া ৰাজুৰ সৈতে। ৰাজু গুৱাহাটীৰ কোনাবা এখন কলেজৰ ৰাজনীতি বিজ্ঞানৰ অধ্যাপক। তাইৰ মুখৰ পৰা নিগৰিত কথাবোৰে মোক অভিভূত কৰিছিল। তাইৰ আনন্দ, তাইৰ হাঁহিয়ে মোক ক্ষন্তেকৰ বাবে হলেও অকণ সঁচা হাঁহি দি গ'ল।

যাবৰ সময়ত পুনৰ লগ পোৱাৰ প্ৰতিশ্ৰুতি দি তাই মোমায়েকৰ সতে পুনৰ আঁতৰি গ'ল। মই মাথো তাই যোৱাৰ ফালে ক্ষন্তেক থৰ লাগি চাই ৰলো। মনে মনে ভাবিলো যেন তাইৰ সপোনবুলীয়া জীৱনৰ কোঁহে কোঁহে ভৰি পৰক বাস্তৱতাৰ বিমল কিৰণ।

সিদিনাৰ পৰাই মোৰ মনটো কিবা এক অবুজ তানত ভাগি পৰিছিল। তাইৰ দৰে ময়োতো বিচাৰিছিলো হাঁহিবলৈ। মনে কাৰোবাক আপোন কৰি লোৱাটো জানো পাপ? যাৰ বাবে মই বহুতৰে সমালোচনাৰ পাত্ৰ হ'লো। জোনাকৰ দৰে স্নিগ্ধ পোহৰেৰে মোৰ জীৱনৰ পথটো সজাবলৈ বিচৰাটো জানো ভুল আছিল? কাৰোবাক অন্তৰ দি জানো মই ভুল কৰিছিলো? আজি মোক এইবোৰ প্ৰশ্নই বিব্ৰত কৰি তোলে। কেতিয়াবা সমাজৰ একশ্ৰেণী মানুহক চিঞৰি চিঞৰি কবৰ মন যায়— "তোমালোকে লোকলৈ এটা আঙুলি টোৱাওঁতে তিনিটা আঙুলি কাৰ ফালে ঘুৰি আছে ভালকৈ এবাৰ চোৱাচোন।" কিন্তু নোৱাৰো। এদিন পিংকিয়ে কৈছিল— "লোকৰ কথাত বৰকৈ কাণ নিদিবি। আচলতে কি জান, সমাজত একশ্ৰেণী কাউৰী আছে, যি সদায় ৰমলিয়াই ভাল পায়। আনৰ দোষবোৰ খুচৰি খুচৰি উলিওৱাটোৱেই তেওঁলোকৰ কাম। গতিকে কাউৰীৰ ৰমলনিত মূৰ ঘমাই একো লাভ নাই"। তাই ঠিকেই কৈছিল। সেয়ে কিজানি আগৰ দিনৰ লোক সকলেও প্ৰৱচন এফাঁকি কৈ গৈছে যে "কোৱা যে মৰে কৈ, চৰাই মৰে বৈ"। মইও সেয়ে আজিকালি আলোচনা-সমালোচনালৈ কাণ নিদিওঁ। তথাপিও কেতিয়াবা বেয়া লাগে নিজৰে। নিশাবোৰত নিদ্ৰালুৱে মোক উপলুঙা কৰি আঁতৰি গুচি যায়। টোপনি নহাটো কি এক অসহ্য যন্ত্ৰণা। এনে লাগে যেন এটা নিশা মানে এটা যুগ। যেন সেই নিশাৰ কোনো সমাপ্তি নঘটিবই। সঁচাকৈয়ে

(শেষ অংশ ৩৫ পৃষ্ঠাত)

# শুধৰণি

—শ্ৰীমৈত্ৰী গগৈ
স্নাতক প্ৰথম বাৰ্ষিক (কলা)

টাউনৰ মাজ মজিয়াতে বাস কৰে নীলিম বৰুৱাৰ পৰিয়ালটো। পৰিয়ালটো মানে তেওঁৰ পত্নী আৰু তিনিটি ল'ৰা-ছোৱালী। দুজনী ছোৱালী, সিহঁত ডাঙৰ আৰু একেবাৰে শেষত হ'ল পেটমুছা মৰমৰ একমাত্ৰ লৰাটো। দুয়োজনী ছোৱালীৰ নাম দুটা নীলিম বৰুৱা আৰু চন্দ্ৰনা বৰুৱাই বেচ মিলাই থলে। সুমনা আৰু নয়না, আৰু একমাত্ৰ পুতেকৰ নাম থলে দীপ। বৰুৱা আৰু বৰুৱানীৰ জীৱনকালৰ একমাত্ৰ ভৰসা দীপ। বৰুৱা এটা চৰকাৰী অফিচৰ উচ্চপদস্থ বিষয়া। সুমনা অলপ শান্ত প্ৰকৃতিৰ, তাতে ঘৰৰ ডাঙৰ যে, সকলোৰে পৰা প্ৰথম মৰম পাই ডাঙৰ হৈছে। সচৰাচৰ ঘৰৰ ডাঙৰ সন্তানটি অলপ শান্ত স্বভাৱৰ হয়। নয়না কিন্তু অলপ চতুৰ, তাইও শান্ত, তথাপি সুমনাতকৈ কম। দুয়োজনীৰ মাজত হাই-কাজিয়াও নহয়। কিন্তু একমাত্ৰ ভায়েকৰ লগত নয়নাৰ প্ৰায়ে খকা-খুন্দা, চুপতা-চুপতি হৈ থাকে। ইটোৱে সিটোক জোকাই থাকে আৰু পিচত মৰা-মৰি হয়। দীপক বিশেষকৈ মাকে বেছিকৈ মৰম কৰে। হয়তো নয়নাৰ এইটোতে খং উঠাৰ কাৰণ থাকিব পাৰে। কাৰণ তাইক সৰু বুলি কৰি থকা মৰমখিনি এতিয়া দীপে আদায় কৰিছে। সৰুৰে পৰাই নয়না আৰু দীপৰ মাজত কাজিয়া হৈ থাকিলে মাকক আপত্তি দিলে মাকে কিন্তু নয়নাকহে গালি পাৰে। কয় যে—'‘দীপ এতিয়া সৰু হৈ আছে, সিনো বাৰু কি বুজি পাইছে? তহঁতে ডাঙৰ হৈনো বাৰু কিয় ইয়াৰ সমানে সমানে কাজিয়া কৰ?''—এইষাৰ কথা শুনিলে দীপক আৰু কি লাগিছে, সি চল পাই তেনেকৈ সদায় কাজিয়া কৰে। কেতিয়াবা দুয়োজনী বায়েককে মাৰেও, সি মাৰিলে সিহঁতে দুখো পায়। তেতিয়া খঙৰ ভমকত দুয়োজনীয়ে বিশেষকৈ, নয়নাই তাক গালি-শপনি পৰে। একো কৰিব নোৱাৰি মনে মনে ভাবে, আমাৰ মায়ে বাৰু অকল আমাকেই জগৰীয়া কৰি কিয় গালি পাৰে? দেউতাকেও অৱশ্যে এই ক্ষেত্ৰত মাকক কয়। তাই ভাবে—''ভাইটোকোতো গালি দিব পাৰে। তাক ইমান মৰম কৰে''। এদিন এনেকৈ লাগোতেই নয়নাই খঙতে মাকক ক'লে ''মা, তুমি যে তাক এদিনো গালি নিদিয়া, চাবা সি ডাঙৰ হ'লে কাৰোৱেই কথা নুশুনিব, মূৰত উঠিবগৈ। ই বদনামহে আনিব।'' হয়তো নয়নাই এই কথা অন্তৰেৰে কৈছিল। কাৰণ ডাঙৰ হ'লত এই কথাষাৰ ফলিয়াইছিল।

সময় আৰু বয়স বৈ নাথকে। এটি-দুটি পল কৰি সময়বোৰ বাগৰিল। বৰুৱাৰ অৱসৰ লবলৈ মাত্ৰ এবছৰ আছেগৈ। সুমনা, নয়না দুয়োজনীয়ে B. A. পাছ কৰিলে, আৰু দীপ—সি এতিয়া পঢ়িছে একাদশ শ্ৰেণীত। সিও পঢ়াত অৱশ্যে ভালেই। কিন্তু মাক দেউতাকে ভবাৰ মতে ৰিজাল্ট নহ'ল। বৰুৱানীয়েও ঘৰৰ কাম-কাজ চলাই আছে। সি ডাঙৰ হ'ল যদিও বায়েকৰ লগত কাজিয়া কৰিবলৈ এৰা নাই। মাকৰ পুতেকৰ প্ৰতি মৰম আগৰদৰেই আছে। বাহিৰত কিন্তু দীপ বৰ ভাল। তাতে এতিয়া কলেজৰ পৰিবেশ। ক'তো বাধা নাই। গাত যৌৱনৰ বা বলিছে। মাক দেউতাকে কিন্তু তাক লৈ বহুত সপোন দেখিছে। সি ভালকৈ পঢ়া-শুনা কৰি নাম কৰা চাকৰি কৰিব, বুঢ়াকালত তেওঁলোকৰ একমাত্ৰ ভাৰসা হ'ব। কিন্তু, দীপৰ

এইবোৰত চিন্তা নাই। সি এতিয়া ডাঙৰ হৈ এইটো বুজি পালে যে মাকে তাক অত্যন্ত মৰম কৰে; তাৰ হৈ-আনকি মাকে দেউতাকৰ পৰাও গালি শুনিব পাৰে। ফলত সি যেতিয়াই প্ৰয়োজন হয় মাকৰ পৰা টকা খুজি নি বন্ধুবোৰৰ লগত আনন্দ কৰেগৈ। সি কলেজৰ অফ্ পিৰিয়দত প্ৰায়ে পিঙপিঙাই ফুৰেগৈ। লগৰ বন্ধুবোৰৰ বাইকত ডাবল কৰি ৰাস্তাত যোৱা ছোৱালীবোৰক জোকাই ফুৰে। ঘৰত কিন্তু মাকে এইবোৰ অলপ গম পাইছিল। বুজিছিল যে দীপ লাহে লাহে বৰ বেয়াৰ ফালে গৈছে। সেয়ে, তেওঁ বৰুৱা আৰু জীয়েকহঁতৰ অজ্ঞাতেই তাক গালি দি ভাল হবলৈ কয়, সেইবোৰ বন্ধুৰ লগত নুফুৰিবলৈ কয়। মাকে বুজায়—"তয়েইতো আমাৰ একমাত্ৰ ল'ৰা। তই এনেকুৱা বেয়া হ'লে কেনেকৈ হ'ব? দেউতাৰ ৰিটায়াৰ হ'বলৈ মাত্ৰ এবছৰহে আছে। তই যদি চাকৰি এটা লব নোৱাৰ তেতিয়া হ'লে কি কৰি খাবিগৈ আগলৈ। ইহঁতকটো বিয়া দিব লাগিব।" কিন্তু দীপৰ এইবোৰৰ প্ৰতি কাণ-সাৰ নাই। কথা এষাৰ আছে যি—যেনে কৰে তেনেকুৱাই ফল ভোগে। বৰুৱানীৰ ক্ষেত্ৰতো সেইটোৱেই আজি হৈছে।

সুমনা আৰু নয়নাই দুমাহ মানৰ পৰা টাইপ শিকিছেগৈ ঘৰৰ পৰা এমাইল মান আঁতৰত। বহুত ল'ৰা-ছোৱালী আহে। সিহঁতেও অলপ ঘৰৰ পৰা ওলাই আহি লগৰ জুৰি, ববিতা, কাকলিহঁতৰ লগ পাই আনন্দ পায়। নয়নাই কিন্তু প্ৰায়ে তাই আৰু দীপৰ কাজিয়া লগাৰ কথা উলিয়ায়। কিন্তু সিহঁত দুয়োজনী আচৰিত হয় যেতিয়া সিহঁতৰ লগত জুৰিহঁতেও সেই একেটা কথাই কয়— মাকে সিহঁতৰ ভায়েকহঁতকহে ইহঁততকৈ বেছি মৰম কৰে। তাকহে গুৰুত্ব দিয়ে। তেতিয়া দুয়োজনীয়ে ভাবে পৃথিৱীৰ সকলো মাকেই বাৰু এনেকুৱাই নেকি? পুত্ৰপ্ৰেমত অন্ধ।

নীলিম বৰুৱাই তেওঁ অৱসৰ লোৱাৰ আগতেই সুমনা বা নয়না কোনোবা এজনীক নিজৰ অফিচতেই সোমোৱাবলৈ চেষ্টা কৰি আছে। হয়টো চাকৰি এটা হবগৈ নেকি? তেওঁৰ চিন্তা বহুত। ঘৰ চলাব লাগে, ইপিনে ৰিটায়াৰ হ'ব, ছোৱালী ডাঙৰ হ'ল, ইত্যাদি বহুতো। সুমনাৰ বাবে অৱশ্যে মানুহ এঘৰ আগবাঢ়ি আহিছে। বিয়া হবগৈ ছাগৈ। নয়নাই কেতিয়াবা সেয়ে বায়েকক কয়—"বাইদেউ, তইতো যাবিগৈ, মই বাৰু তেতিয়া অকলে কেনেকৈ থাকিম। দীপৰ লগততো মোৰ অনবৰতে দ্বন্দ লাগিয়েই থাকে। মই বৰ অকলশৰীয়া হৈ যাম।"

দীপ লাহে লাহে অত্যন্ত বেয়া হ'ব ধৰিলে। কলেজৰ ভিতৰৰ বদমাছ ল'ৰাকেইটাৰ লগলৈ আৰু এটা নতুন নাম আহিল—দীপ। সি সঙ্গত পৰি মাজে মাজে মদও খাবলৈ ললে। এদিন দেউতাকে অফিচত পুতেকৰ এই খবৰবোৰ পাই অফিচৰ পৰা তেতিয়াই পোনে পোনে ঘৰলৈ গুচি আহিল। তেওঁ একমাত্ৰ পুতেকৰ এই চৰিত্ৰ স্খলনৰ কথা জানিব পাৰি অন্তৰত বৰ দুখ পালে। ইফালে তেওঁৰ বয়সো হৈ আহিছে। বেছি দুখ সহ্য কৰিব নোৱাৰে। সেয়ে তেওঁ অকলে এটা কোঠাত দৰ্জা জপাই সোমাই থাকিল। তেওঁ অহাৰ সময়ত বৰুৱানীয়ে পাকঘৰত কিবা কাম কৰি আছিল। সেয়ে গিৰিয়েক অহাৰ কথা জীয়েকহঁতৰ পৰাহে গম পালে। তেওঁ কিন্তু কাৰণটো ধৰিব নোৱাৰিলে। মাকে সুধিবলৈও সাহস নকৰিলে।

লাহে লাহে দিনটো বাগৰিল। সন্ধ্যা নামিল। তেতিয়া ছয়মান বাজিছিল। দীপ উভতি অহাৰ অলপ সময়ৰ পাছতেই দেউতাক ৰুমৰ পৰা ওলাই আহি তাক বহিবলৈ কৈ নিজেও বহি ললে। তেওঁ তাক এফালৰ পৰা সৰু ল'ৰাৰ দৰে বুজাবলৈ ধৰিলে। তেওঁ ক'লে—"তইয়েই আমাৰ একমাত্ৰ লৰা। তই বাৰু কিয় আমাৰ নাম নুমুৱাবলৈ আহিলি। মই আজি অফিচত তোৰ কাৰণে কিমান লাজ পাইছো

তই জান নে?” লাহে লাহে বৰুৱাৰ খংটো উঠিহে আহিল। সুমনা, নয়না দুয়োজনীয়ে তেতিয়াহে বুজিলে, “অ’ দেউতাই তেতিয়াহ’লে ইয়াৰ কথাবোৰ কেনেবাকৈ গম পালে। দিয়ক গালি, সিনো এনেকুৱা কিয় হ’ব লাগে?” দীপে মাজে মাজে মাকৰ মুখলৈ চাইছিল। যেন তাক এতিয়া অত্যন্ত সহায়ৰ আৱশ্যক। দেউতাকে সেই সময়ত শোকতে লাহেকৈ কান্দি উঠিছিল। জীৱনত দেউতাকক সিহঁতে আজিয়েই প্ৰথম কন্দা দেখিছে। তেওঁ থুকাথুকি মাতেৰেই এবাৰ কৈ উঠিল—“তই মোক মাৰ যদি মাৰি পেলা, অন্ততঃ লাজ-অপমান পোৱাৰ পৰা বাচিম। জীয়াই থাকিনো কি লাভ?” তেতিয়া মাকেও কান্দি উঠিছিল। তেওঁ কান্দি কান্দি কৈছিল —“ময়েই এইবোৰৰ বাবে জগৰীয়া ময়েই সৰুৰে পৰাই তাক অত্যন্ত মৰম কৰিলো সৰু বুলি, আৰু আজি সি গুৰু-গোসাঁই নমনা হ’ল কিবা এটা কাজিয়া লাগিলেও মই ইহঁত দুজনীকহে গালি পাৰো। সঁচাকৈ নয়নাহঁতে ঠিকেই কৈছিল যে ইয়াক ইমান চল দিব নালাগে। হঠাতে দীপৰ জানো কি হ’ল? সিও কান্দি উঠিলে আৰু ক’লে—“মোক মাফ কৰি দিয়ক দেউতা। দেউতা, মই বৰ ভুল কৰিছিলো। এতিয়াহে মোৰ অনুশোচনা আহিছে। মই এনেকুৱা হ’ব নালাগিছিল। মোক মাফ কৰি দিয়ক, মই আজিৰ পৰা ভাল হম দেউতা। পুতেকৰ অনুশোচনা দেখি মাক, দেউতাকে মনত বৰ শান্তি পালে। মাকৰ সেইটো সময়ত এটা কথাই মনত পৰিছিল, নয়নাই কোৱা কথাটো। — ই এদিন কাৰো কথা নুশুনা হ’ব।...... নয়নাৰো হয়তো একেটা কথাই মনত পৰিছিল। দীপৰ বাবে সেই সন্ধিয়াটোৱেই যেন তাৰ জীৱনৰ গতি সলনি কৰিলে। দীপ পুনৰ আগৰ দৰেই ভাল হৈ পৰিল। সি এতিয়া নিজৰ দায়িত্ব বুজি উঠিল। নতুনকৈ মনত আশা বান্ধি কলেজলৈ যাবলৈ ল’লে। পুতেকৰ এনে পৰিৱৰ্তনত মাক, দেউতাক, বায়েক সকলোৱে ভাল পালে। দীপৰ মনত এতিয়া মাত্ৰ এটাই চিন্তা—কেনেকৈ সি ভালকৈ পঢ়ি-শুনি ভাল চাকৰি কৰি মাক-দেউতাকক সুখত ৰাখিব পাৰে। এতিয়া তাৰ এইটোৱেই একমাত্ৰ চিন্তা।

☒ ☒ ☒

(৩২ পৃষ্ঠাৰ শেষ অংশ)

টোপনিৰ সময়কণেই ছাগে মানুহৰ জীৱনৰ আটাইতকৈ প্ৰশান্তিৰ সময়।

সঁচা প্ৰেমে মানুহৰ জীৱনলৈ কঢ়িয়াই আনে জীয়াই থকাৰ গভীৰ বিশ্বাস আৰু প্ৰত্যয়। কিন্তু যেতিয়াই প্ৰেমৰ মাজত তৃতীয় এজনৰ পৰামৰ্শ লব লগা হয় তেতিয়াই আহি পৰে বিষণ্ণতা, অবিশ্বাস্যতা। জানো কিয় এনে হয়? বিচৰা মানুহজন নাপালে কিয় সুখী হ’ব নোৱাৰি? নাজানো মোৰ বুকুৰ কুটুম জনে মোৰ পৰা কি বিচাৰিছিল? বিচৰাখিনি পালে নে নাই? এইবোৰ প্ৰশ্নৰ কোনো পাৰাপাৰ নাই। ই এটা লানি নিছিগা সোঁত। সেইহে কিজানি কবিয়ে কৈছিল ঃ—

“সুখ সুখ বুলি মানুহ বলিয়া
নেদেখে সুখৰ মুখ
সুখ বিচাৰোতে পাই সংসাৰত
দুখৰ উপৰি দুখ।”

মইও সুখ বিচাৰোতে দুখহে পালো। অতৃপ্ত হৃদয়ক তৃপ্ত কৰিবলৈ গৈ দুখৰ সাগৰৰ মাজত পাৰাপাৰ হেৰুৱাই পেলালো। য’ৰ পৰা দৃষ্টিগোচৰ নহয় স্থিতি লব পৰাকৈ অকণমান ভূমি। সঁচাকৈয়ে এয়েতো জীৱন। তাৰ পৰাই বিচাৰি আনিছো একোঁচ সঁচা ৰং।

☒ ☒ ☒

রস-ৰচনা

# হাঁহি

—শ্ৰীঅঞ্জলী বড়া
স্নাতক প্ৰথম বাৰ্ষিক

নামটো শুনিয়েই হাঁহি উঠিল। ভাবিছে ছাগে, বপুৰাই আন বস্তু এৰি হাঁহিটোক বাচি ল'লে কিয়? ওঁ, এতিয়া এইখিনিতে হাঁহিটো অলপ বন্ধ কৰি ভাবকচোন মই হাঁহিৰ বিষয়ে লিখিবলৈ লোৱাৰ গূঢ়াৰ্থটো কি? নহব বুইছে, এই অমুকীৰ মনৰ তলি ঢুকি নাপাব, মিছা-মিছি সময় নষ্ট নকৰিব, জানেইটো সময় কিমান মূল্যবান? শুনক মইয়েই কওঁ—অৱশ্যে অত্যন্ত গৌৰৱেৰে প্ৰথমতে, ময়েই হ'ম ৰসৰাজ বেজবৰুৱাৰ পিচতে হাঁহিৰ ওপৰত লিখা প্ৰৱন্ধকাৰ; দ্বিতীয়তে সিদিনা আকস্মিক বক্তৃতা প্ৰতিযোগিতাত মোৰ ভাগত পৰিছিল "হাঁহি", পিছে হাঁহিহে থাকিলো বেছি ক'ব নোৱাৰিলো। গতিকে ভাবিলো মুখৰে যি ক'ব নোৱাৰিলো কলমৰে লিখোঁ, আৰু এইয়া লিখিলো। অৱশেষত মানে তৃতীয়তে কওঁ, অৱশ্যে মনে মনেহে দেই, এই অমুকীৰ, মানে হেৰি, কি ক'ম, এই ধৰক আপোনাৰ, নহয়হে মোৰহে প্ৰেমিকজনে পঢ়ি অলপ হাঁহক। পিছে এইটোৱেই মোৰ বৰ ট্ৰেজেডী। অৱশ্যে আজিলৈকে মই প্ৰেমিকজনকে দেখি নাপালো, ক'তনো আছে মোৰ প্ৰেমিকজন? এহ্ বাদ দিয়ক, হাঁহিৰ বিষয়ে লিখিবলৈ গৈ মই বিষয়বস্তুৰ পৰা আতঁৰিব খুজিছো। এতিয়া আহক হাঁহিৰ ওচৰলৈ—হাঁহি কি? হাঁহি এনে এবিধ বস্তু যে যেতিয়াই আমাৰ ৰং-আনন্দ আদি অনুভূতিবোৰ হয় তেতিয়াই হাঁহিৰ উদ্ভৱ হয়। অনুভূতিশীল প্ৰাণী মাত্ৰেই হাঁহে। অৱশ্যে বাঘ, ঘোঁৰাৰ কথা কব নোৱাৰিম দেই, কিয়নো সিহঁতৰ ওচৰলৈ যোৱাৰ দুঃসাহস মই নকৰো। তাতে মই ঘৰৰ বৰ জী, মোৰ ওপৰত ঘৰৰ বহুত আশা। লগতে মোৰ নেদেখা ভাবী বুঢ়া শহুৰ আৰু বুঢ়ী শাহুহঁতৰ আগত মই নতশিৰে জ্ঞাত কৰাওঁ যে আগলৈ মই ডাঙৰ চাকৰি কৰি তেওঁলোকৰ ঘৰখন জাকত জিলিকা কৰি তুলিম বুলি দাবী জনালো। হায় হায়, কি হাড় নাইকীয়া জিভা, মুখত ওলায় কিবা কিবা। হে হৰি, মোৰ ভাবী শহুৰ-শাহুৰহঁতে এতিয়া মোৰ উজ্বল ভৱিষ্যতটো জানি মোক নিবলৈ ঘৰলৈ লাইন নধৰিলই ৰক্ষা।

হাঁহি বিভিন্ন ধৰণৰ আছে—বেকা হাঁহি, মিচিকিয়া হাঁহি, খোলা হাঁহি, কৃত্ৰিম হাঁহি, মুখ টিপা হাঁহি, ইত্যাদি ইত্যাদি। এতিয়া এই হাঁহিবোৰক সিহঁতৰ প্ৰকৃতি অনুসৰি নানা ভাগত ভগাই বিশ্লেষণ কৰোঁ আহক—

প্ৰথমতে বেকা হাঁহিকে লওঁ ঃ— এইটো কেনেকুৱা হাঁহি? এই হাঁহি মাৰোতে মুখখন অলপ বেকা কৰি মাৰিব লাগিব। অৱশ্যে মুখখন যাৰ বেকা সি সদায়েই বেকা হাঁহিকে মাৰে। উদাহৰণ স্বৰূপে ধৰক আমি কিছুমানে কথা পাতি আছো। মই কথাই কথাই "মোৰ মামা S. D. O.", "মোৰ দদাইদেউ ইঞ্জিনিয়াৰ", "সেই ডাক্তৰজন মোৰ পেহাৰ পুতেক' ইত্যাদি ইত্যাদি ওফাইদাং মৰা কথা কৈ আছো। তেতিয়া আন এজনীয়ে মোৰ সন্মুখতে মোৰ কথা শুনি হাঁহিলে বেয়া হ'ব বুলি মোৰ পিচলৈ আহি যিটো হাঁহি মাৰিব সেইটোৱেই বেকা হাঁহি। নহলে আপুনি ধৰক ৰাস্তাইদি গৈ থকা ল'ৰাজাকৰ মাজৰ কাৰোবাক জোকাইছে আৰু সি আপোনাৰ দুঃসাহস দেখি যিটো হাঁহি মাৰিব সেইটো বেকা হাঁহি। বেকা হাঁহিক পেংলাই হাঁহিও বুলিব পাৰে।

দ্বিতীয়তে লওঁ মিচিকিয়া হাঁহি ঃ— এইবিধ হাঁহি আৰু হাঁহিৰ ভিতৰত বৰ সুন্দৰ হাঁহি। একেবাৰে বৰ লায়কৰ হাঁহি। মোৰ নিজৰ প্ৰেমিকজনটো নায়েই,

ধৰি লওক আপোনাৰ প্ৰেমিকে আপোনাক বহুদিন দেখা নাই। সিদিনা হঠাৎ দুয়ো দেখাদেখি হওঁতে যিটো হাঁহি মাৰিলে সেইয়াই হ'ল মিচিকিয়া হাঁহি। অথবা আপোনাৰ সময়ৰ নাটনি, মাত লগাই যাবলৈও সময় নাই, এনে অৱস্থাত আপুনি কাৰোবাক লগ পালে সেই অৱস্থাত তেওঁলৈ চাই যিটো হাঁহি মাৰিব সেইটোৱেই মিচিকিয়া হাঁহি।

তৃতীয়তে লওক মুখ টিপা হাঁহি ঃ— এই হাঁহিটোৱে পিছে বৰ অভাৱনীয় ভাৱে জন্ম লভিলে। জীয়ৰীতে যেতিয়া ছোৱালীবোৰে পোকে-খোৱা দাঁতবোৰৰ বিষত তৎ নাপাই দাঁতবোৰ সৰাই দিব লগা হয় তেতিয়া কৃত্ৰিম দাঁত লগাব লগীয়া হয়। এনেধৰণৰ ছোৱালীবোৰেহে মুখ টিপা হাঁহিক প্ৰাধান্য দিয়ে। গতিকে আপোনালোকে ছোৱালীবোৰে মুখ টিপি হাঁহিলে চুইংগাম একোটাইঁত খাবলৈ দিবচোন। তেতিয়াই আচল ৰহস্য ধৰা পৰিব। অৱশ্যে আগৰ দিনত বোৱাৰীসকলে শহুৰ-শাহুৰহঁতৰ আগত হাঁহিব লগা হলে মুখটিপি হাঁহিব লাগিছিল। আজিকালি আকৌ তাৰ সম্পূৰ্ণ বিপৰীত।

চতুৰ্থতে হ'ল খোলা হাঁহি ঃ— এনেধৰণৰ হাঁহি যি মাৰিব পাৰে তেওঁলোকৰ পেটত কিন্তু ময়লা নাথাকে। এইবোৰ হাঁহি খুউব তেওঁলোক চিধা-চাধা মানুহ। জোৰেৰে হঁহা হয়, একেবাৰে হাঃ হাঃ হাঃ। এইবোৰ মানুহৰ হাঁহি শুনিলে এমাইলমান দূৰৰ মানুহেও ওলটি চাবলৈ বাধ্য হয়। বৰ জমোৱা কথা ওলালে এনেধৰণৰ হাঁহি শুনা পোৱা যায়। ৰমেশ চিল্পীৰ "চোলে"ত গহবৰ সিঙে মৰা খোলা হাঁহি।

পঞ্চমতে কৃত্ৰিম হাঁহি ঃ— এইবোৰ হাঁহি প্ৰকৃত হাঁহি নহয়, কাৰোবাক তোষামোদ কৰিবলৈ বা কাৰোবাৰ পৰা কিবা আদায় কৰিবলৈ এই হাঁহি মৰা হয়। প্ৰায়ে এইবোৰ হাঁহি একোটাইঁত "পজ্" লগাই হঁহা হয়। সুবিধাবাদী মানুহবোৰেহে এইবিধ হাঁহি মাৰে।

এই হাঁহিবোৰক বিভিন্ন ধৰণে ভাগ কৰিব পাৰি। তাৰ কেইটামান হাঁহি মই দেখুৱাই দিলো। বাকীবোৰ নিজেই বিচাৰ কৰি চালেই ধৰিব পাৰিব। আচলতে এই হাঁহিবোৰ ভীষণ মাৰাত্মক। হাঁহিৰ লগত অন্তৰৰ সম্বন্ধ আছে। যেনে ধৰক, প্ৰেমিকে মৰা হাঁহিত আপোনাৰ বুকু হমহমায়, কাৰোবাৰ মতে চমচমাই যায়, নহয়নে? হাঁহিক লৈ মোৰ সিদিনা বৰ পয়মাল হৈ গ'ল, বুজিছে। সিদিনা মানে হকী খেল হৈছিল। তাকো হ'ল লেডীজ হকী খেল দেই। এৰোনো কেনেকৈ? আমাৰ কলেজৰ পৰা অলপ আগলৈ বৰ্ডিং খেল পথাৰত স্ত্ৰী-পুৰুষৰ দলদোপ হেন্দোলদোপ। কথাটো এইদৰেও ক'ব পাৰি যে স্ত্ৰীসকলৰ বিভিন্ন ধৰণৰ মুখত সনা ক্ৰীম প্ৰতিযোগিতা আৰু পুৰুষ তথা মহিলাৰ উভয়ৰ জিয়াজী আৰু ডি, চি, এম মিলৰ কাপোৰৰ প্ৰদৰ্শনী। বৰ্ডিং খেলপথাৰৰ পুবে আমাৰ শিৱসাগৰৰ দল আৰু পশ্চিমে গুৱাহাটীৰ দলটো। স্বভাৱতেই পূবফালে খেল চাবলৈ ছুটি দিয়া ফুলেশ্বৰী স্কুলৰ ছোৱালীবোৰ বিৰাজমান। গতিকে লৰাবোৰো সেইফালেই.............হেৰি মানে— ছোৱালীবোৰ য'ত ল'ৰাবোৰো ত'ত। ঘূৰাই ক'বলৈ গলে, ল'ৰাবোৰ য'ত ছোৱালীবোৰো ত'ত। দুয়ো পক্ষ সমান। বাৰু কওঁকচোন মই সেই সময়ত ক'ত আছিলো? নিচেই উজু প্ৰশ্ন—একে একে দুই। মোৰ লগৰ সবেই খেল পথাৰত দৃষ্টি নিক্ষেপ নকৰি অইনফালে চাই থাকোতেই মই মূৰ পোলোকা দি একেবাৰে চেন্টাৰে চেন্টাৰে পেলাই ললো নহয়। বিপক্ষই অলপ চকুযোৰ ঘূৰালেই দৃষ্টি মোৰ ওপৰত আৰু মোৰ হ'লে দৃষ্টি "অলৰেইজ" সিহঁতৰ ওপৰত। খেল চাই আছো। হঠাৎ (কিনো অবাধ্য চকু) অলপ সিফালে চাওঁতেই দেখিলো এজনেচোন মোৰ ফালে চাই হাঁহি আছে। আৰে, কথাটো কি? মনটো অলপ ভাল লাগি গ'ল। হওঁক তেওঁ, বৰশীত মাছে খুটিব ধৰিছে। অলপ পাছত চাওঁ—আও এইবাৰ আৰু এজন, এহ্ তিনিজন হলেইচোন। তাৰ পাছত আৰু ক'ব খেল চোৱা হ'ব। মিচিকিয়া হাঁহিৰে মই মোৰ মুখখন উজ্বলাই তুলিলো। তৃতীয়বাৰত চাওঁতে দেখিলো আৰে জুমটোৰ প্ৰায় আধাই হাঁহিব ধৰিছে। দিঠকতে সপোন দেখিলো। মই আগে আগে ঘৰলৈ গৈ আছো, মোৰ পিছে পিছে লাইন পাতি ল'ৰাৰ এটা জাক আহি আছে আৰু তেনেতে দূৰৈত

দেখিছো মোৰ পিতৃ দেৱতাই মেচি দা এখন দাঙি কালান্তক মূৰ্ত্তি ধৰি ৰৈ আছে। হাঃ হাঃ হাঃ, খিক্, খিক্, খিক্, খুক্, খুক্ ইত্যাদি হাঁহিৰ খলকনিবোৰে আচম্বিতে মোৰ সপোন ভাঙি দিলে। হাঁহিৰ উৎসৰ ফালে চাই দেখিলো এতিয়াচোন গোটেইগালে হাঁহিব ধৰিছে। কথাটো মই বৰ সুবিধাজনক নেদেখিলো। অলপ বেলেগ গোন্ধ পালো। মোৰ কাষৰ দুজনীমানেও চোন হাঁহিছে। এঃ মই ভাবি নাপালো ইহঁতৰ ইহঁাৰ কাৰণ কি? বুজিলো হাঁহিবোৰৰ উপলক্ষ ময়েই। লাহে লাহে মোৰ মিচিকিয়া হাঁহিটো মাৰ যাব ধৰিছে। তাৰ ঠাইত খংটো উঠি আহিছে। কাষৰ জনীলৈ চালো—হাঁহি আছে। দুচৰমান লগাই দিবৰ মন গ'ল যদিও তাগড়া চেহেৰাটো দেখি মনটো কুঁচ খালে।

হাঁহি—এই হাঁহিবোৰ আৰু কেতিয়াবা কাৰোবাৰ বৰবিহৰ কাৰণ হয়, কাৰোবাৰ আৰু আনন্দৰ কাৰণ হয়। যি মানুহৰ মুখত মিচিকিয়া হাঁহি অনবৰত লাগিয়েই থাকে সেইবোৰ মানুহ বৰ মাৰাত্মক দেই। গুপুততে কথাষাৰ কৈ থলো। তাতোকৈ মাৰাত্মক যদিহে সেই ব্যক্তি কোনোবাৰ মিঃ হয়। বাৰু বাদ দিয়ক এইখিনিতে মোৰ মনত পৰিছে বেজবৰুৱাদেৱে কৈছিল—'অসমীয়া মানুহে হাঁহিব নেজানে। যি কেইজনে হাঁহে তেওঁলোকৰ হাঁহিবোৰো শুকান জেওৰা খৰি চেপি উলিওৱা ৰস।'' এইষাৰ কথা কিন্তু তেখেতে গোকাট মিছা কথা কৈছে দেই। মই কিন্তু মানি নলওঁ। মানিনো কেনেকৈ লম হে? হাঁহিব নেজানে বুলিলেই হ'ব নেকি? বুঢ়ী হেলেন বাইদেউক বলডান্স লগাই দিবলৈ দিয়কচোন কোনে গোমোৰা হৈ থাকে চাওঁ? বেজবৰুৱাদেৱে হয়তো বেচিকৈ পইচা খৰচ হোৱাৰ ভয়ত টকী অথবা চিনেমাবোৰ চোৱাই নাছিল চাগে। সেই কাৰণেহে অসমীয়াই হাঁহিব নেজানে বুলি ক'লে। হুঃ লক্ষ্মী বা ৰূপালীম হলত ''হৃদয়ৰ আঁৰে আঁৰে''বা ''মেইনে প্যাৰ কিয়া''খন চাই কোনে হঁহা নাই? লক্ষ্মী হলত ''ডিস্ক' ডেন্সাৰ''ত মিঠুনৰ কেৰাটে দেখি কোনে নহঁহাকে আছিল? পয়ণ্টাল, আচৰাণী দাদাহঁতৰ বহুৱালিত মানুহৰ পেটৰ নাড়ী চিঙি যোৱাৰ উপক্ৰম হৈছে। চিনেমা হলত সোমালেই গম পোৱা যায় হাঁহে নে নেহাঁহে? হঁহাতো বাদেই দীঘল উকিও শুনা যায়। এবাৰ এনেকৈ হঁহা আৰু উকি মৰা দেখি হলৰ গেটকিপাৰে এজন ল'ৰাক গালি পৰা মই দেখিছো। গেটকিপাৰৰ এইবোৰ উৎপাতৰ বাবেই আন্ধাৰতহে উকি তথা হাঁহি মৰা হয়। কাণ পাতিলে চিনেমাৰ শেহত এইদৰে মন্তব্য শুনা যায়—''বাঃ অমুকৰ প'জকিটা কি ফেন্টাষ্টিক বে'', ''অমুকে কি চলিড একটিং কৰিছে বে'', ''অমুকে কিন্তু অলপ জেং কৰিছে'', ''অমুকৰ মাৰণ কিটা চলিড বে''।

হাঁহি যে কি বস্তু? মুখখন মেলি দিলে ওঠযোৰ দুভাগ হৈ গ'ল, পোকে খোৱা লেতেৰা দাঁত দুপাৰি ওলাই গ'ল আৰু মুখেৰে অলপ শুনো নুশুনো শব্দ কৰিলে—হৈ গ'ল এইয়াই হাঁহি। হাঁহি মানে বত্ৰিশটা দাঁতৰ প্ৰদৰ্শনী নেকি? এবাৰ মই এজন ''মিঃ''লৈ চাই দাঁত দুপাৰি উলিয়াই হাঁহি দিছিলো। পিছে হ'ব কি, সিফালে একেবাৰে জুই। মোক যিহে পোন্দোৱা পোন্দোৱা অমৰাগুটিয়া চকুযোৰে এনে এক চাৱনি দিলে সেইদিনাৰ পৰাই আই ঔ মই আৰু ল'ৰাৰ ফালে নোচোৱা হ'লো। পিচে মোৰ চকুযোৰ বৰ দুষ্ট হে, কেৰাকৈ সিপক্ষক এবাৰ চাবলৈ একেবাৰে উচপিচ কৰি থাকে। হাঁহিৰ যি মূল্য নুবুজে সিহঁতৰ ওচৰত হঁহাটো একেবাৰে নিষেধ দেই। এই যে হাঁহি—হাঁহিৰ ওপৰত লিখি লিখি মোৰেই হাঁহি উঠি গৈছে। গতিকে আপোনালোকেও হাঁহক, মইও হাঁহো আমি সকলোৱে হাঁহো। ৰ'ব, মই তিনি ক'লেই হাঁহিব নহ'লে নাহাঁহিব কিন্তু, শুনক—ৰেডি এক, দুই..............এই ক'ম আৰু তিনি বুলি, তিনি বুলি কলেই হাঁহিব কিন্তু............।

⊠ ⊠ ⊠

উপন্যাসিকা

# মহাকাব্যৰ আত্মস্থ এখিলা পাত

—ৰবী বৰা
স্নাতক ২য় বাৰ্ষিক

গেটখনৰ ইপাৰে ঋতু আঁৰ নোহোৱালৈকে মালাই চাই থাকিল। ঠিক এনেকুৱা সময়তে তাই বুকুৰ ভিতৰত এখিনি অস্থিৰতা অনুভৱ কৰে—এফালৰ পৰা যেন তাই শেষ হৈ গৈছে। নিজকে জোকাৰি লৈ তাই ৰুমৰ খিৰিকিখনৰ কাষত বহিলগৈ। ওপৰৰ কোনোবা এটা ৰুমৰ পৰা ছোৱালীবোৰৰ হাঁহিৰ শব্দ ভাঁহি আহিছে। কি কথা পাতিছে সিহঁতে? তাই ভাবিলে। তাই কোনোদিনে পৰা নাছিল এইদৰে হাঁহিব, আজিও নোৱাৰে। তাই নিজেও ব্যাখ্যা কৰিব নোৱাৰে নিজৰ এই স্বভাৱটোৰ কথা। কেতিয়াবা ছোৱালীবোৰৰ কিছুমান কাৰ্য্যই তাইকো লৈ গৈছিল তাই হোষ্টেলত থকা মুহূৰ্ত্তবোৰলৈ। তাই বেছিদিন থকা নাছিল হোষ্টেলত। ইচ্ছাকৃতভাৱেই আঁতৰি আহিছিল তাই। প্ৰথম হোষ্টেললৈ অহাৰ ৰাতি যেতিয়া তাইক এটা বন্ধ কোঠাত চিনাকিৰ নামত হাৰাশাস্তি কৰা হৈছিল, সেইদিনাই তাইৰ শেষ গৈছিল হোষ্টেলত থকাৰ স্বপ্ন। কোনোদিনে তাই ছোৱালীবোৰৰ সৈতে একাত্ম হ'ব পৰা নাছিল। আৰু হ'ব পৰা নাছিল ভিজিটৰ জোকোৱা আদি উশৃংখল স্বভাৱবোৰৰ সৈতে। আৰু সেয়ে তাই কলেজীয়া জীৱন শেষ নকৰাকৈয়ে ওলাই আহিছিল হোষ্টেলৰূপী সেই অন্য এখন জগতৰ পৰা। কলেজত থকা কেইবছৰ তাই বহু পৰিবেশত কটালে। কিন্তু ক'তোৱেই তাই বেছিদিন স্থায়ী হ'ব পৰা নাছিল। আৰু এতিয়া........! এম, এ, পাছ কৰি কলেজৰ অধ্যাপিকাৰ পদত থাকি ছোৱালী হোষ্টেলৰ চুপাৰ হিচাপে?

ঋতুৰাজ গ'লগৈ। নিজৰ নিসংগ, একক জীৱনৰ তিনিটা বছৰ কটাই দিয়া এই ৰুমটো এই তিনিদিনতে যেন বহুত পৰিৱৰ্তন হৈছিল। সি যোৱাৰ পিছতো তাই অনুভৱ কৰিছে ৰুমটোত তাৰ অশৰীৰি উপস্থিতি। চকীদাৰটোক চুপাৰৰ ককায়েক বুলি চিনাকি দি সি যেতিয়া বিনা দ্বিধাই তাইৰ ৰুমলৈ সোমাই আহিছিল, আচৰিত হৈ গৈছিল তাই সন্মুখৰ মানুহটোক দেখি। তাইৰ দৃঢ় মনটো আৰু দৃঢ় কৰি ল'বলৈ চেষ্টা কৰিছিল। যোৱা তিনিদিন তাই ঋতুৰ লগত খুউব নিবিড়ভাৱে কটালে। এয়াই শেষ। তাইক সন্মত কৰাব নোৱাৰি আন ছোৱালীৰ লগতে ঋতুৰাজে বিয়া পাতিব। আন এজনী ছোৱালীৰ মৰম-আবদাৰৰ মাজত...........তাইৰ বুকুখন কঁপি উঠিল। তাই বাৰু কেনেকৈ ইমান সহজভাৱে আনৰ সতে ঋতুৰাজৰ বিয়াৰ কথা ভাবিব পাৰে। ইমান নিষ্ঠুৰ তাই।

ঋতুৰাজক তাই ভাল পাইছিল। সিহঁতৰ সেই সম্পৰ্কত বাধা আহিছিল তাইৰ মাক দেউতাকৰ পৰা। তথাপিতো শেষ হৈ যোৱা নাছিল সিহঁতৰ সম্পৰ্ক। প্ৰেমৰ নামত বহু উৎপীড়ণ পাৰ হৈ গৈছিল তাইৰ ওপৰেদি। কেতিয়াবা তাই প্ৰেমৰ সকলো অনুভূতিৰ শৃংখল শেষ কৰিব বিচাৰিলেও পৰা নাছিল। ঋতুৰাজৰ এক সুতীব্ৰ আকৰ্ষণে তাইক এনেদৰে বান্ধি ৰাখিছিল যে সেই প্ৰেম অস্বীকাৰ কৰাটো তাইৰ বাবে কষ্টসাধ্য আছিল। বিশেষকৈ ঋতুৰাজ বৰ অভিমানী আছিল। তাৰ অভিমানৰ সন্মুখত তাইৰ যুক্তিবোৰ বৰ দুৰ্বল হৈ পৰিছিল। তাই নিশ্চিত আছিল সিহঁতৰ প্ৰেমে কেতিয়াও বাস্তৱ ৰূপ নাপায়। সেয়ে আঁতৰি আহিছিল তাই। ভবিষ্যতৰ দুখবোৰ এতিয়াই শেষ কৰি দিয়াৰ বাবে বদ্ধপৰিকৰ আছিল তাই। বাহ্যিক বিচ্ছেদে সিহঁতৰ এই সম্পৰ্ক শেষ কৰিব পৰা নাছিল। দুয়োৰে অন্তৰত দুয়ো সংগোপনে শুই আছিল।

ঋতুৰাজৰ পৰিৱৰ্তন হৈছিল। হয়তো মালাতকৈও তীব্ৰ আছিল তাৰ প্ৰেম। সি উশৃংখল হৈ পৰিছিল। সি ওচৰ চপাই লৈছিল মদৰ বটল। তাইৰ পৰা আঁতৰি থকাতকৈ শেষ কৰি দিব বিচাৰিছিল নিজকে। তাই সকলো জানিও একো কৰিব পৰা নাছিল। বিবেকৰ তীব্ৰ দংশনত শেষ হৈ গৈছিল তাই।

ঃ "তোমাৰ কি হৈছে, ঋতু?"

ঃ "একো হোৱা নাই"। নিৰ্লিপ্ত স্বৰে সি তাইক কৈছিল।

ঃ "এইদৰে মদ খাই নিজকে কিয় ধ্বংস কৰি দিছা, ঋতু?"

ঃ "চুপ থাকা, তুমি নিজে জুইৰ ওপৰত তুলি দিছা আৰু সুধিছা কি হৈছে? মোৰ এই অৱস্থাৰ বাবে তুমিয়েই দায়ী।"

ঃ "ঋতু........................"তাই উচুপি উঠিছিল।

ঃ "নাকান্দিবা মালা, তোমাক পাহৰিবৰ বাবেই নিজক পাহৰি থাকিব বিচাৰো। তুমি যে কেতিয়াবা আনৰ হ'বা সেইটোও ভাবিব নোৱাৰো।"

* * *

মনিটৰে Prayer bell দিয়াতহে মালাই সম্বিত ঘুৰাই পালে। লৰালৰিকৈ খিৰিকিখন বন্ধ কৰি তাই লাইটটো জ্বলাই দিলে। বাহিৰত ছোৱালীবোৰে প্ৰাৰ্থনা কৰিছে। এনেকুৱা সময় বোৰত তাইৰ দেউতাকলৈ মনত পৰে। প্ৰচুৰ আদৰ্শবাদী দেউতাক ঈশ্বৰত একান্ত বিশ্বাসী আছিল। জীৱনলৈ এটাৰ পিছত এটাকৈ আহি থকা ঘটনাইও দেউতাকক নিজ আদৰ্শৰ পৰা বিচলিত কৰিব পৰা নাছিল। গাভৰু ভনীয়েকৰ মৃত্যু, বিপ্লৱী ককায়েকৰ কাৰণে ভায়েক পলাই থাকিব লগা হোৱা, দেউতাক থানালৈ যোৱা, মাহৰ বেছিদিন মাক বিছনাত থকা—এইদৰে এটাৰ পিছত এটাকৈ আহি থকা উপৰ্যুপৰি ঘটনাই তাইক ঈশ্বৰৰ প্ৰতি বিৰাগ ভাব জন্মাইছিল। যেতিয়া তাই ঋতুৰাজকো হেৰুৱাব লগা হৈছিল, তেতিয়া তাই কিতাপ আৰু নিজৰ বাহিৰে আন কাকো বাস্তৱ বুলি ভবা নাছিল। শয্যাশায়ী মাকৰ কথা ভাবিয়েই তাই ঋতুৰাজৰ প্ৰেমক প্ৰত্যাখ্যান কৰিছিল। প্ৰেমৰ ক্ষেত্ৰত তাই সাহসি হ'ব পাৰিলেহেতেন। এতিয়াও হ'ব পাৰে। কিন্তু একোৱেই নকৰে তাই। আজি স্বৰ্গগতা মাক বাস্তৱ নহয় বুলিয়েই সেই মাকৰ কথা তাই দলিয়াই পেলাব নোৱাৰে।

* * *

কথা পাতি আহি থকা ছোৱালীকেইজনীয়ে তাইক দেখি চুপ হৈ গৈছিল। তাই তাইৰ ৰুমৰ কাষৰ কৰিডৰটোতে থিয় হৈ আছিল। আজি মালাৰ Class নাই। তাই Class কৰিবলৈ যোৱা ছোৱালীবোৰকে চাই ৰ'ল। আগতেও তাই একে ঠাইতে বহি কোনো উদ্দেশ্য নোহোৱাকৈ মুকলি আকাশৰ তলত ঘণ্টাৰ পিছত ঘণ্টা কটাই দিছিল। কলেজলৈ যোৱা সময়খিনিৰ বাহিৰে বাকী সময়খিনি তাই নিজৰ লগতে কটাছিল। মেছৰ আন ছোৱালীবোৰৰ কাৰণে তাইৰ এই স্বভাৱ কৌতুহলৰ বিষয় হৈ পৰিছিল। ৰুগীয়া মাক-দেউতাক, সন্ধানহীন ককায়েক—এইবোৰে তাইক শান্তিৰে থাকিব দিয়া নাছিল। স্বভাৱতে গহীন তাইক এইবোৰে আৰু গহীন কৰি তুলিছিল।

কলেজীয়া জীৱনত এইবোৰৰ ব্যতিক্ৰম আছিল জোনমণি, বিনীতা, অঞ্জনা এই ছোৱালীকেইজনী, কেৱল বন্ধুৱেই নহয়, প্ৰকৃত শুভাকাংক্ষীও। নিজৰ সম্বন্ধে মুখ খুলি নোকোৱা মালাই ইহঁতৰ আগত মুখ খুলিব লগা হৈছিল। সিহঁতৰ সাহিত্য, বুৰঞ্জী লগতে জ্যোতিষ চৰ্চাই আটাইকেইজনীকে আৰু ওচৰ চপাই আনিছিল। মালাই যেতিয়া জোনমণিহঁতৰ হাত আৰু মুখাবয়ৱ লক্ষ্য কৰি সিহঁতৰ বিষয়ে সবিশেষ নিৰ্ভুলকৈ কৈ দিছিল, তাইক খাতিৰ কৰিছিল জোনমণিয়ে।

ঃ "মালা আমাৰ বিষয়ে তই সকলো গম পালি, এতিয়া তোৰ বিষয়ে ক'চান?"

ঃ "মোৰেই দুৰ্ভাগ্য জোনমণি, তহঁৰ হাতৰ ওপৰত মোৰ হাত আৰু মোৰ নিজৰ মুখকে মই লৈ ফুৰো, অথচ মই সদায় নিজকে এৰি ফুৰিবলৈ চেষ্টা কৰো।"

শেষত তাই কবিতা পাঠ কৰি শুনাবলগীয়া হৈছিল সিহঁতক। সেই সময়ত তাইৰ মাকৰ অপাৰেচন হৈছিল, আৰ্মিৰ অত্যাচাৰত পঙ্গু হোৱা ভৰি এখন লৈ ভায়েক হস্পিতালত আছিল আৰু তাই পঢ়া-শুনা, কলেজ এৰি থৈ ঘৰলৈ গুছি গৈছিল। এসপ্তাহৰ পিছত তাই যেতিয়া কলেজলৈ গৈছিল, তেতিয়া মুকুতা বাইদেৱে তাইক প্ৰকাশ্যে অপমান কৰিছিল। ভগবানৰ নিষ্ঠুৰতা সম্পৰ্কে তাইৰ আকৌ এবাৰ অভিজ্ঞতা হৈছিল। মুকুতা বাইদেৱে যোৱাৰ পিছত তাই বিনীতাৰ হাত দুখনত খামুচি ধৰি কৈছিল, "Class-ত Professar-ৰ গালি, হস্পিতালত মা-ভাইটি, আৰু মোৰ খেয়ালী মন—মই কেনেকৈ জীয়াই থাকো কচোন!" সেইদিনা মালাৰ সলনি বিনীতাই কান্দিছিল। মালা ভিতৰি ভিতৰি শেষ হৈ গৈছিল।

মালাৰ মনটো খুউব খেয়ালী আছিল। যেতিয়া যি মন যায় তাই তাকেই কৰিছিল। মেছত কেতিয়াবা গোটেই ৰাতিটো পঢ়িয়েই কটাই দিছিল। কেতিয়াবা গোটেই দিনটো কথা নপতাকৈয়ে কটাই দিয়ে। বিশেষকৈ আন ছোৱালীবোৰে পতা অৰ্থহীন কথাবোৰত তাই কেতিয়াও ভাগ নলৈছিল। তাই নিজৰ বিছনাত শুই খিৰিকিয়েদি বাহিৰলৈ চাই পাৰ কৰি দিছিল সময়বোৰ।

ঃ "মালা, তই নতুনকৈ প্ৰেমত পৰিছ নেকি?"

ঃ "কিয় সুধিলি, মৌচুমী?

ঃ "তই অকলে অকলে হাঁহি আছ যে, বৰ ধুনীয়া লাগিছে।"

তাই নিজেও জানে, কিবা এক অনামী সুখবোৰে কেতিয়াবা তাইক এনেকৈয়ে আচ্ছন্ন কৰি ৰাখে। তাই বাৰু অবিনাশৰ প্ৰেমত পৰিছে নেকি? কিন্তু তাইৰ মন-প্ৰাণ ঋতুৰাজৰ প্ৰেমেৰে এনেকৈ সিক্ত আছিল যে তাত অবিনাশৰ প্ৰেম একপ্ৰকাৰ অবাস্তৱ আছিল। তথাপিও কিবা এক ভাল লগাই তাইক অবিনাশৰ ওচৰ চপাইছিল। অবিনাশক তাই প্ৰায়ে লগ পাইছিল। কিন্তু সিহঁতে কেতিয়াও প্ৰেমৰ কথা পতা নাছিল। তাইও এই সম্পৰ্কক প্ৰেম বুলি ভবা নাছিল। অবিনাশেও। অবিনাশৰ এই গুণটোৱে তাইক বেছি কাষ চপাই আনিছিল তাৰ। বিশেষকৈ তাৰ অলপ স্পৰ্শৰ বাবে তাই এনেকৈ ব্যাকুল হৈ পৰে যেন সেই সময়ত সমস্ত পৃথিৱীখনেই অসাৰ হৈ পৰিব তাইৰ সন্মুখত। তেতিয়া সংগোপনে তাই চুই চাইছিল তাৰ হাত। সেই স্পৰ্শত কোনো কামনা-বাসনা নাছিল, এক পৱিত্ৰ ভাৱেৰেই বিৰাজ কৰিছিল সেই অদম্য কৌতুহলৰ আঁৰত। তথাপিতো তাইৰ ভয় লাগিছিল কেতিয়াবা যদি সোধে অবিনাশে তাইক প্ৰেমৰ কথা, প্ৰস্তাৱ দিয়ে ভাল পোৱাৰ। তাইৰ এই ভয় অমূলক আছিল। পিছলৈ তাই সেই স্পৰ্শৰ মাজতে বিচাৰি পাইছিল সমস্ত সুখৰোধ। সাময়িকভাৱে পাহৰি গৈছিল তাই ঋতুৰাজক, তাইৰ বেমাৰী মাকক, ভায়েকক, আনকি নিজকো। সেই অবিনাশে যেতিয়া এদিন তাইক বিয়াৰ কথা কৈছিল তাই একেবাৰে নুই কৰি দিছিল। "মোৰ ইমান খেয়ালী মন, তুমি কেতিয়াও সুখী হব নোৱাৰা অবিনাশ। হয়তো ময়ো নোৱাৰিম তোমাক সুখী কৰিব, এইদৰেই থাকোচোন মই। তুমি বিয়া পাতা, মোৰ কোনো আক্ষেপ নাই।" আঁতৰি গৈছিল অবিনাশ। বিয়াও পাতিছিল। বিয়ালৈ নিমন্ত্ৰণ কৰিবলৈ আঁহোতে সি কৈছিল—"যদিও বিয়া কৰাব বিচাৰিছো, তোমাৰ অবিহনে মই কেতিয়াও সম্পূৰ্ণ হ'ব নোৱাৰো। এতিয়াও মোক স্বীকাৰ কৰা, সকলো সম্বন্ধ শেষ কৰি দিম মই।" তাই বাধা দিছিল তাক। কেতিয়াবা অত্যন্ত গোপন মুহূৰ্তবোৰত তাই উপলব্ধি কৰে, ঋতুৰাজ আৰু অবিনাশ—কাৰো ওচৰতে তাই প্ৰেমৰ পূৰ্ণতা বিচাৰি পোৱা নাছিল। সিহঁতৰ প্ৰেমিকা হ'বৰহে তাই উপযুক্ত, পত্নী হ'বৰ নহয়। একেজনী ছোৱালী কেতিয়াও একেলগে প্ৰেমিকা আৰু পত্নী হ'ব নোৱাৰে। তাইও কোনোদিন কাৰো পত্নী হোৱাটো বিচৰা নাছিল। এইবোৰ কথা ভাবিবৰ সময়ত তাই নিজকেই বুজিব নোৱাৰে।

* * *

ভাত-পানী খাই তাই আকৌ খিৰিকিখনৰ কাষত

বহিলগৈ। বন্ধৰ দিনবোৰত তাই বেছিভাগ সময় ইয়াত বহিয়েই কটাই দিয়ে। তাৰ বাহিৰে তাই কৰিবই বা কি? বিনীতা, অঞ্জনা, জোনমণি,—ইহঁত প্ৰত্যেকৰে বিয়া হৈ গ'ল। তাইৰহে নহ'ল। পঢ়ি থকা সময়ত অহা সম্বন্ধবোৰ তাই নিজেই নাকচ কৰিছিল। তাৰ পিছত তাইক কোনেও বিয়াৰ প্ৰস্তাৱ দিয়া নাছিল। মাত্ৰ ঋতুৰাজহে ৰৈ আছিল তাইলৈ। তাইয়ে জনাই দিছিল তাক, তাইৰ বিয়া নহয়। এনেদৰেই থাকিব তাই। আগতে ঘৰলৈ গ'লে মাকে তাইৰ সন্মুখত কান্দিছিল, দেউতাকে একো নকয় তাইক। আৰু এতিয়া—মাক-দেউতাক নাই। ককায়েক-ভায়েকে কোনোদিন নকয় তাইক বিয়াৰ কথা। তাইৰ জেদী, দৃঢ় স্বভাৱৰ লগত সিহঁত সৰুৰে পৰা পৰিচিত। নবৌয়েকে তাইক এদিন কৈছিল—"মালা, তুমি যদি হওঁ বুলি কোৱা তেন্তে ঋতুৰ লগতে বিয়া পাতি দিওঁ? কিমানদিন থাকিবা এনেদৰে"

ঃ "মোক বিয়াৰ কথা কোনোদিনে নকবা নবৌ, কেনেকৈ জানিলা, ঋতুৰ কাৰণেই মই যে ৰৈ আছো।"

"মোক ক্ষমা কৰিবা ঋতু। নাভাবিবা মই তোমাৰ প্ৰেমক অসন্মান কৰিছো বুলি। সেই সাহস মোৰ নাই। বিয়া নহ'লেও আজীৱন তোমাকেই ভাল পাই যাম।"

ক্ষমা—শব্দটোৱে তাইক মীনাক্ষিলৈ মনত পেলাই দিলে। জীৱনৰ শেষ বছৰ দুটাত তাই মীনাক্ষিৰ লগত একেলগে সিহঁতৰ কলেজৰে ছাৰ এজনৰ ঘৰত আছিল। সদায় হাঁহি-স্ফুৰ্তিৰে সময়বোৰ পাৰ কৰি দিয়া মীনাক্ষিৰ মাজত যে এখন কুৎসিত হৃদয় থাকিব পাৰে তাই জনা নাছিল! ছাৰৰ ভায়েক বিজয়ৰ লগত সম্পৰ্ক থকা বুলি সন্দেহ কৰি মীনাক্ষিয়ে প্ৰকাশ্যে তাইক অপমান কৰিছিল। যি সময়ত মালাই অকণমান শান্তিৰ বাবে হাঁহাকাৰ কৰি ফুৰিছিল, তেনে অৱস্থাত তাইৰ প্ৰতি মীনাক্ষিৰ এনে আচৰণে তাইক মানসিকভাৱে পংগু কৰি দিছিল। ঋতুৰ লগত এনে এটা সম্পৰ্কৰ পিছত বিজয়ক যে তাই ঋতুৰ স্থানত বহুৱাবলৈ যোৱা নাছিল সেয়া মীনাক্ষিয়ে বুজা নাছিল। বিজয় তাইৰ শুভাকাংক্ষী আছিল। হৃদয়ৰ সকলো যুক্তি, আবেগ শেষ কৰি তাই বিজয়ৰ লগত মাত-বোল পৰ্য্যন্ত শেষ কৰি দিছিল। আৰু মীনাক্ষি...........। নিজৰ সমন্ধীয় ককায়েক এটাৰ লগত সুখৰ সংসাৰ পতাত ব্যস্ত।

অশৃংখলিত মনটোৰ উদ্বেগবোৰ পাহৰি থাকিবৰ বাবে তাই দূৰৈৰ আকাশৰ ফালে চালে। আকাশখনৰ প্ৰতি এটা দুৰ্বাৰ আকৰ্ষণ তাইৰ সৰুৰে পৰাই আছে। আকাশখনৰ সিপাৰে কি আছে বাৰু......? তাই আজি নতুনকৈ ভাবিলে।

☒ ☒ ☒



শিৱসাগৰ ছোৱালী কলেজ ছাত্ৰী একতা সভাৰ বিভাগীয় সম্পাদিকাসকলৰ বাৰ্ষিক প্ৰতিবেদন (সম্পাদিত ৰূপত)

# ছাত্ৰী একতা সভাৰ ভিতৰ চ'ৰা

## সাধাৰণ সম্পাদিকাৰ প্ৰতিবেদন ঃ—

আৰম্ভণিতে শিৱসাগৰ ছোৱালী কলেজৰ সমূহ ছাত্ৰী বান্ধৱীকে জনাইছোঁ যে সাধাৰণ সম্পাদিকা শ্ৰীমতী মিতালী গোহাঁইয়ে কাৰ্য্যকালৰ ভিতৰতে পদত্যাগ কৰাৰ বাবে তেওঁৰ ঠাইত সহকাৰী সাধাৰণ সম্পাদিকা ৰূপে নিৰ্বাচিত মই, শ্ৰীমতী জুৰি দিহিঙ্গীয়াই সাধাৰণ সম্পাদিকাৰ দায়িত্ব লৈ কাৰ্য্য নিৰ্বাহ কৰিব লগাত পৰে। সেয়েহে আজি শিৱসাগৰ ছোৱালী কলেজ ছাত্ৰী একতা সভাৰ সাধাৰণ সম্পাদিকা ৰূপে এই প্ৰতিবেদন লিখিবলৈ লৈছো। ইয়াত যদি কিবা দোষ ক্ৰটি হয় তাৰ বাবে সকলোৰে ওচৰত ক্ষমা প্ৰাৰ্থনা কৰিলো।

জয় জয়তে শিৱসাগৰ ছোৱালী মহাবিদ্যালয়ৰ ছাত্ৰী একতা সভাত সাধাৰণ সম্পাদিকাৰূপে কাৰ্য্যনিৰ্বাহ কৰিবলৈ দি মহাবিদ্যালয়ৰ সেৱা কৰিবলৈ সুবিধা দিয়াৰ বাবে ছাত্ৰীসকললৈ মোৰ শলাগৰ তথা কৃতজ্ঞতাৰ শৰাই আগবঢ়ালো। শিৱসাগৰ ছোৱালী মহাবিদ্যালয়ৰ ছাত্ৰী একতা সভাৰ সাধাৰণ সম্পাদিকা ৰূপে এক দায়িত্বপূৰ্ণ বিষয়বাব চলোৱাত যি সকল ছাত্ৰী বান্ধৱী, মাননীয় শিক্ষাগুৰু আৰু সদাশয় ব্যক্তিয়ে সহায়, সহযোগিতা, উৎসাহ-উদ্দীপনা তথা উপদেশ আগবঢ়ালে সেই সকলৰ ওচৰত মই চিৰ কৃতজ্ঞ হৈ ৰ'লো।

শিৱসাগৰ ছোৱালী মহাবিদ্যালয়ৰ ১৯৯৬-৯৭ চনৰ ছাত্ৰী একতা সভাৰ কাৰ্যভাৰ গ্ৰহণ কৰি প্ৰথম মহাবিদ্যালয়ৰ বিভিন্ন অভাৱ-অভিযোগ সম্বন্ধে আলোচনা কৰাৰ লগতে শৈক্ষিক পৰিবেশৰ কেনেকৈ উন্নতি সাধন কৰিব পৰা যায় তাৰ বাবে প্ৰযত্ন কৰা হয়।

প্ৰিয় ছাত্ৰী বান্ধৱীসকল, আপোনালোকে অনুভৱ কৰিব পাৰিছে যে, আজি কেইবাছৰমানৰ পৰা অসমৰ জনসাধাৰণ তথা ছাত্ৰ-ছাত্ৰীসকলে এক সংকটপূৰ্ণ পৰিবশেত জীৱন যাপন কৰিব লগাত পৰিছে। এনে পৰিস্থিতিত অনেকে বাধা অতিক্ৰম কৰি হলেও আমি শিক্ষা আহৰণ কৰিব লাগিব কাৰণ ছাত্ৰ-ছাত্ৰীসকলেই হ'ল ভৱিষ্যৎ দেশৰ নাগৰিক তথা গুৰিধৰোঁতা। সেয়েহে এনে এক সংকটপূৰ্ণ পৰিস্থিতিৰ মাজতো যাতে শৈক্ষিক পৰিৱেশ কোনো প্ৰকাৰে বিনষ্ট নহয় তাৰ প্ৰতি ছাত্ৰ-ছাত্ৰীসকল সচেষ্ট হোৱা দৰকাৰ।

১৯৯৬-৯৭ চনৰ ছাত্ৰী একতা সভাৰ কাৰ্যকালত পালন কৰা বিভিন্ন অনুষ্ঠানসমূহৰ চমু খতিয়ান এটি আপোনালোকৰ ওচৰত দাঙি ধৰিছোঁ।

আন কেইবছৰৰ দৰে এইবাৰো ৩০-১২-৯৭ তাৰিখৰ পৰা ৪-১-৯৭ তাৰিখলৈকে ৬ (ছয়) দিনীয়া কাৰ্য্যসূচীৰে বাৰ্ষিক কলেজ সপ্তাহ পালন কৰা হয়। ৪ জানুৱাৰী দিনটোত অৰ্থাৎ আমাৰ বঁটা বিতৰণী সভাৰ দিনা ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অধীনত অনুষ্ঠিত হোৱা স্নাতক চূড়ান্ত পৰীক্ষাত ভুগোল বিভাগত প্ৰথম শ্ৰেণী লাভ কৰি আমাৰ মহাবিদ্যালয়লৈ সুনাম কঢ়িয়াই অনা ছাত্ৰী ক্ৰমে ছালমা খাতুন, অনামিকা গোস্বামী আৰু লগতে অৰ্চনা মজিকাকো আমি সম্বৰ্দ্ধনা জনাইছিলোঁ।

প্ৰতিবছৰে গতানুগতিকভাৱে পালন কৰি অহাৰ দৰে এই বছৰো আমাৰ ছাত্ৰী একতা সভাই কলেজত সৰস্বতী পূজা উদযাপন কৰোঁ। আমাৰ কাৰ্য্যকালত ৫ ছেপ্তেম্বৰ তাৰিখে শিক্ষক দিৱসৰ পবিত্ৰক্ষণত আমাৰ মহাবিদ্যালয়ৰ দুজন শিক্ষাগুৰু যথাক্ৰমে ডঃ মুনীন বৰগোঁহাই আৰু শ্ৰীযুত দ্ৰোণ কলিতা চাৰক অৱসৰ গ্ৰহণৰ পৰিপ্ৰেক্ষিতত আনুষ্ঠানিকভাৱে বিদায় সম্বৰ্দ্ধনা জনোৱা হয়।

## নৱাগত আদৰণী সভা ঃ

শিৱসাগৰ ছোৱালী মহাবিদ্যালয়ত শিক্ষা লাভ কৰিবলৈ অহা নৱাগতা ছাত্ৰী সকলক আদৰণি জনাবৰ বাবে ৮-৯-৯৭ তাৰিখে নৱাগত আদৰণী সভা আহ্বান কৰা হয়। এই সভাত সভাপতিত্ব কৰে মহাবিদ্যালয়ৰ মাননীয় অধ্যক্ষ মহম্মদ হাফিজুৰ ৰহমানদেৱে। নিমন্ত্ৰিত অতিথিৰূপে যোগদান কৰে টিয়ক সমষ্টিৰ বিধায়িকা তথা এই কলেজৰ এগৰাকী প্ৰাক্তন ছাত্ৰী শ্ৰীযুতা ৰেণুপমা ৰাজখোৱা বাইদেউ আৰু চলচ্চিত্ৰ জগতৰ খ্যাতনামা অভিনেতা শ্ৰীযুত বিষ্ণু খাৰঘৰীয়াই।

সম্প্ৰতি উচ্চতৰ মাধ্যমিক শিক্ষা সংসদ আৰু বিশ্ববিদ্যালয়ৰ দ্বাৰা অনুষ্ঠিত পৰীক্ষাসমূহত গৰিষ্ঠসংখ্যক ছাত্ৰ-ছাত্ৰী ইংৰাজী বিষয়ত অকৃতকাৰ্য্য হোৱা দেখা যায়। ই এটা জ্বলন্ত শৈক্ষিক সমস্যা। এই বিষয়ৰ গুৰুত্ব উপলব্ধি কৰি কলেজৰ শিক্ষক-শিক্ষয়িত্ৰী, ছাত্ৰীসকলৰ উপৰিও স্থানীয় কেইজনমান শিক্ষাবিদৰ উপস্থিতিত আমাৰ কাৰ্য্যকালতে এখনি আলোচনা-চক্ৰ অনুষ্ঠিত কৰা হয়।

আমাৰ অভাৱ অভিযোগসমূহ ঃ (১) ছাত্ৰী সংখ্যা অনুপাতে মহাবিদ্যালয়ত শ্ৰেণীকোঠা নিচেই সীমিত।

(২) কেন্টিনৰ পৰিসৰ বৃদ্ধি কৰাৰ প্ৰয়োজন।

(৩) ছাত্ৰীৰ বাবে প্ৰসাৱগাৰৰ সংখ্যা বৃদ্ধি কৰাৰ লগতে তাক পৰিস্কাৰকৈ ৰখাৰ যাৱতীয় ব্যৱস্থা গ্ৰহণৰ প্ৰয়োজন।

(৪) গ্ৰন্থাগাৰত অধ্যয়ণ কক্ষ (Reading room) ডাঙৰ কৰিব লাগে।

(৫) ছাত্ৰীসকলৰ জিৰণীকোঠা আৰামদায়ক কৰা।

(৬) ছাত্ৰী একতা সভাৰ বাবে এখন সংবিধান প্ৰণয়ন কৰা ইত্যাদি। থূৰতে কেইটিমান সমস্যা উল্লেখ কৰি সিবিলাকৰ সমাধানৰ বাবে কলেজ কৰ্ত্তৃপক্ষৰ দৃষ্টি আকৰ্ষণ কৰিলো।

১৯৯৬-৯৭ বৰ্ষৰ আমাৰ কাৰ্যকালত সকলোক্ষেত্ৰতে সহায় সহযোগ আগবঢ়োৱা বাবে মাননীয় অধ্যক্ষ আৰু উপাধ্যক্ষ মহোদয়ৰ লগতে সমূহ শিক্ষাগুৰু তথা বাইদেউ সকললৈ মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলো। লগতে কাৰ্য্যালয়ৰ সমূহ কৰ্মচাৰীৰ উপৰিও কেন্টিনৰ কৰ্মচাৰী সকললৈও বিভিন্ন সময়ত সহায় আগবঢ়োৱাৰ বাবে কৃতজ্ঞতা প্ৰকাশিলো।

তদুপৰি সকলো সময়তে সহায়ৰ হাত আগবঢ়োৱা কবিতা, ৰূপা, পল্লৱী, নিজৰা, স্বপ্না, ৰেখা, অৰ্পনাৰ প্ৰমুখ্যে বান্ধৱীসকললৈ মোৰ হিয়া ভৰা ওলগ যাঁচিলো।

শেষত ৰংপুৰ নগৰৰ মাজ-মজিয়াত অৱস্থিত নাৰী উচ্চ শিক্ষাৰ কেন্দ্ৰস্বৰূপ এই ছোৱালী মহাবিদ্যালয়ৰ সু-উজ্জ্বল ভৱিষ্যতৰ কামনাৰে মোৰ সম্পাদকীয় প্ৰতিবেদন সামৰিলো। ধন্যবাদ সহকাৰে—

জুৰি দিহিঙ্গীয়া
সাধাৰণ সম্পাদিকা
শিৱসাগৰ ছোৱালী মহাবিদ্যালয়
ছাত্ৰী একতা সভা।

## সাংস্কৃতিক সম্পাদিকাৰ প্ৰতিবেদন ঃ—

১৯৯৬-৯৭ চনৰ ছাত্ৰী একতা সভাৰ সাংস্কৃতিক সম্পাদিকা পদৰ বাবে কোনো প্ৰতিদ্বন্দী নোহোৱাত মাননীয় অধ্যক্ষ মহোদয়ে এই বিভাগৰ দায়িত্ব মোৰ ওপৰতে অৰ্পন কৰাত অধ্যক্ষ মহোদয়লৈ মোৰ প্ৰতিবেদনৰ আৰম্ভণিতে আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

কাৰ্য্যভাৰ গ্ৰহণ কৰাৰ পাছতেই আমাৰ কলেজত প্ৰতিবছৰে পালন কৰি অহাৰ দৰে এইবছৰো ৩০-১২-৯৬ ইং তাৰিখৰ পৰা ৪-১-৯৭ ইং তাৰিখলৈকে ৬ (ছয়) দিনীয়া কাৰ্যসূচীৰে "বাৰ্ষিক কলেজ সপ্তাহ" উদযাপন কৰা হয়। এই কলেজ সপ্তাহ উপলক্ষে সাংস্কৃতিক বিষয়ৰ বিভিন্ন প্ৰতিযোগিতা অনুষ্ঠিত কৰা হয়। যিসকল ছাত্ৰীয়ে অংশগ্ৰহণ কৰি প্ৰতিযোগিতাসমূহ সুকলমে পতাত মোক সহায় কৰিলে তেওঁলোকলৈ মোৰ কৃতজ্ঞতা থাকিল। প্ৰতিযোগীসকলে যেন ভৱিষ্যতে ইয়াতকৈও বেছি পাৰদৰ্শিতা দেখুৱাব পাৰে তাক আন্তৰিকতাৰে কামনা কৰিলো। কলেজ সপ্তাহ সমাৰোহৰ শেষৰ দিনা মুকলি সভাত বিজয়ী প্ৰতিযোগীসকলক আনুষ্ঠানিকভাৱে পুৰস্কৃত কৰা হয়।

এই বিভাগৰ তত্বাৱধানতে যোৱা ১২ ফেব্ৰুৱাৰী, ১৯৯৭ তাৰিখে সৰস্বতী পূজাভাগি সকলোৰে সহযোগত অতি উলহ মালহেৰে উদযাপন কৰা হয়।

মোৰ কাৰ্য্যকালত প্ৰতিটো ক্ষেত্ৰতে সহায় সহযোগিতা আগবঢ়োৱা বিভাগীয় উপদেষ্টা অধ্যাপক ইনামুল হুচেইন চাৰ আৰু লগতে মাননীয় অধ্যক্ষ মহোদয়, উপাধ্যক্ষ মহোদয় আৰু সমূহ চাৰ বাইদেউলৈ মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছো। লগতে বিভিন্ন কামত সহায় কৰা কাৰ্য্যালয় সহায়ক আৰু চতুৰ্থ শ্ৰেণীৰ কৰ্মচাৰী সকললৈ ধন্যবাদ জ্ঞাপন কৰিলো।

তদুপৰি সকলো সময়তে বিভিন্ন কামত বিশেষভাৱে সহায় কৰা ছাত্ৰী একতা সভাৰ সমূহ সদস্যা আৰু মোৰ বান্ধৱী বিদ্যা, ৰীতা, মৃদু, মৌচুমী, আচিফ, পাৰুল, তছমিদা, চুলতানা, পাপলি, ইনু, পপি, মাইনা, শ্ৰুতি, সুৰভি, লভিতা, ত্ৰিবেণী সকলোলৈকে মোৰ আন্তৰিক ধন্যবাদ থাকিল।

শেষত মোৰ জ্ঞাত অজ্ঞাত ভুল-ত্ৰুটিৰ বাবে শিক্ষাগুৰুসকল, কৰ্মচাৰীবৃন্দ আৰু ছাত্ৰীসকলৰ ওচৰত ক্ষমা বিচাৰি মোৰ প্ৰতিবেদনৰ ইমানতে সামৰণি মাৰিলো।

**"জয়তু শিৱসাগৰ ছোৱালী কলেজ"**

**ৰেখাৰাণী দেৱী**
**সম্পাদিকা, সাংস্কৃতিক বিভাগ।**

## ছাত্ৰী জিৰণী কোঠাৰ সম্পাদিকাৰ প্ৰতিবেদন

আগৰ কেইবছৰৰ দৰে এইবছৰো মহাবিদ্যালয়ৰ ছাত্ৰী জিৰণী কোঠাৰ খেলসমূহ নানা অসুবিধাৰ মাজেদি হ'লেও সুকলমে পাৰ হৈ যায়। খেলসমূহ পৰিচালনা কৰোতে যিমানখিনি সা-সুবিধা ছাত্ৰীসকলক দিব লাগিছিল সিমানখিনি হয়তো দিব পৰা নাছিলো। তাৰবাবে দুঃখিত।

কলেজ সপ্তাহ হ'ল মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলক প্ৰতিভা বিকাশৰ থলী। বিভিন্ন প্ৰতিযোগিতা সমূহত আমাৰ মহাবিদ্যালয়ৰ ছাত্ৰীসকলে আশানুৰূপ সফলতা অৱশ্যে দেখুৱাইছিল। কিন্তু পুষ্পসজ্জা আৰু চালাদ সজ্জা প্ৰতিযোগিতা

আশানুৰূপ হৈ নুঠিল। ভৱিষ্যতে ছাত্ৰীসকলে এই দুটা প্ৰতিযোগিতা সফল কৰি তোলাৰ প্ৰতি সচেষ্ট হ'ব বুলি আশা ৰাখিছো।

শেষত লঘূক্ৰীড়া প্ৰতিযোগিতা সমূহৰ বিভিন্ন দিশত দিহা পৰামৰ্শ দি সহায় কৰাৰ বাবে ছাত্ৰী-জিৰণী কোঠাৰ উপদেষ্টা শ্ৰীযুতা দীপজোনালী ভূঞা বাইদেউ প্ৰমুখ্যে মহাবিদ্যালয়ৰ সমূহ শিক্ষক-শিক্ষয়িত্ৰীৰ প্ৰতি কৃতজ্ঞতা প্ৰকাশিলো। লগতে মোৰ বান্ধৱী বিউতি, ভাৰতী, মিতালী, অনি, গীতি, নমিতাৰ শলাগ ললো।

বিভিন্ন প্ৰতিযোগিতাসমূহত যিসকল ব্যক্তিয়ে বিচাৰকৰ আসন গ্ৰহণ কৰি আমাক সহায় কৰিলে তেখেতসকললৈও ধন্যবাদ জনালো।

ৰূপজ্যোতি বুঢ়াগোহাঁই
সম্পাদিকা, ছাত্ৰী জিৰণী কোঠা

## ক্ৰীড়া বিভাগৰ সম্পাদিকাৰ প্ৰতিবেদন ঃ—

শিৱসাগৰ ছোৱালী কলেজৰ ছাত্ৰী একতা সভাৰ ১৯৯৬-৯৭ চনৰ ক্ৰীড়া বিভাগৰ সম্পাদিকা হিচাবে নিৰ্বাচিত কৰাৰ বাবে প্ৰতিবেদনৰ আৰম্ভণিতে মহাবিদ্যালয়ৰ সকলো ছাত্ৰীলৈ মোৰ কৃতজ্ঞতা জ্ঞাপন কৰিলো।

খেল বিভাগৰ দায়িত্ব বহন কৰাৰ পাছত কলেজৰ বাৰ্ষিক উৎসৱ উপলক্ষে ৩০ ডিচেম্বৰৰ পৰা ২ জানুৱাৰীলৈ বাৰ্ষিক ক্ৰীড়া প্ৰতিযোগিতা অনুষ্ঠিত কৰা হয়। পতাকা উত্তোলনেৰে এই প্ৰতিযোগিতা আনুষ্ঠানিকভাৱে উদ্বোধন কৰে আমাৰ মহাবিদ্যালয়ৰ অধ্যক্ষ মঃ হাফিজুৰ ৰহমানদেৱে। উদ্বোধনী অনুষ্ঠানত বিশিষ্ট অতিথি ৰূপে আমন্ত্ৰণ কৰি অনা হয় ৰাষ্ট্ৰীয় খেলুৱৈ তথা শিৱসাগৰ তেল আৰু প্ৰাকৃতিক গেছ আয়োগৰ কৰ্মচাৰী শ্ৰীমতী বুদ্ধিমাই থাপা বাইদেউক। ক্ৰীড়া বন্তি প্ৰজ্বলন কৰে আমাৰ কলেজৰ টেবুল টেনিছ খেলুৱৈ ছাত্ৰী শ্ৰীস্মিতা বৰুৱাই।

আমাৰ এই মহাবিদ্যালয়ৰ নিজাকৈ এখন খেল পথাৰ নথকাটো বৰ দুখৰ কথা। তথাপি বিভিন্ন ক্ৰীড়া প্ৰতিযোগিতাত অংশ গ্ৰহণ কৰা ছাত্ৰীসকলৰ অনেকেই পাৰদৰ্শিতা প্ৰদৰ্শন কৰিব পৰাটো প্ৰশংসনীয়। উপযুক্ত সা-সুবিধা পালে তেওঁলোকে ক্ৰীড়াংগনত যথেষ্ট সুনাম অৰ্জন কৰিব পাৰিব বুলি আশা কৰা যায়।

আমাৰ কাৰ্য্যকালৰ ভিতৰেত ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ দ্বাৰা আয়োজিত আন্তঃ কলেজ ক্ৰীড়া প্ৰতিযোগিতা এখনত আমাৰ দলটি নেতৃত্ব দিয়াৰ আশা পোষণ কৰিছিলো যদিও সেই আশা বিধিৰ বিপাকত পূৰণ নহ'ল।

যাহওঁক, আমাৰ কাৰ্য্যকালত বিভিন্ন সময়ত সক্ৰিয় সহযোগিতা আগবঢ়োৱাৰ বাবে সহকাৰী ক্ৰীড়া সম্পাদিকা শ্ৰীৰূপা গগৈলৈ মোৰ আন্তৰিক ধন্যবাদ যাঁচিলো। লগতে প্ৰতি ক্ষেত্ৰতে সু-পৰামৰ্শৰে বাধিত কৰা বিভাগীয় উপদেষ্টা শ্ৰীযুত বিমল দত্ত চাৰ প্ৰমূখ্যে সৰ্বশ্ৰী প্ৰসন্ন ভূঞা, অঙ্কুৰ ভৰালী, প্ৰণৱজ্যোতি ভৰালী চাৰলৈও কৃতজ্ঞতা জনালো। তদুপৰি মোৰ বান্ধৱী তুলুমণি, ৰীতা, লক্ষীমণি, গীতিমণি, স্বপ্না, ৰূপাজ্যোতি, দীপাহঁতে সকলো সময়তে লগত থাকি কামবিলাক সুচাৰুৰূপে সম্পন্ন কৰাত যি সহায় কৰিলে তাক মই কেতিয়াও পাহৰিব নোৱাৰো। ধন্যবাদ সহকাৰে—

দীপজ্যোতি চেতিয়া
সম্পাদিকা, ক্ৰীড়া বিভাগ

# সঙ্গীত বিভাগৰ সম্পাদিকাৰ প্ৰতিবেদন ঃ—

প্ৰতিবেদনৰ পাতনিতে শিৱসাগৰ ছোৱালী কলেজ ছাত্ৰী একতা সভাৰ সঙ্গীত বিভাগৰ সম্পাদিকাৰূপে মোক নিৰ্বাচিত কৰি অনুষ্ঠানটিক সেৱা কৰাৰ সুযোগ আগবঢ়োৱাৰ বাবে ছাত্ৰী বান্ধৱীসকললৈ কৃতজ্ঞতাৰ শৰাই আগবঢ়ালো।

কলেজৰ বাৰ্ষিক উৎসৱ উপলক্ষে সঙ্গীত বিভাগৰ জৰিয়তে পূৰ্বৰ দৰে এই বছৰো নানান গীত মাতৰ প্ৰতিযোগিতা অনুষ্ঠিত কৰা হৈছিল। কলেজৰ নিজা স্থায়ী প্ৰেক্ষাগৃহ নথকাত স্বাভাৱিকতে অনুষ্ঠানবিলাক পতাৰ ক্ষেত্ৰত যথেষ্ট অসুবিধাৰ সম্মুখীন হ'ব লগাত পৰে। সাময়িকভাৱে সকলোবিলাক যোগাৰ কৰিব লগা হোৱাত শিক্ষক-ছাত্ৰী উভয়পক্ষই যথেষ্ট কষ্ট কৰিব লগা হ'ল। স্থায়ীভাৱে এটা প্ৰেক্ষাগৃহ নিৰ্মাণ কাৰ বিষয়টো কলেজ কৰ্তৃপক্ষই অনতিপলমে সহানুভূতিসহকাৰে বিবেচনা কৰিবলৈ এই আপাহতে বিনম্ৰ অনুৰোধ জনাই থলো।

ব্যৱস্থাপনাৰ অনেক অসুবিধা স্বত্তেও কলেজৰ ছাত্ৰীসকলে আন্তৰিকতা আৰু যথেষ্ট উৎসাহ উদ্দীপনাৰে প্ৰতিযোগিতা সমূহত অংশ গ্ৰহণ কৰাটো উল্লেখনীয়। কেৱল অংশ গ্ৰহণ কৰাই নহয়, ভালে সংখ্যক ছাত্ৰীয়ে নিজ নিজ বিষয়ত ব্যুৎপত্তি সাব্যস্ত কৰিবলৈ সক্ষম হোৱা দেখা গ'ল। ই সচাঁকৈয়ে বৰ সুখৰ কথা। তত্ৰাচ এই কথা স্বীকাৰ নকৰি নোৱাৰি যে আন্তঃকলেজ পৰ্য্যায়ৰ প্ৰতিযোগিতাসমূহত আজি ভালে কেইবছৰ ধৰি আমাৰ কলেজৰ প্ৰতিযোগীসকলে তেনে বিশেষ সুনাম অৰ্জ্জন কৰিব পৰা নাই। এই দিশত ছাত্ৰী তথা কলেজ কৰ্ত্তৃপক্ষই চকু দিয়া বাঞ্চনীয় বুলি আমি ভাবো।

যাহওঁক, মোৰ কাৰ্য্যকালত সহকাৰী সঙ্গীত সম্পাদিকা শ্ৰীত্ৰিবেণী বৰাই যিখিনি সহায় সহযোগিতা আগবঢ়ালে তাক মই কেতিয়াও পাহৰিব নোৱাৰো। বিভাগীয় উপদেষ্টা অধ্যাপিকা শ্ৰীদীপজোনালী ভূঞা বাইদেউকে ধৰি কলেজৰ মাননীয় চাৰ বাইদেউসকললৈ তেখেতসকলৰ সক্ৰিয় সহযোগ আৰু সু-পৰামৰ্শৰ বাবে কৃতজ্ঞতা প্ৰকাশ কৰিছো। তদুপৰি কলেজৰ বাৰ্ষিক উৎসৱ উপলক্ষে অনুষ্ঠিত সঙ্গীত প্ৰতিযোগিতাৰ কেওদিন দহোবন কাটি কৰি থৈ যিসকলে আমাৰ অনুৰোধ ৰক্ষা কৰি বিচাৰকৰ দায়িত্ব লৈ আমাক বাধিত কৰিলে তেখেতসকললৈও আন্তৰিক শলাগ জনাইছো।

অজানিত দোষ ক্ৰুটিৰ বাবে ক্ষমা প্ৰাৰ্থনাৰে—

**লভিতা বৰা**
সম্পাদিকা, সংঙ্গীত বিভাগ

# Sibsagar Girls College Magazine

# English Section

1996-97

Editor :
Jitamani Bora

# Content

**Development of Personality** 1-4
Prof. (Mrs) Anita Barooah
Deptt. of Education

**Mother Teresa** 5-7
The great humanitarian
Smita Baruah
HS II yr. (Arts)

**Poems**
**Friendship** : Babita Agg 8
**Loneliness** : Rashmi Sharma 8
**Life** : Miss Dipali Dihingia 9
**Sweet Memories** : S. Sumita Singha 10
**Selfishness** :Swarna Jyoti Chetia 11

**Infrastructure development for the rapid industrial growth in the north-eastern region** 12-15
Prof. (Mrs.) Ajanta Bora
Deptt. of Economics

**Our National Pattern of Education** 16-20
Prof. (Mrs) A. Sharma
Deptt. of Education

**Mother's Teaching** 21-24
Miss Farida Sultana Ahmed
B.A. IIIrd yr.

**Socio-religious Institutions and the Assamese Society** 25-26
Miss T. M. Baruah
Deptt. of Economics

**Results of Annual Competitions 1996-97 Session** 27-29

# DEVELOPMENT OF PERSONALITY

**Prof. (Mrs) Anita Barooah**
*Deptt. of Education*

## INTRODUCTION

In our day to day life, we often use the phrase - "What a personality!" - for a good looking person. Such a person may impress us by his/her physique, clothes, style of speech, etc. Do all these components constitute personality? Why is it that some people impress us more than others? Can we say that we feel more impressed by persons who have better personality?

## MEANING

The term "Personality" has been derived from the Latin word "Persona" which means masks used by actors on the stage. No, it is not considered as a disguised person. It may be interpreted in many ways, but the most common usage pertains to social skills of a person and the most outstanding impression that he or she creates on others. Under social skills usage, an individual's personality is assumed by the effectiveness with which he or she is able to draw out positive reactions from different types of persons under different circumstances. People adequately equipped with social skills are usually liked in society. In the second usage of the term "Personality", it is observed how an individual impresses others. It is this usage under which we say that a person has aggressive or a submissive personality. Here the typical trait or quality of a person is considered that brands him as an adjective of his/her personality.

Personality has also been considered as the essence of human condition. This view suggests that Personality refers to the past of the individual that is most representative of the person. Following this view, Allpoet writes that "Personality is what he or she actually is".

In conclusion, it may be said that personality encompasses all the features mentioned through different views. It is the total quality of an individual consisting of physical patterns, mental integration and chemistry of internal functions. Eysenck (1953) has summed up different views on personality and defined it as the more or less stable and enduring organisation of a person's character, temperament, intellect and physique which determine his unique adjustment to his environment.

## DEVELOPMENT OF PERSONALITY

Development of personality implies that the intensity of a person's traits has increased or a new trait has been acquired

by him. A person, for example, may become more vigorous or more social with the passage of time.

The aim of education is to produce a developed personality. It is a state of optimum physical and mental health. Besides these virtues, a developed personality is equipped with the quality of flexibility and dynamism. Human development is a continuous process. This has been corroborated by Jung who says that humans are constantly progressing or attempting to progress from less complete stage of development to a more complete one. The ultimate goal of development, according to him, is the self realisation. It means the fullest, most complete differentiation and harmonious blending of all aspects of a human's total personality.

## FACTORS

***Maturation :*** Maturation ripens a person's physique and his/her personality develops when he/she behaves positively commensurate with the norms set by the society. Maturation presents the individual with new internal situations for new adjustments in the environment. Thus the personality grows when the inherent capacities get unfolded and adjusted with the acceptable environmental factors.

***Family :*** Family plays a vital role in the development of personality. The education, occupation, habits, social interactions etc. of the parents have a direct influence on the personality of a child. It has been observed that children of strict parents are generally submissive in nature and where parents are friendly with them, they grow without inhibitions.

Family plays a significant role in developing the personality of a child. The very foundation of a person's personality is laid at home in the family. The various components of the family influence the child's personality in the following ways:-

***(a) Role of Mother :*** Mother plays an important role in shaping the personality of a child. Ribble writes that a judicious amount of mothering is a basic to the fulfilment of the psychological needs of the child as are oxygen, food, sleep and the like, to his physical welfare.

Mothers often take it for granted that if the baby is kept clean and warm, suckled or fed at regular intervals and put to bed at particular times, it would grow normally. But the processes underlying cellular growth and health are very much affected by softness and warmth of human touch and rhythm and activity, emotional release and the sense of security. Babies with very good medical and hygienic facility without motherly love and care, have not shown satisfactory growth and development.

Over protection is not congenial to personality development. Some mothers

do not allow their children to go out thinking that every dog bites and every cow is a bull. They make the children timid and in giving them so much security, they make them insecure and they are prevented from developing self-reliance and independence of thought and action.

***(b) Role of Father :*** The nature of father also influences the personality of a child. If a father is reasonably attached to his child, friendly to him, discusses his problems with him, provides knowledgeable situations, gives due weightage to his ideal and shows concern for his wellbeing, his ward will feel emotionally secured and gain confidence in solving his problems. A father habitual of doing some unsocial trait can never become a good model to be imitated by his child.

The parental behaviour is also instrumental in shaping the personality of children. It has been found that children of broken homes are generally maladjusted.

***(c) Role of other members of the family :***

Besides parents, other members of the family brothers, sisters, grandparents etc. also create an impression on the personality of a child. It has been observed that the elder brother or sister becomes a model for the younger one. If the elder one is studious or hard-working in nature, the younger one usually follows the suit.

Grandparents, in many cases, give overdose of affection to their grandchildren. This may spoil them as they may state expecting that their each and every demand must be met. They may become upset whenever they have to face a problem. Child's parents and grandparents must be in league with each other to decide as to how they should tailor their behaviour with him/her.

***(d) Size of Family :*** Personality of a child is also influenced by the size of the family to which he/she belongs. Whereas the modern trend of small family has resulted in the better care of the child, it has also isolated him from social bonds and live atmosphere which exists in joint family and relatively big families.

***(e) Economic Status of the Family:*** The economic level of the family also accounts for the kind of personality of the child. The child of an economically unsecured family generally feels unsecured and depressed as his needs are not fully met. On the other hand, instant fulfilment of his demands due to over generous attitude of the parents restricts growth of his personality.

***(f) Location of the Residence :*** In urban areas the father may be out at work most of the time and has less time to interact with children. Families having a more corporate community life tend to

have more contact with adults and children. A reasonable interaction among the members of the family adds to the emotional security resulting in the balanced personality of the child. The child of an economically unsecured family generally feels insecured and depressed as his needs are not fully met. On the other hand, instant fulfilment of his demands overgenerous attitude of the parents restricts growth of his personality.

According to P. Landis, in homes attached to farms, a more patriarchal system may exist. Consequently, the father may be more dominant or he may be a submissive husband as his wife's domination may increase by the social isolation of the family. All these situations leave a bearing on children.

## ROLE OF SOCIETY

Besides family, some other important institutions of society are school, religion, political party, occupation and nation. All these institutions of society tremendously influence the personality of an individual.

Personality development is not confined to a particular age level; it is a continuous process. At whatever stage and place, an individual is, by the efforts of all concerned he can develop his personality to the optimum possible level. At home in the family, at school in the company of classmates and teachers, with his peer group at any place, in the college or any other institution, at his work place in some organisation, in the park or anywhere with his retired friends, he has to develop and shape his personality according to the situation that has been provided by the concerned social institution. It should, however, be remembered that the extent of personality development depends on the joint efforts of the individual and all others who interact with him, directly or indirectly, in the concerned social institution.

# MOTHER TERESA
## The great humanitarian

**Smita Baruah**
*HS II yr. (Arts)*

Mother Teresa was born in an Albanian family on the 26th of August, 1910 in Skopje, Albania. She was the last of three children. Her family name was Bojaxhiu and when she was just one day old, she was christened Agnes Gonxha, which means "flower bird". It was a very happy family. Her father was involved in politics, her mother was a little strict but very kind. It was a religious family, devoutly Catholic. Agnes, mother took the children with her to morning mass whenever possible.

When Agnes was only nine, her father died. At first her mother was very grief-striken and left everything to her eldest daughter, Age. But soon she regained her strength and set about building up a business, selling cloth and hand embroidery. From her mother's example, Agnes learned another important lesson : to greet adversity and poverty with an enterprising spirit. The Yugoslav priest who worked in Bengal in India said that the Irish order of the sisters of Loreto were the nuns who served that area. Agnes decided to ask them if she could join their order. Agnes, along with another girl who wanted to join, had to go to Paris, to be interviewed by the Mother Superior. The interview in Paris went well, and the two girls were sent to Dublin in Ireland, to begin their training as nuns.

On the 1st December of 1928, the two girls boarded a ship for the long voyage to India. It was on 6 January, 1929 that they arrived in Calcutta. It was four months later on May 23, 1929 that Agnes became a novice and changed her name to Teresa. This had been the name of a French Carmelite nun who had lived out her short life in a convent in Lisieux. She had taught that it is possible to serve God by doing the most ordinary, dull jobs as well as possible, cheerfully and gladly. She called it her "Little Way", and the new sister Teresa thought it a very good way indeed. There was so much to learn, but Agnes was very, very happy and on May 24, 1931, she took her first temporary vows of poverty, chastity and obedience.

She was sent to Darjeeling to teach at the Loretto Convent School there, but she also helped at the hospital. It was here that she first saw suffering and

poverty, which she had never imagined earlier. After that she was sent to Calcutta as a teacher at St. Mary's school. It was here that sister Teresa took up her job of teaching History and Geography. On May 14, 1937, sister Teresa took her final life time vows. She was a professed nun at last and became Principal of St. Mary's School. Sister Teresa, for the first time had the opportunity here to see for herself the real deprivation and poverty that existed in Calcutta and she was brought face to face with the poorest of the poor.

Just before the partition of India in 1946, sister Teresa set off for Darjeeling by train. On the way there, something happened to sister Teresa. She didn't see a vision, nothing spectacular as that. She became convinced that God wanted her to do something new. It was September 10, 1946. She referred to it as her "call within a call" and her sisters celebrate this day every year as 'Inspiration Day'. At first she said nothing to anyone. After her return to Calcutta from Darjeeling, she confided in some of the other nuns. She believed God wanted her to go out into the streets of Calcutta and live and work among the poorest of the poor.

After living almost twenty years at Loreto, on April 12, 1948,she decided to work among the poorest of the poor with permission of the Archbishop. With this end in view, she brought a cheap white cotton Sari along with a small cross and a rosary. The new dress was like the clothing of the poor. Wearing the new dress, she went with the Medical Mission Sisters in Patna, to live with them for a few months so that she could learn as much as possible about nursing the poor. The Director of the Medical Mission Sisters taught her how to give injection and medicines and how to help deliver babies. Over and above, she looked after cholera and small pox patients, the poor, sick children abandoned by their parents, the injured and the dying. After gaining experience how to serve among the poorest of the poor in Patna, she returned to Calcutta to begin her life with the poor. She was at that time thirty years old. She returned with five rupees only given to her by the Archbishop. To begin her work amongst the poor with only five rupees, it is difficult to find a suitable place. After a lot of searching, ultimately she found a small hut in Motijhil. The first big step forward came when a man called Michael Gomes, who lived with his family at Calcutta offered her to use the 2nd floor of his house. In this way several helpers came to her door. They are Subashini Das, Magdalana, Sister Dorothy and Sister Margaret Mary.

**The Missionaries of Charity : -**

The Sari clad girls of Sister Teresa went out in the very poorest areas of

Calcutta, taking care of the children and of the people who were dying without any care. In the meantime Sister Teresa took Indian citizenship. She wrote out very carefully the aims of her little group and the rule they followed. Her aim was "to give wholehearted and free service to the poorest of the poor". On October 7, 1950, the Missionaries of Charity order was recognised by the Catholic Church and approved by the Pope. Thus Sister Teresa, once teacher and headminstress of Loreto, was now Mother Teresa, founder of the Missionaries of Charity.

**Establishment of Shishu Bhavan :-**

She established another institution called Shishu Bhavan at Calcutta. To take care of the starving babies, this institution was established,. She brought many tiny babies from the streets of Calcutta where they had been found abandoned. Many were so small and weak and ill. Still the Sisters tried in every way possible to save them from death. The sisters didn't just wash them, feed them and tend to their injuries, but gave them love and attention.

**Nirmal Hriday :-**

There was a building of the temple of Kali at Calcutta. This building was used as pilgrims' hostel. It had two sleeping wards, electricity, gas and a large enclosed courtyard. A group of sisters of Mother Teresa cleaned it from top to bottom. Young, old, Hindus, Muslims, Christians, Anglo-Indians, dying people from every part of India found a home there. They found peace and loving kindness. The Sisters always saw to it that anyone who died in Nirmal Hriday was buried according to the rituals of their own faith.

